DAILY ASSAM

# অধ্যায় ৭
# ভাৰতবৰ্ষ আৰু অসমৰ প্ৰাথমিক শিক্ষা
# (Primary Education in India and Assam)

বিষয় বস্তু

উদ্দেশ্য

প্ৰস্তাৱনা

(ক) পুৰণি শিক্ষা ব্যৱস্থা

(খ) পুৰণি শিক্ষা ব্যৱস্থাৰ অনুষ্ঠানসমূহ

গুৰুকুল

পাঠশালা

টোল

সত্ৰ

মকটাব

মাদ্ৰাছা

মনিটৰিয়েল ব্যৱস্থা

মিছনেৰীসকলৰ অৱদান

গ) আধুনিক শিক্ষা ব্যৱস্থা

১৮১৩ চনৰ চাৰ্টাৰ আইন

প্ৰাচ্য পাশ্চাত্যৰ বাদানুবাদ

মেকলেৰ প্ৰতিবেদন

১৮৫৪ চনৰ উদৰ নিৰ্দেশনামা

১৮৮২ চনৰ হান্টাৰ আয়োগ

লৰ্ড কাৰ্জনৰ শিক্ষানীতি

গোপালকৃষ্ণ গোখলে বিল ১৯১০-১১

ৱাৰ্ধা আঁচনি ১৯৩৫ বা গান্ধীজীৰ বুনিয়াদী শিক্ষা

অসম প্ৰাথমিক শিক্ষা আইন ১৯২৬

(ঘ) স্বাধীনোত্তৰ কালৰ সাৰ্বজনীন প্ৰাথমিক শিক্ষা

সাংবিধানিক ব্যৱস্থাসমূহ আৰু প্ৰাথমিক শিক্ষা

পূৰ্ণ স্বাক্ষৰতা অভিযান

জিলা প্ৰাথমিক শিক্ষা আঁচনি

অধিকাৰ হিচাপে শিক্ষা

সৰ্বশিক্ষা অভিযান

## উদ্দেশ্য

অধ্যায়টি অধ্যয়ন কৰাৰ পিছত তুমি সমৰ্থবান হ'বা :—

- ভাৰতবৰ্ষ আৰু অসমৰ অতীত শিক্ষা ব্যৱস্থাৰ বিষয়ে জানিবলৈ
- ভাৰতবৰ্ষ আৰু অসমৰ শিক্ষাৰ বিকাশ বৰ্ণনা কৰিবলৈ
- ভাৰতবৰ্ষ আৰু অসমৰ শিক্ষাৰ ক্ষেত্ৰত মিচনেৰীসকলৰ অৱদানৰ বিষয়ে অৱগত হ'বলৈ
- ইংৰাজ ৰাজত্বকালৰ সময়ছোৱাৰ প্ৰাথমিক শিক্ষাৰ বিকাশ সম্বন্ধে ব্যাখ্যা কৰিবলৈ।
- ভাৰতবৰ্ষ আৰু অসমৰ প্ৰাথমিক শিক্ষাৰ আইনগত ব্যৱস্থাসমূহ জানিবলৈ
- প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ পন্থাসমূহ-পূৰ্ণ স্বাক্ষৰতা অভিযান, জিলা প্ৰাথমিক শিক্ষা আঁচনি, সৰ্বশিক্ষা অভিযান আৰু অধিকাৰ হিচাপে শিক্ষাৰ বিষয়ে আলোচনা কৰিবলৈ।
- অসম তথা ভাৰতৰ সাংবিধানিক ব্যৱস্থা আৰু প্ৰাথমিক শিক্ষাৰ বিষয়ে জানিবলৈ

## প্ৰস্তাৱনা (Introduction)

প্ৰাথমিক শিক্ষা হ'ল সমগ্ৰ শিক্ষা গাঁঠনিটোৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়। এই পৰ্যায়টোতে শিশুসকলৰ জীৱনৰ প্ৰস্তুতিৰ শিক্ষা আৰম্ভ হয়। এই শিক্ষাৰ পৰ্যায়টোক শিক্ষাৰ জখলাটোৰ আধাৰশিলা বুলি কোৱা হয়। এইটো এনেকুৱা শিক্ষাৰ পৰ্যায় যিটো গণ স্বাক্ষৰতা সম্প্ৰসাৰণৰ বাবে দায়িত্বশীল। গণ স্বাক্ষৰতা, অৰ্থনৈতিক বিকাশ, সামাজিক গাঁঠনিৰ আধুনিকীকৰণ আৰু গণতান্ত্ৰিক অনুষ্ঠানসমূহৰ ফলদায়ক কৰ্মৰাজিৰ বাবে মূল প্ৰয়োজন। সেয়েহে প্ৰাথমিক শিক্ষাই অতি উচ্চ ধৰণৰ প্ৰাধান্যতা লাভ কৰিবলৈ সক্ষম হৈছে কাৰণ ইয়াৰ মাধ্যমত সাধাৰণ শ্ৰমিকৰ দক্ষতা বৃদ্ধি হোৱাৰ লগতে জাতীয় উৎপাদন বৃদ্ধি হয়।

এই অধ্যায়টোৱে তোমাক ভাৰতবৰ্ষ আৰু অসমৰ অতীত কালৰপৰা স্বাধীনোত্তৰ কাললৈ শিক্ষাৰ বিকাশৰ ধাৰাৰ বুজ লোৱাত সহায় কৰিব। অধ্যায়টোত অতীতৰ শিক্ষানুষ্ঠানসমূহ, ভাৰত বৰ্ষ আৰু অসমৰ শিক্ষাৰ ক্ষেত্ৰত মিচনেৰীসকলৰ অৱদান, ১৮১৩ চনৰ চাৰ্টাৰ আইন, মেকলেৰ প্ৰতিবেদন, ১৮৫৪ চনৰ উডৰ ঘোষণাপত্ৰ, কাৰ্জনৰ শিক্ষানীতি, ১৯১০-১১ চনৰ গোপালকৃষ্ণ গোখলে বিল, গান্ধীজীৰ বুনিয়াদী শিক্ষা, অসম প্ৰাথমিক শিক্ষা আইন ১৯২৬ আৰু সাংবিধানিক ব্যৱস্থাসমূহৰ লগতে পূৰ্ণ স্বাক্ষৰতা অভিযান, জিলা প্ৰাথমিক শিক্ষা

আঁচনি, সৰ্বশিক্ষা অভিযান, অধিকাৰ হিচাপে শিক্ষাক সামৰি লোৱা হৈছে। ভাৰতীয় সংবিধানে প্ৰাথমিক শিক্ষা বাধ্যতামূলক তথা সাৰ্বজনীন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৪৫ নং অনুচ্ছেদত উল্লেখ কৰিছিল যে দেশৰ ৬-১৪ বছৰৰ সকলো শিশুক বাধ্যতামূলকভাৱে প্ৰাথমিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব। সেই উদ্দেশ্যত উপনীত হোৱাৰ বাবে সময়ে সময়ে বিভিন্ন আঁচনিৰ জৰিয়তে প্ৰচেষ্টা চলাই থকা হৈছে।

## (ক) পুৰণি শিক্ষা ব্যৱস্থা (Indigenous System of Education)

অতীতৰ শিক্ষা ব্যৱস্থাৰ ইতিহাস মেলি চালে দেখিবলৈ পোৱা যায় যে দেশৰ শিক্ষাৰ ক্ষেত্ৰত কোনো দায়িত্ব নাছিল। কিছুমান বিদ্যানুৰাগী মনিষীয়ে নিজ গৃহতে ছাত্ৰশালা স্থাপন কৰি ছাত্ৰসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। এই প্ৰথাটোক 'গুৰুকুল' প্ৰথা বুলি জনা যায়। এই গুৰুকুল প্ৰথাক কেন্দ্ৰ কৰিয়েই মানুহৰ জীৱনৰ লাগতিয়াল সকলো শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। গুৰুৱে শিক্ষাৰ মূল কেন্দ্ৰ আছিল। গুৰুকুল প্ৰথাৰ পিছতে 'টোল', 'পাঠশালা' নামৰ দুবিধ শিক্ষানুষ্ঠানৰ প্ৰচলন হৈছিল। 'টোল', 'পাঠশালা'ত শিক্ষাৰ আনুষ্ঠানিকতা পালন কৰা হৈছিল। এই অনুষ্ঠানসমূহে শিক্ষাৰ সকলো দিশ সামৰি লৈছিল। এই দুবিধ অনুষ্ঠানৰ লগতে মুছলমান ৰাজত্বকালত 'মোক্তাব' আৰু 'মাদ্ৰাছা' নামৰ দুবিধ শিক্ষানুষ্ঠানৰ প্ৰচলন হৈছিল। এই অনুষ্ঠানসমূহ কিন্তু সাৰ্বজনীন হোৱা নাছিল। উচ্চ পৰ্যায়ৰ ব্যক্তিসকলৰ বংশধৰসকলকহে ইয়াত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এইদৰে ইংৰাজ আমোলৰ সময়লৈ এই শিক্ষা ব্যৱস্থাৰ প্ৰচলন হৈ আছিল।

## (খ) পুৰণি শিক্ষা ব্যৱস্থাৰ অনুষ্ঠানসমূহ

### গুৰুকুল (Gurukul)

ভাৰতবৰ্ষৰ অতীত শিক্ষাৰ ইতিহাসত গুৰুকুল শিক্ষা ব্যৱস্থাৰ বিষয়ে বৰ্ণনা পোৱা যায়। সেই সময়ৰ 'গুৰুকুল প্ৰথা'ই শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। শিষ্যসকলে ১২ বছৰ বয়সতে নিজ ঘৰ এৰি গুৰুগৃহলৈ শিক্ষা লাভৰ বাবে গৈছিল। গুৰুগৃহত শিষ্যসকলক মানসিক তথা আধ্যাত্মিক বিকাশৰ শিক্ষা আৰু প্ৰশিক্ষণ দিয়া হৈছিল। সেই সময়ত পাৰিবাৰিক শিক্ষাৰ প্ৰচলন আছিল যদিও পাৰিবাৰিক শিক্ষাই শিক্ষাৰ্থীসকলৰ সৰ্বাংগীন বিকাশত সহায় কৰা নাছিল। ঋষিসকলে প্ৰথম অৱস্থাত নিজৰ পুত্ৰসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। পিছলৈ ঋষি পুত্ৰৰ লগতে ক্ষত্ৰিয়সকলে গুৰুকুল শিক্ষা ব্যৱস্থাত সোমাই পৰিছিল। ঋষিসকলে

DAILY ASSAM



বেদ, বেদাংগ আদি মনোযোগেৰে অধ্যয়ন কৰাৰ লগতে দেৱ-দেৱীক পূজা-অৰ্চনাও কৰিছিল। এই উদ্দেশ্য আগত ৰাখি ঋষিসকলে প্ৰকৃতিৰ নিৰ্জন ঠাইত আশ্ৰম স্থাপন কৰিছিল। সেই আশ্ৰমৰ মাধ্যমত শিষ্যসকলক জীৱনৰ প্ৰয়োজনীয় সকলো শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এনেধৰণে বৈদিক যুগত অথবা অতীত ভাৰতত প্ৰচলন হোৱা শিক্ষা ব্যৱস্থাটোক গুৰুকুল শিক্ষা ব্যৱস্থা বা 'গুৰুকুল প্ৰথা' বুলি কোৱা হয়।

## পাঠশালা (Pathsala)

পাঠশালা এবিধ বৈশিষ্ট্যপূৰ্ণ পুৰণি শিক্ষাৰ অনুষ্ঠান। ই পুৰণি কালত হিন্দু সমাজৰ শিশুসকলক শিক্ষা দিয়াৰ মূল কেন্দ্ৰবিন্দু আছিল। ইয়াত পণ্ডিতসকলে সংস্কৃত ভাষাৰ মাধ্যমত ধৰ্মীয় শিক্ষা সকলোকে দান কৰিছিল। পুৰণি কালৰ এনে অনুষ্ঠানবোৰৰ শিক্ষকসকল জ্ঞানৰ ভাণ্ডাৰ আছিল। শিক্ষকসকলে শিক্ষাৰ্থীসকলক গভীৰ মনোযোগেৰে পঢ়ুৱাই ছিল। শিক্ষাৰ্থীসকলক উপযুক্তভাৱে পাঠদান কৰাটো তেওঁলোকৰ ধৰ্মীয় কৰ্তব্যৰ লগতে দায়িত্বও আছিল। পাঠশালা নামৰ শিক্ষানুষ্ঠানবোৰ মন্দিৰ বা মঠবোৰত স্থাপন কৰা হৈছিল। কিছুমান পাঠশালাৰ নিজ ঘৰ-দুৱাৰ আছিল। দেশৰ শাসনকৰ্তাসকলে পাঠশালাবোৰক উৎসাহিত কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰিছিল। কিছুমান ধনী-মানি ব্যক্তিয়ে পাঠশালাবোৰৰ উন্নতিৰ অৰ্থে দান-বৰঙণি দিয়াৰ লগতে ব্যৱস্থাপনা মণ্ডলীক উৎসাহ প্ৰদান কৰিছিল। পাঠশালাবোৰৰ প্ৰশাসন আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত শাসকসকলে কোনোধৰণৰ হস্তক্ষেপ কৰিবলৈ বিচৰা নাছিল। পাঠশালাবোৰৰ শিক্ষকসকলৰ পাৰিতোষিক অতি কম আছিল। অনুষ্ঠানৰ তৰফৰপৰা শিক্ষাৰ্থীসকলক খোৱা আৰু থকাৰ সুবিধা কৰি দিয়া হৈছিল। পাঠশালা নামৰ শিক্ষানুষ্ঠানত যদিও শিক্ষাৰ্থীসকলে মাচুল দিব নালাগিছিল, কিছুমান শিক্ষাৰ্থীয়ে স্ব-ইচ্ছাই মাচুল দিছিল। পাঠশালাবোৰৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ মাধ্যমত উপযুক্ত পণ্ডিত সৃষ্টি কৰা। এনেদৰে সৃষ্টি হোৱা পণ্ডিতবোৰে যাতে সমাজক বৌদ্ধিক দিশৰ মাধ্যমত আগুৱাই লৈ যাব পাৰে তালৈ লক্ষ্য ৰখা হৈছিল। পাঠশালা নামৰ অনুষ্ঠানৰ মাধ্যমত কম সংখ্যক মানুহহে লাভাৱান্বিত হৈছিল। এনেধৰণৰ অনুষ্ঠানবোৰ সাধাৰণ জনগণৰ বাবে নাছিল। কাৰণ, ইয়াৰ চৰিত্ৰ আছিল বাহ্যিকপন্থী, ধ্যান-ধাৰণা আছিল ৰক্ষণশীল, আদৰ্শ আছিল অকল্পিত আৰু শিক্ষাদান পদ্ধতি আছিল ব্যক্তিকেন্দ্ৰিক। এনেবোৰ দিশৰ বাবে পাঠশালা নামৰ পুৰণি শিক্ষানুষ্ঠানবোৰ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ

DAILY ASSAM



দ্বাৰা সমাদৃত হোৱা নাছিল।

## টোল (Tol)

পুৰণি শিক্ষানুষ্ঠানসমূহৰ ভিতৰত টোলবোৰৰ প্ৰকৃতি বিশেষধৰণৰ। ভাৰতৰ সমাজ ব্যৱস্থাত সংস্কৃতৰ জ্ঞান সম্প্ৰসাৰণ কৰাৰ বাবে টোলবোৰ স্থাপন কৰা হৈছিল। টোলবোৰক সংস্কৃত বিদ্যালয় বুলি জনা যায়। টোল নামৰ অনুষ্ঠানবোৰ বৰ্তমানেও ভাৰতবৰ্ষৰ অসম, বঙ্গদেশ, বিহাৰ, উত্তৰপ্ৰদেশ আদিত প্ৰচলিত হৈ থকা দেখা যায়। অতীত কালৰপৰা বৰ্তমানলৈও এই টোলবোৰৰ খ্যাতি সমাজত বৰ্তি থকা দেখা যায়। টোলবোৰে ভাৰতবৰ্ষত পৰম্পৰাগত শিক্ষা সম্প্ৰসাৰণত অৰিহণা যোগায় আহিছে। একেবাৰে অতীতৰপৰা টোলবোৰে ভূমি অনুদান পাই থকাত শিক্ষাৰ্থী আৰু অধ্যাপকসকলে ভূমিৰপৰা আয় হোৱা বস্তুৰে নিজকে ভৰণ-পোষণ দিবলগীয়া হৈছিল। আমাৰ সমাজ ব্যৱস্থাত জমিদাৰী প্ৰথা প্ৰচলন হোৱাৰ পিছৰেপৰা টোলবোৰৰ আবিৰ্ভাৱ হোৱা দেখা গৈছিল। গ্ৰাম্যাঞ্চলৰ অধ্যাপক তথা পণ্ডিতসকলে কেইগৰাকীমান শিষ্যক লৈ টোলবোৰ গঢ়ি তুলিছিল। শিষ্যসকলক খোৱা-পিন্ধা আৰু থকাৰ সুবিধা বিনামূলীয়াকৈ দিয়া হৈছিল। অধ্যাপকসকলে মুখ্য উৎসৱ, মেলা আদিৰপৰা দান-বৰঙণি তোলাৰ উপৰিও ধনী, জ্ঞানী ব্যক্তিসকলৰপৰা আৰ্থিক সাহায্য লৈছিল। দক্ষিণ ভাৰতৰ অগ্ৰহৰ গাওঁবোৰৰ দৰে টোলবোৰ অতীত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত বিখ্যাত হৈ পৰিছিল।

গ্ৰাম্যাঞ্চলৰ অধ্যাপক তথা পণ্ডিতসকলে শিক্ষাদানৰ উদ্দেশ্যে খেৰ-বাহৰ ঘৰবোৰ ব্যৱহাৰ কৰিছিল। শিক্ষাৰ্থীসকলক আৱাসিক সুবিধা দিবৰ বাবে তেওঁলোকে কিছুমান পজাঁঘৰ সজাই লৈছিল আৰু লক্ষ্য ৰাখিছিল যাতে বিদ্যালয় গৃহটো মাজতে থাকে। প্ৰত্যেকখন টোলে শিক্ষাদান দিয়াৰ অৰ্থে ২৫ জনকৈ শিক্ষাৰ্থীক নামভৰ্তিৰ সুবিধা দিছিল। টোলবোৰৰ শিক্ষাৰ কাল সাধাৰণতে ৬ বছৰৰ পৰা ৮ বছৰলৈ আছিল। টোলবোৰ বিনামূলীয়া শিক্ষাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈ পৰিছিল। জ্ঞানী পণ্ডিতসকলে সদায় বিনামূলীয়াকৈ শিক্ষা দান দিয়াৰ পোষকতা কৰিছিল। শিক্ষাৰ্থীসকলৰ অৰ্থনৈতিক অৱস্থাৰ প্ৰতি পণ্ডিতসকলে গুৰুত্ব দিয়া নাছিল। বৰ্তমানেও এনেকুৱা এটা ধাৰণা পুৰণি শিক্ষানুষ্ঠানসমূহত প্ৰচলিত হৈ থকা দেখা যায়।

## সত্ৰ (Satra)

অসমৰ 'সমাজ' ব্যৱস্থাত প্ৰচলিত হৈ থকা এটি বিশেষ ধৰণৰ সামাজিক অনুষ্ঠান হ'ল সত্ৰানুষ্ঠান

বা সত্ৰ। সমাজ ব্যৱস্থাত নামধৰ্ম প্ৰচাৰৰ লগে লগে নৃত্য, কলা, সংস্কৃতি, শিল্প আদিৰ চৰ্চাৰ ব্যৱস্থা আৰম্ভ হ'বলৈ ধৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মময় জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান হ'ল সত্ৰসমূহ। জনসমাজত কৃষ্টি সংস্কৃতিৰ মূল কেন্দ্ৰবিন্দু হিচাপে সত্ৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। সত্ৰসমূহৰ প্ৰভাৱৰ ফলত সমাজ ব্যৱস্থাত 'সত্ৰীয়া সমাজ আৰু সংস্কৃতি' নামৰ এটা ধাৰণা বৰ্তমানেও প্ৰৱৰ্তিত হৈ আছে। বৈষ্ণৱ আন্দোলনৰ সময়ছোৱাত অসমৰ সমাজ আছিল সত্ৰকেন্দ্ৰিক। সামাজিক দৃষ্টিভংগী সম্পূৰ্ণৰূপে সত্ৰমুখী হৈ পৰিছিল। সত্ৰসমূহৰ বিকাশৰ ক্ষেত্ৰত জনসাধাৰণৰ লগতে ৰাজপৰিয়ালসমূহেও নানাধৰণেৰে সহায়-সাহায্য আগবঢ়াইছিল। সত্ৰসমূহৰ সুপৰিচালনাৰ ভাৰ সত্ৰাধিকাৰৰ ওপৰত ন্যস্ত আছিল যদিওঁ আহোম ৰজাৰ দিনত 'সত্ৰীয়া বৰুৱা' নামৰ এগৰাকী উচ্চ পৰ্যায়ৰ বিষয়া নিযুক্ত হৈছিল। সত্ৰসমূহক অসমীয়া সংস্কৃতিৰ মূল কেন্দ্ৰবিন্দু বুলি ক'ব পাৰি। সত্ৰীয়া নৃত্য, ভাওঁনা-সবাহ, নাট্যাভিনয় আদি নিয়মীয়াভাৱে এই সত্ৰসমূহত অনুষ্ঠিত হৈছিল। বিশেষকৈ শ্ৰীকৃষ্ণ দেউল উৎসৱ, ৰাস উৎসৱ আদি বহু বিস্তৃতভাৱে সত্ৰসমূহৰ উদ্যোগত অনুষ্ঠিত হৈছিল, বৰ্তমানেও হৈ থকা দেখা যায়। সত্ৰসমূহত একাত্মতাবোধৰ ধাৰণা বাৰুকৈয়ে প্ৰকাশিত হৈছিল। জনসমাজত বৈষ্ণৱ ধৰ্মৰ লগতে সাহিত্য আৰু সংস্কৃতিৰ সম্প্ৰসাৰণ সম্ভৱ কৰি তোলাটোৱে সত্ৰসমূহৰ মূল লক্ষ্য আছিল।

সত্ৰসমূহে বৰ্তমানেও কলা-সংস্কৃতিৰ শিক্ষা সম্প্ৰসাৰণত নানা ধৰণেৰে অৰিহণা যোগাই থকা দেখা যায়। সেয়েহে সত্ৰসমূহক পুৰণি শিক্ষাৰ অনুষ্ঠান বুলি অভিহিত কৰিব পাৰি। বৈষ্ণৱ কলা-কৃষ্টি, গীত-মাত আদিৰ লগতে সত্ৰীয়া নৃত্যৰ অনুশীলন হৈ থকা অসমীয়া সংস্কৃতিৰ বিকাশত সক্ষম হোৱা সত্ৰসমূহৰ ভিতৰত কেইখনমান হ'ল কমলাবাৰী সত্ৰ, গড়মূৰ সত্ৰ, আউনিআটি সত্ৰ, বেঙেনাআটি সত্ৰ, পাটবাউসী সত্ৰ, পানেৰি সত্ৰ ইত্যাদি। অসমৰ প্ৰায় সকলো ঠাইতে সত্ৰানুষ্ঠান গঢ় লৈ উঠিছিল আৰু অসমীয়া সংস্কৃতি আৰু পৰম্পৰাক চহকী কৰি তুলিছিল।

## মকতাব বা মোক্তাব (Maktab)

মধ্যযুগত প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণ কৰাৰ অৰ্থে মোক্তাব নামেৰে এবিধ অনুষ্ঠান গঢ়ি উঠিছিল। সাধাৰণতে মোক্তাববোৰ মছজিদৰ লগত একেলগে স্থাপন কৰা হৈছিল। মোক্তাব

DAILY ASSAM



শব্দটোৰ অৰ্থ হ'ল 'তেওঁ লিখে' য'ত লিখাৰ ব্যৱস্থা থাকে তাকেই মোক্তাব বোলা হৈছিল। মোক্তাব শব্দটো আৰবী 'কুতুব' শব্দৰপৰা অহা। মোক্তাবত লিখাৰ লগত গণিত যোগ হৈ প্ৰাথমিক শিক্ষাৰ আনুষ্ঠানিক শিক্ষানুষ্ঠানত পৰিণত হয়। মোক্তাবত দিয়া শিক্ষা ঠাইভেদে বেলেগ বেলেগ আছিল। পৱিত্ৰ কোৰাণক এই শিক্ষাত আগস্থান দিয়া হৈছিল। প্ৰাথমিক শিক্ষা প্ৰসাৰৰ মূল অনুষ্ঠান হিচাপে মোক্তাব পৰিগণিত হৈছিল। মুছলমান সমাজত অৱস্থাপন্ন ব্যক্তিসকলে নিজৰ ল'ৰা-ছোৱালীক সৰুতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল যদিও অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী লগ হৈ মছজিদত নিয়মীয়া শিক্ষা গ্ৰহণ কৰিবলৈ লৈছিল। মোক্তাববোৰত শিক্ষা দিয়াৰ মূল কেন্দ্ৰবিন্দু হৈ পৰিছিল মৌলবীসকল।

মোক্তাববোৰক পুৰিণ কালৰ এবিধ তাৎপৰ্যপূৰ্ণ শিক্ষানুষ্ঠান বুলি ক'ব পাৰি। ইয়াত নামভৰ্তিকৰণ প্ৰক্ৰিয়াটো 'উপনয়ন' বা 'বিদ্যাৰম্ভ' অনুষ্ঠানৰ নিচিনাকৈ 'বিচমিল্লা' নামৰ এটি অনুষ্ঠানৰ মাধ্যমত শিক্ষাৰ্থীসকলক মোক্তাববোৰত ভৰ্তি কৰি লোৱা হৈছিল। মোক্তাববোৰত নামভৰ্তি কৰাৰ প্ৰকৃত বয়স আছিল চাৰি বছৰ চাৰি মাহ আৰু চাৰি দিন। তেওঁলোকক পঢ়িবলৈ দিয়াৰ লগতে আৰবী আৰু পাৰ্চি ভাষাৰে লিখিবলৈ দিয়া হৈছিল। আটাইতকৈ গুৰুত্ব দিয়া হৈছিল উচ্চাৰণৰ ওপৰত। মুছলমান সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ ল'ৰা-ছোৱালীবোৰে মোক্তাব নামৰ পুৰণি অনুষ্ঠানটোৰ মাধ্যমত শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও ৰাজ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰেও মোক্তাবত শিক্ষা আহৰণৰ বাবে নামভৰ্তি কৰিছিল। এটা সময়ত হিন্দু ধৰ্মাৱলম্বী শিশুবোৰেও মোক্তাবত পঢ়িবলৈ লৈছিল। মোক্তাবৰ শিক্ষকসকলে শিক্ষাৰ্থীসকলৰ ওপৰত ব্যক্তিগতভাৱে নজৰ দিছিল। মোক্তাববোৰত লিখাৰ ওপৰত গুৰুত্ব দিয়াৰ মূলতে হ'ল আখৰ ভাল কৰা। সেই উদ্দেশ্য আগত ৰাখি মোক্তাববোৰত দিনে ৪/৫ ঘন্টালৈ লিখাৰ অনুশীলন কৰিবলৈ দিয়া হৈছিল।

### মাদ্ৰাছা (Madrassa)

মুছলমান শিক্ষা ব্যৱস্থাৰ উচ্চ পৰ্যায়ৰ পুৰণি শিক্ষানুষ্ঠান হ'ল মাদ্ৰাছা। প্ৰথম অৱস্থাত মাদ্ৰাছা নামৰ অনুষ্ঠানখনো মচজিদৰ লগত সংলগ্ন হৈ আছিল। মধ্যযুগত মাদ্ৰাছা নামৰ অনুষ্ঠানবোৰৰ মাধ্যমত উচ্চ পৰ্যায়ৰ ইচলাম ধাৰণাৰ শিক্ষা দিয়া হৈছিল। বিখ্যাত মুছলমান

পণ্ডিতসকলে মাদ্ৰাছাবোৰত নিয়মীয়াভাৱে বক্তৃতা প্ৰদান কৰিছিল। শিক্ষাদান কাৰ্য সাধাৰণতে দেশৰ খ্যাতনামা শিক্ষকসকলে কৰিছিল। মাদ্ৰাছাৰ শিক্ষকসকলক ৰাষ্ট্ৰই নিযুক্তি দিছিল। অৱশ্যে কিছুমান শিক্ষকক সমাজৰ ধনী-মানী ব্যক্তিসকলেও নিয়োগ কৰিছিল। শিক্ষাৰ্থীসকলে মোক্তাবত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰি মাদ্ৰাছাবোৰত নামভৰ্তি কৰিবলৈ সক্ষম হৈছিল। মাদ্ৰাছাবোৰৰ নামভৰ্তিকৰণ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে হোৱা নাছিল। সাধাৰণতে মাদ্ৰাছাবোৰৰ প্ৰশাসন আৰু সংগঠনৰ দিশটো চোৱা-চিতা কৰিছিল একোখন পৰিচালনা সমিতিয়ে। কিছুমান মাদ্ৰাছা ন্যাসৰ দ্বাৰাও চলিছিল। মধ্যযুগৰ মাদ্ৰাছাবোৰৰ আৰ্থিক দিশটোৰ দায়িত্ব যদিও ৰাষ্ট্ৰই বহন কৰিছিল সেই সময়ত ৰাষ্ট্ৰত শিক্ষা বিভাগ নাছিল।

শিক্ষাৰ্থীসকলৰ আবাসিক ব্যৱস্থা মাদ্ৰাছাবোৰে নিজাববীয়াকৈ কৰিছিল। সেই উদ্দেশ্যেৰে কিছুমান ছাত্ৰাবাস গঢ়ি তোলা হৈছিল। ছাত্ৰাবাসবোৰৰ খৰছ ৰাষ্ট্ৰই বহন কৰিছিল। কিছুমান সম্ৰাট বিদ্যানুৰাগী নাছিল বাবে মাদ্ৰাছাবোৰৰ খৰছ ৰাজকোষৰপৰা দিয়াৰ অনুমতি দিয়া নাছিল। সেয়েহে কেতিয়াবা মাদ্ৰাছাবোৰে আৰ্থিক সংকটৰ সন্মুখীন হ'বলগীয়া হৈছিল। মধ্যযুগৰ কিছুমান মাদ্ৰাছাই শিক্ষাৰ ক্ষেত্ৰত চূড়ান্তস্তৰ লাভ কৰি বিশ্ববিদ্যালয় পৰ্যায়ত উপনীত হৈছিল। মাদ্ৰাছাবোৰত উচ্চ শিক্ষা দুটা পৰ্যায়ত দিয়াৰ ব্যৱস্থা আছিল। এবিধ শিক্ষা আছিল ধৰ্মনিৰপেক্ষ আৰু আনবিধ আছিল ধৰ্মীয় শিক্ষা। মাদ্ৰাছাবোৰৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হোৱা বিষয়বোৰ আছিল আৰবী, ব্যাকৰণ, গদ্য, সাহিত্য, তৰ্কশাস্ত্ৰ, দৰ্শন, আইন, জ্যোতিৰ্বিদ্যা, গণিত, ইতিহাস, ভূগোল, চিকিৎসা বিজ্ঞান, কৃষি আৰু গাঠনি প্ৰক্ৰিয়া ইত্যাদি। ধৰ্মীয় শিক্ষাৰ দিশটোত কোৰাণৰ বিস্তৃত অধ্যয়ণ, কোৰাণৰ চলন্ত আবৃত্তি (বিবৰণী), পীৰ পয়গম্বৰ হজৰত মহম্মদৰ পৰম্পৰা, ইচলামীয় বা মুছলমান আইন আৰু চুফী অধ্যয়ন আদিক সামৰি লোৱা হৈছিল। শিক্ষাৰ মাধ্যম আছিল পাৰ্চী ভাষা, কিন্তু আৰবী অধ্যয়ন বাধ্যতামূলক আছিল। মাদ্ৰাছাবোৰত উচ্চ শিক্ষা লাভ কৰাৰ পিছত যুৱকসকলে ৰাজদৰবাৰত উচ্চ পদবী লাভ কৰিবলৈ সক্ষম হৈছিল। এনে ব্যৱস্থাৰ বাবে হিন্দু যুৱক সকলো মাদ্ৰাছা শিক্ষাৰ প্ৰতি আগ্ৰহী হোৱা দেখা গৈছিল।

## মনিটৰিয়েল প্ৰথা (Monitorial System)

ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত মণিটৰিয়েল প্ৰথা হ'ল মিছনেৰী শিক্ষা ব্যৱস্থাৰ এটি বিশেষ প্ৰথা। মিছনেৰীসকলে ভাৰতবৰ্ষত শিক্ষাৰ বিকাশৰ

DAILY ASSAM



বাবে নানাধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছিল।

ভাৰতবৰ্ষত ইংৰাজসকলে ৰাজত্ব কৰাৰ আৰম্ভণিতে মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰ লগতে শিক্ষা প্ৰচাৰৰ কাম আৰম্ভ কৰে। মিছনেৰীসকলে ঠায়ে ঠায়ে স্কুল স্থাপন কৰিলে। এই স্কুলবোৰত ল'ৰা-ছোৱালীৰ সংখ্যা দিনক দিনে বাঢ়ি যোৱাত আৰ্থিক কাৰণত শিক্ষকৰ সংখ্যা বঢ়াব পৰা নাছিল। গতিকে অনাথ ল'ৰা ছেৰিটি স্কুলৰ চুপাৰিটেণ্ডেণ্ট ড° এনড্ৰু বেল (Dr. Andrew Bell) নামৰ চাহাবজনে তলৰ শ্ৰেণীৰ ছাত্ৰক ওপৰৰ শ্ৰেণীৰ ওজা ছাত্ৰই পঢ়োৱা নিয়ম কৰি দিছিল। ভাৰতবৰ্ষত এই প্ৰথা আগৰেপৰা চলি আছিল। ওপৰৰ শ্ৰেণীৰ বছা বছা ল'ৰাবোৰক 'মনিটৰ' পাতি তলৰ শ্ৰেণীক পঢ়াবলৈ দিয়া বাবে এই প্ৰথাটো 'মনিটৰিয়েল' প্ৰথা বুলি জনাজাত। ইংলেণ্ডত এই প্ৰথাটো ড° বেলৰ নাম অনুসৰি বেল প্ৰথা বোলা হয়। ইংলণ্ডত শিল্প বিপ্লৱৰ সময়ত ৰবাৰ্ট ওৱেন নামৰ ব্যক্তিজনে এই প্ৰথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ভাৰতবৰ্ষৰ মাদ্ৰাজত এই প্ৰথা প্ৰথমে প্ৰৱৰ্তন কৰা বাবে এই প্ৰথাক মাদ্ৰাজ প্ৰথা বুলিও জনা যায়। এই প্ৰথাৰ সহায়ত ইংলণ্ডত যোৱা ১৯ শতিকাত শিক্ষক প্ৰশিক্ষণৰ সমস্যা আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ সমস্যাও সমাধান হৈছিল। ভাৰতবৰ্ষত আজিও এই প্ৰথাৰ প্ৰচলন দেখা যায়, বিশেষকৈ এজনীয়া শিক্ষক থকা স্কুলবোৰত।

## শিক্ষাৰ ক্ষেত্ৰত মিচনেৰীসকলৰ অৱদান (Contributions of Missionaries towards education)

আধুনিক ভাৰতীয় শিক্ষাৰ ইতিবৃত্ত অধ্যয়ন কৰিবলৈ গলে সৰ্বপ্ৰথমে খৃষ্টান পাদুৰীসকলৰ বিষয়ে মনলৈ আহে। মুছলমান ৰাজত্বৰ শেষৰ ফালে ইউৰোপৰ বিভিন্ন স্থানৰপৰা বেপাৰীৰ দলবোৰ ভাৰতলৈ আহিছিল। এই বেপাৰী দলবোৰৰ লগে লগেই বিভিন্ন মিচনেৰী সন্থাবোৰ ভাৰতলৈ আহে। এই মিচনেৰীসকল খৃষ্টধৰ্ম প্ৰচাৰক আছিল। খৃষ্টধৰ্মৰ বাণীসমূহ ভাৰতীয় মানুহৰ মাজত প্ৰচাৰ কৰাৰ উদ্দেশ্য লৈ তেওঁলোক ভাৰতলৈ আহিছিল। সেইবাবে তেওঁলোকে কেৱল ধৰ্ম প্ৰচাৰতহে ব্যস্ত আছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত অহা খৃষ্টিয়ান পুৰোহিতসকল অহাৰ আগতেও আন কেতবোৰ মিছনেৰী ভাৰতলৈ আহিছিল। তেওঁলোকৰ ভিতৰত পৰ্টুগীজসকলৰ নাম বিশেষভাৱে উল্লেখযোগ্য। পৰ্টুগীজ নাৱিক ভাস্কো-ডা-গামাই ১৪৯৪ চনতেই ভাৰতলৈ আহে। চেইন্ট ফ্ৰেনচিচ জেভিয়াৰ নামৰ ধৰ্মযাজক এজনে ধৰ্ম প্ৰচাৰৰ বাবে ১৫৪২ চনতে ভাৰতলৈ আহিছিল আৰু শিক্ষা বিস্তাৰৰ কাম আৰম্ভ কৰিছিল।

ভাৰতবৰ্ষত বৰ্তমান যি শিক্ষা ব্যৱস্থাৰ প্ৰচলন হৈ আছে এই শিক্ষা পদ্ধতি মিছনেৰীসকলৰ অৱদান বুলি কোৱা হয়।

তেওঁলোকৰ প্ৰকৃত উদ্দেশ্য যদিও ধৰ্মপ্ৰচাৰ আছিল তাৰ লগতে শিক্ষাৰ ব্যৱস্থাও কৰিছিল। ধৰ্ম প্ৰচাৰৰ বাবে তেওঁলোকে ভাৰতীয় ভাষাবোৰ শিকি লৈছিল আৰু ভাৰতীয় ভাষাত বিভিন্ন কিতাপ-পত্ৰও লিখিছিল। ইংৰাজী ভাষাৰপৰা তেওঁলোকে দেশীয় ভাষালৈ পাঠ্যপুথি অনুবাদ কৰিলে, স্কুল-কলেজ স্থাপন কৰি ভাৰতীয় মানুহৰ মন আকৰ্ষণ কৰিলে। ভাৰতবৰ্ষত মিছনেৰীসকলৰ শৈক্ষিক দিশৰ ভূমিকাৰ বিষয়ে চাবলৈ যাওঁতে আমি সাধাৰণতে তিনিটা ভাগৰ আলোচনা উনুকিয়াব পাৰো। মাদ্ৰাজ, মুম্বাই আৰু বঙ্গদেশক কেন্দ্ৰ কৰি মিছনেৰীসকলে তেওঁলোকৰ নিজৰ কাৰ্যাৱলী চলাই আছিল। শেষত বঙ্গদেশৰ এটা গোটে গৈ অসমতো ধৰ্ম প্ৰচাৰৰ মাধ্যমত শিক্ষাৰ বিস্তাৰ কৰিলে। তলত মিছনেৰীসকলৰ শিক্ষামূলক কাৰ্যসমূহৰ চমু বিৱৰণ আলোচনা কৰা হৈছে—

**মাদ্ৰাজৰ (চেন্নাই) কাৰ্যাৱলী ঃ** মিছনেৰীসকলে মাদ্ৰাজক কেন্দ্ৰ কৰি ধৰ্ম প্ৰচাৰৰ কাম হাতত লয়। ১৭শ শতিকাৰ আৰম্ভণিতে ডেনিছ মিছনেৰীসকলে 'জিগেনবাৰ্গ' (Zigenbarg) নামৰ পাদুৰী চাহাব এজনৰ নেতৃত্বত মাদ্ৰাজৰ ট্ৰানকুৱেবাৰত এটা কেন্দ্ৰ খোলে। এই কেন্দ্ৰৰ মাধ্যমত মাদ্ৰাজত দুখন (Charity) স্কুল স্থাপন কৰে। এখন স্কুল পৰ্টুগীজ ভাষাৰ ল'ৰা-ছোৱালীৰ বাবে আৰু আনখন স্কুল তামিল ভাষাৰ ল'ৰা-ছোৱালীৰ বাবে। এই দুয়োখন স্কুলেই দান-বৰঙণিৰ সহায়ত চলিছিল আৰু এনেবোৰ স্কুলত কোনোধৰণৰ মাচুল দিব নালাগিছিল। বিশেষকৈ অনাথ ল'ৰা-ছোৱালীবোৰক এই স্কুলত শিক্ষা দিয়া হৈছিল আৰু সেইবাবেই এই দুয়োখন স্কুলে সোনকালে কৃতকাৰ্যতা লাভ কৰিছিল। এই কৃতকাৰ্যতাত অনুপ্ৰাণিত হৈ খৃষ্টিয় ধৰ্ম প্ৰচাৰ সমিতিয়ে (S.P.C.K.) এনেধৰণৰ স্কুল স্থাপন কৰাত উদ্‌গনি যোগাইছিল। 'স্কোয়াৰ্টজ' (Schwartz) আৰু 'স্কালজ' (Schultz) নামৰ দুজন বিখ্যাত মিছনেৰীয়ে আপ্ৰাণ চেষ্টা কৰি মাদ্ৰাজৰ আশে পাশে থকা তাঞ্জোৰ, বাঙ্গালোৰ পালাম, ত্ৰিচিন্নপল্লী আদি ঠাইত বহুতো ছেৰিটি স্কুল স্থাপন কৰি দক্ষিণ ভাৰতত আধুনিক শিক্ষাৰ বীজ ৰোপণ কৰে। খৃষ্টিয় ধৰ্ম প্ৰচাৰ সমিতিৰ ভূমিকা এইক্ষেত্ৰত উল্লেখযোগ্য। সেই সময়ছোৱাত ক্ৰমান্বয়ে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাত আৰ্থিক অভাৱত নতুনকৈ শিক্ষক নিযুক্তি দিব পৰা নাছিল। সেয়েহে অনাথ ছেৰিটি স্কুলৰ চুপাৰিটেণ্ডেন্ট ড° এনড্ৰুবেল (Dr. Andrew Bell) নামৰ চাহাবজনে তলৰ শ্ৰেণীৰ ছাত্ৰক ওপৰৰ শ্ৰেণীৰ ওজা ছাত্ৰই পঢ়োৱা নিয়ম কৰি দিছিল। ওপৰৰ শ্ৰেণীৰ বছা বছা ল'ৰাবোৰক 'মনিটৰ' পাতি তলৰ শ্ৰেণীত পঢ়াবলৈ দিয়া বাবে এই প্ৰথাটোক 'মনিটৰিয়েল' প্ৰথা বুলি জনাজাত।

DAILY ASSAM



**বোম্বাইৰ (মুম্বাই) কাৰ্যাৱলী ঃ** বোম্বাইক ভাৰতৰ দুৱাৰমুখ বুলি কোৱা হয়। আচলতে মিছনেৰীসকলে বোম্বাইক কেন্দ্ৰ কৰি প্ৰথমে ধৰ্ম প্ৰচাৰৰ কাম হাতত লৈছিল। বোম্বাইত যোল্ল আৰু সোতৰ শতিকাত পৰ্টুগীজবিলাকে স্কুল-কলেজ স্থাপন কৰিছিল। ১৫৮০ চনত স্থাপন কৰা 'জেচুইটছ কলেজ' এনেধৰণৰ এখন উল্লেখনীয় শিক্ষানুষ্ঠান। এনেধৰণৰ কিছুমান শিক্ষানুষ্ঠান স্থাপন কৰাৰ পিছত পৰ্টুগীজসকলে ভাৰতত টিকিব নোৱাৰি গুচি যাবলগা হ'ল। আৰু তেওঁলোকে পতা অনুষ্ঠানসমূহ লোপ পালে।

**বংগদেশৰ কাৰ্যাৱলী ঃ** মিছনেৰীসকলৰ তৃতীয় কেন্দ্ৰস্থল হিচাবে বংগদেশত তেওঁলোকে কুঠি পাতে। সেই সময়ৰ বেঙ্গল প্ৰেসিডেন্সি বৰ্তমান বংগদেশতকৈ বহুত ডাঙৰ আছিল। মাদ্ৰাজ, বোম্বাই আৰু বহুতো ঠাইত মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ মাধ্যমেৰে শিক্ষা বিস্তাৰ কৰিছিল। ইউৰোপৰ পৰা অহা কৰ্মচাৰীসকলৰ ল'ৰা-ছোৱালীবোৰৰ শিক্ষা দিয়াৰ উদ্দেশ্যে ১৭৯৮ চনত কলিকতা ফ্ৰী স্কুল চোচাইটিয়ে এখন স্কুল স্থাপন কৰিছিল। ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল নিজে এই স্কুলৰ পৃষ্ঠপোষক আছিল আৰু চৰকাৰী চাকৰিয়ালসকলে এই স্কুলৰ বাবে আৰ্থিক সাহায্যও আগবঢ়াইছিল। এইখন স্কুল কোনো বাধা নোপোৱাকৈ ভালদৰে চলি আছিল।

বঙ্গদেশত মিচনেৰীসকলে সুদীৰ্ঘ ৪০ বছৰ কাল বিভিন্ন উন্নয়নৰ কামত জড়িত হৈ আছিল। তেওঁলোকে বঙলা ভাষাত কিতাপ-পত্ৰও লিখিছিল আৰু কলিকতাৰ আশে-পাশে স্কুল স্থাপন কৰিছিল। সেই সময়ত বিশেষকৈ তিনিজন মিছনেৰী এই কাৰ্যত বিশেষভাৱে লিপ্ত হৈ আছিল তেওঁলোক হ'ল— 'কেৰী, ওৱাৰ্ড আৰু মাৰ্চ্চমেন'। তেওঁলোক কলিকতাৰ ওচৰৰ শ্ৰীৰামপুৰ নামেৰে ঠাইত কুঠি পাতি শিক্ষাৰ কাম আৰম্ভ কৰিছিল বাবে তিনিওজনক একেলগ কৰি 'শ্ৰীৰামপুৰ ত্ৰয়' (Serampore Trio) নামেৰে জনাজাত।

**শ্ৰীৰামপুৰ ত্ৰয় (Serampore Trio) ঃ** মিচনেৰীসকলে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত তেওঁলোকৰ ধৰ্ম প্ৰচাৰ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। ভাৰতীয় মানুহৰ মনৰ ভাব বুজি পোৱাত প্ৰথমতে তেওঁলোকে বাধাৰ সন্মুখীন হৈছিল। সেয়ে ভাৰতীয় ভাষাৰ শিক্ষা আহৰণ কৰি মিছনেৰীসকলে শিক্ষা বিস্তাৰৰ কাম কৰা নীতি গ্ৰহণ কৰিছিল। 'জিগেনবাৰ্গ' নামৰ এজন বিখ্যাত মিছনেৰীয়ে মাদ্ৰাজৰ 'ত্ৰেংকোবাৰত' ছপাশাল, শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ আৰু দুখন ছেৰিটি স্কুল স্থাপন কৰিছিল। পিছলৈ এই মিছনেৰী শিক্ষাৰ কেন্দ্ৰ বংগদেশলৈ সম্প্ৰসাৰণ কৰা হয়। কলিকতাৰ ওচৰৰ শ্ৰীৰামপুৰ নামৰ

ঠাইত 'কেৰী' নামৰ এজন ধৰ্মযাজক 'ওৱাৰ্ড' নামৰ এজন মুদ্ৰক আৰু 'মাৰ্চমেন' নামৰ এজন শিক্ষকে একেলগ হৈ প্ৰায় ৪০ বছৰ কাল শিক্ষা বিস্তাৰৰ কামত ব্ৰতী হৈ আছিল। তেওঁলোকক 'শ্ৰীৰামপুৰ ত্ৰয়' (Serampore Trio) নামে জনা যায়। ১৯ শতিকাৰ প্ৰথম ভাগত তেওঁলোকে কলিকতাৰ ওচৰে-পাজৰে প্ৰাথমিক স্কুল স্থাপন কৰে আৰু লগতে ছপাশাল স্থাপন কৰি 'বাইবেল' গ্ৰন্থখন আঞ্চলিক ভাষালৈ অনুবাদ কৰে। শ্ৰীৰামপুৰৰ এই মিছনেৰীসকলে ১৮২৯ চনত অসমতো তেওঁলোকৰ শাখা কেন্দ্ৰ স্থাপন কৰি ধৰ্ম প্ৰচাৰৰ লগতে শিক্ষা প্ৰচাৰৰ ব্যৱস্থাও কৰে।

**অসমত মিছনেৰীসকলৰ অৱদান (Contribution of Missionaries in Assam) ঃ** বিখ্যাত ইয়াণ্ডাবু সন্ধিৰ ফলস্বৰূপে ইংৰাজসকলে অসমৰ শাসনভাৰ লোৱাত ১৮২৬ চনৰ পিছত মিছনেৰীসকল অসমত পদাৰ্পণ কৰে। শ্ৰীৰামপুৰৰ মিছনেৰী শাখা এটা ১৮২৯ চনত গুৱাহাটীত স্থাপিত হয়। শিক্ষা প্ৰচাৰৰ যোগেদি খ্ৰীষ্ট ধৰ্মপ্ৰচাৰ কৰাৰ উদ্দেশ্যেৰে এই শাখাটোৱে কেইবাখনো স্কুল পাতে। আমেৰিকান বেপ্তিষ্ট মিছন চোচাইটিয়েওঁ 'নাথান ব্ৰাউন' আৰু 'অলিভাৰ কটুবৰ' নেতৃত্বত অসমলৈ এটা শাখা পঠিয়ায়। তেওঁলোকে উজনি অসমৰ শদিয়াত কাম আৰম্ভ কৰে। তেওঁলোকে লগত এটা ছপাশালো লৈ আহিছিল। ড° ব্ৰনছন নামৰ এজন মিছনেৰীয়েও উজনি অসমৰ জয়পুৰত এইক্ষেত্ৰত বহুখিনি কাম কৰিছিল। অসমীয়া ভাষাৰ উন্নতিৰ বাবেও মিছনেৰীসকলে যথেষ্ট সহায় আগবঢ়াইছিল। অসমীয়া ভাষাটো বঙলা ভাষাৰ অপভ্ৰংশ বুলি বঙালীসকলে কৰা দাবীৰ ফলস্বৰূপে বঙালী ভাষা আদালতৰ ভাষা হিচাবে পৰিগণিত হ'ল। বঙলা ভাষাৰ প্ৰভাৱ আজিও আদালতৰ কাগজ-পত্ৰত ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। মিছনেৰীসকলে অসমীয়া ভাষাত ১৮৪৬ চনত 'অৰুণোদই' নামেৰে প্ৰথম বাতৰি কাকতখন উলিয়ায়। অসমীয়াত প্ৰথম অভিধান 'Dictionary in Assamese and English', অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ 'Grammar of the Assamese Language' আদি লিখাৰ উপৰিও বিখ্যাত 'বাইবেল' গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। মিছনেৰীসকলৰ মূল উদ্দেশ্য খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ কৰা হ'লেও সামাজিক পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ তেওঁলোকে শিক্ষাৰ প্ৰসাৰতা আনিছিল। এইবোৰ কাৰণৰ বাবেই মিছনেৰীসকলৰ নাম অসমৰ শিক্ষাৰ ইতিহাসত চিৰ যুগমীয়া হৈ থাকিব।

DAILY ASSAM



**মনত ৰাখিবলগীয়া**

অতি প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষ শিক্ষা সংস্কৃতিৰ দিশত এখন আগবঢ়া দেশ। প্ৰাচীন ভাৰতৰত শিক্ষানুষ্ঠান হিচাপে কোনো সু-সংগঠিত বিদ্যালয় নাছিল।

- ❖ বৈদিক যুগত প্ৰচলিত "গুৰুকুল" শিক্ষা পদ্ধতিত শিষ্যই গুৰুগৃহত তেখেতৰ পৰিয়ালৰ এজন স্থায়ী সদস্য হিচাপে থাকি জীৱনৰ প্ৰয়োজনীয় শিক্ষা গ্ৰহণ কৰিছিল।
- ❖ উনৈশ শতিকাৰ আগভাগত হিন্দুসমাজৰ শিক্ষানুষ্ঠান আছিল পাঠশালা আৰু টোল। ইছলাম ধৰ্মীসকলৰ শিক্ষানুষ্ঠান আছিল— মোক্তাব আৰু মাদ্ৰাছা।
- ❖ ভাৰতবৰ্ষত মিছনাৰীসকলে শিক্ষাৰ বিকাশৰ বাবে নানাধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছিল। 'মনিটৰিলে প্ৰথা' মিছনাৰী শিক্ষাব্যৱস্থাৰ বিশেষ প্ৰথা বুলি ক'ব পাৰি। তেওঁলোকৰ প্ৰকৃত উদ্দেশ্য যদিও ধৰ্ম প্ৰচাৰ আছিল মাদ্ৰাজ, মুম্বাই, বঙ্গ আৰু অসমকে ধৰি ভাৰতবৰ্ষৰ কেইবাটাও অঞ্চলত তেওঁলোকে শিক্ষাৰ বিস্তাৰ কৰিছিল।

**কাৰ্যাৱলী ১**

১। ভাৰতবৰ্ষৰ পুৰণি শিক্ষা ব্যৱস্থাৰ বিষয়ে লিখা।
২। ভাৰতবৰ্ষৰ পুৰণি শিক্ষাৰ অনুষ্ঠানসমূহৰ নাম উল্লেখ কৰা।
৩। ড° এনড্ৰু বেল কোন আছিল? তেওঁ কি পদ্ধতি উদ্ভাৱন কৰিছিল?
৪। শ্ৰীৰামপুৰ ত্ৰয়ৰ সদস্য কোন কোন আছিল?

### (গ) ভাৰতবৰ্ষত আধুনিক শিক্ষা (Modern Education in India)

### ১৮১৩ চনৰ চাৰ্টাৰ আইন (Charter Act, 1813)

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষৰ শাসনভাৰ লোৱাৰ পিছত ভাৰতবৰ্ষৰ শিক্ষাৰ দিশটোৰ প্ৰতিও তেওঁলোকে মনোনিবেশ কৰিবলৈ ধৰে। প্ৰথম অৱস্থাত ইংৰাজসকলৰ এক শ্ৰেণীৰ লোকে ইয়াৰ বিৰোধিতা কৰাৰ ফলস্বৰূপে কোম্পানীৰ মনোভাব সলনি হ'ব ধৰিছিল। সেই সময়তে কোম্পানীৰ দলিল নবীকৰণৰ বাবে ইংলেণ্ড পাৰ্লিয়ামেন্টত ১৮১৩ চনত এখন আইন গৃহীত হয়। এই আইনখনৰ ৪৩ নং ধাৰাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতি এক গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰা হয়। নিৰ্দেশৰ দ্বাৰা কোৱা হয় যে

কোম্পানীৰ ৰাজহ কৰ আৰু অন্যান্য উপাৰ্জনৰপৰা হোৱা বছৰেকীয়া আয় তেওঁলোকৰ সৈনিক, প্ৰশাসনীয় কাম-কাজ আৰু বাণিজ্য আদিত খৰচ কৰি যি ধন ৰাহি হয় তাৰপৰা কমেও এক লাখ টকা বছৰি ভাৰতৰ শিক্ষাৰ বাবে খৰচ কৰিব লাগিব। ১৮১৩ চনৰ আইনৰ '৪৩' নং দফাটো হ'ল— 'এতিয়াৰে পৰা প্ৰতি বছৰে ভাৰতীয় সাহিত্যৰ পুনৰুত্থান আৰু উন্নতিৰ কাৰণে শিক্ষিত ভাৰতীয়সকলক উৎসাহিত কৰি ইংৰাজসকলৰ অধীনত থকা অঞ্চলৰ লোকসকলৰ মাজত বিজ্ঞান শিক্ষাৰ সম্প্ৰসাৰণ আৰু প্ৰগতিৰ বাবে এক লাখ টকা আছুটীয়াকৈ ৰখা হ'ব'। ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত এই চনদে এক নতুন অধ্যায়ৰ সূচনা কৰিলে। ইয়াৰ ফলতে শিক্ষাই এক স্পষ্ট আধাৰ বা ভেটী ধাৰণ কৰা দেখা গৈছিল। এই চাৰ্টাৰ আইনৰ ফলতে প্ৰথমতে ভাৰতবৰ্ষৰ শিক্ষাত চৰকাৰী অনুদান আগবঢ়োৱাৰ ব্যৱস্থা কৰিলে। মিছনেৰীসকলৰ প্ৰচেষ্টাক কোম্পানীৰ তৰফৰপৰা উদ্‌গনি দিয়া হ'ল আৰু ১৮১৩ চনৰ চনদে চাৰ্লচ গ্ৰান্টৰ আৰু ৱিলবাৰ ফৰ্চ প্ৰস্তাৱ আংশিকভাৱে হ'লেও মানি লোৱাত মিছনেৰীসকলে ধৰ্মপ্ৰচাৰ আৰু শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত ভালেখিনি স্বাধীনতা লাভ কৰা দেখা গৈছিল। মিছনেৰীসকলে কিতাপ প্ৰকাশ কৰা, অনাথ আশ্ৰম স্থাপন কৰা, নাৰী শিক্ষাৰ ব্যৱস্থা কৰা আদি কামত পুনৰ আগভাগ লৈছিল। ইংৰাজী শিক্ষাৰ প্ৰতি দেশত উপযুক্ত বাতাবৰণ সৃষ্টি হ'ল আৰু ৰক্ষণশীল সমাজৰ ভাব নৰখাটো পৰিলক্ষিত হ'ল। ইয়াৰ উপৰিও শিক্ষিত লোকসকলে মিছনেৰীসকলৰ কাম-কাজত পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। মিছনেৰীসকলে সমাজত অনুকূল পৰিবেশ সৃষ্টি হোৱাত নতুন নতুন আঁচনি হাতত লৈ শিক্ষা বিস্তাৰৰ কামত নিমগ্ন হৈ পৰিছিল।

১৮১৩ চনৰ চনদে ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত নতুন দিশ সুচনা কৰিলে। সেয়েহে কিছু সংখ্যক ভাৰতীয় লোকে "চাৰ্লৰ্চ গ্ৰাণ্টক" আধুনিক ভাৰতৰ শিক্ষা ব্যৱস্থাৰ 'পিতৃ'স্বৰূপ ৰূপে আখ্যা দিয়ে।

**প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ (Anglicist-Classicist Controversy)**

কোম্পানীৰ দলিলত চাৰ্টাৰ আইনৰ দফাটো সন্নিবিষ্ট হোৱাত দেশী-বিদেশী সকলো কৰ্তৃপক্ষই শিক্ষাৰ ক্ষেত্ৰত সচেতন হৈ পৰে। চৰকাৰে দিব খোজা এক লাখ টকাৰ প্ৰয়োগ সম্বন্ধে ইয়াৰ পিছত ভাৰতবৰ্ষত দীৰ্ঘ দিনৰ বাবে বিতৰ্কৰ সৃষ্টি হয়। এই বিতৰ্কৰ মূল কাৰণ আছিল আইনখনত থকা পৰামৰ্শৰ অস্পষ্টতা। এইক্ষেত্ৰত তিনিটা ভিন্নমত গ্ৰহণকাৰী দলৰ সৃষ্টি হয়। সেই দলসমূহৰ এটা দলে ভাৰতবৰ্ষত পুৰণি সংস্কৃত আৰু আৰবী ভাষাৰ উন্নতি সমৰ্থন কৰিছিল, আৰু দ্বিতীয় দলটোৱে আধুনিক

DAILY ASSAM



ভাৰতীয় ভাষা সংস্কৃতিৰ বিকাশ কামনা কৰিছিল; আকৌ তৃতীয় দলটোৱে ইয়াৰ কোনোটোৱে গ্ৰহণ নকৰি পাশ্চাত্যৰ ইংৰাজী ভাষা সাহিত্য আৰু বিজ্ঞান ভাৰতত বিকাশ হোৱাটো বিছাৰিছিল। এই দলবোৰৰ মাজত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য কি হ'ব, শিক্ষাদানৰ ব্যৱস্থা কেনেকুৱা হ'ব, শিক্ষাৰ মাধ্যম কি হ'ব, শিক্ষাৰ দায়িত্ব কোনে লব, এই সকলোবোৰ কথাৰ বাবে বিভিন্ন দলৰ মাজত মতানৈক্যৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছিল। এটা দলে শিক্ষাৰ দায়িত্ব চৰকাৰে লোৱাটো বিচাৰিছিল আৰু আনটো দলে শিক্ষাৰ দায়িত্ব দেশীয় অনুষ্ঠানবোৰে লোৱাটো বিচাৰিছিল। সেইদৰে তৃতীয় দলটোৱে বিচাৰিছিল মিছনেৰীসকলৰ দ্বাৰা দায়িত্ব গ্ৰহণ কৰাটো। শিক্ষাৰ মাধ্যম সম্বন্ধেও পৌৰাণিক শাস্ত্ৰীয় ভাষা, আধুনিক ভাৰতীয় ভাষা আৰু ইংৰাজী ভাষা সমৰ্থনকাৰী তিনিটা দলৰ সৃষ্টি হৈছিল। শিক্ষাদান ব্যৱস্থা সম্বন্ধেও এদলে বিচাৰিছিল উচ্চ শ্ৰেণীৰ কেইজনমান লোকক শিক্ষা দি সেই শিক্ষা জনসাধাৰণৰ মাজলৈ বিয়পাই দিয়াটো। উচ্চৰ পৰা নিম্নলৈ শিক্ষা দিয়া বাবে এই নীতিটোক 'নিম্ন পৰিশ্ৰুত নীতি' বা 'নিম্নমুখী পৰিশ্ৰাৱন নীতি' (Downward Filtration Theory) বুলি জনা যায়। এই সকলোবোৰ দিশক লৈ জনসাধাৰণৰ মাজত সৃষ্টি হোৱা বিৰোধ ভাবকেই প্ৰাচ্য-পাশ্চাত্যৰ খৰিয়াল বা বিবাদ (Occidental-Oriental Controversy or Anglicist-Classicist Controversy) বুলি কোৱা হয়। এই বিবাদ সুদীৰ্ঘ বাইশ বছৰ জুৰি চলি আছিল। লৰ্ড মেক্‌লে ভাৰতলৈ অহাৰ পিছতহে এই বিৰোধৰ অন্ত পৰে।

### লৰ্ড মেক্‌লেৰ প্ৰতিবেদন (Macaulay's Minute)

ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত মেক্‌লেৰ প্ৰতিবেদনখনে অতি গুৰুত্বপূৰ্ণ প্ৰতিবেদন হিচাপে স্থান লাভ কৰিছিল। প্ৰাচ্য আৰু পাশ্চাত্যৰ খৰিয়াল তথা জটিল বিবাদ নিস্পত্তি কৰিবৰ বাবে চৰকাৰৰ কোনো বিভাগ বা উপযুক্ত বিষয়া নাছিল। ১৮৩৪ চনত লৰ্ড মেক্‌লে ভাৰতলৈ আহিছিল আইনসভাৰ সদস্য আৰু 'General committee of Public Instruction'ৰ অধ্যক্ষ হিচাপে। সেয়েহে প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ দায়িত্ব মেক্‌লেৰ ওপৰতে ন্যস্ত হয়। মেক্‌লে এজন অতি তীক্ষ্ণ বুদ্ধিৰ আইনজ্ঞ আৰু ভাৰতীয় সাহিত্য বিদ্বেষী আছিল, লগতে ইংৰাজী সাহিত্যৰ সেৱক আছিল। ১৮৩৫ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰাচ্যপন্থীসকলৰ সকলো যুক্তি খণ্ডন কৰি তেওঁ এটা প্ৰস্তাৱ আগবঢ়ায়। তেওঁ আইনৰ মেৰপাকেৰে যুক্তি প্ৰদৰ্শন কৰি প্ৰমাণ কৰে যে চাৰ্টাৰখনত উল্লেখ থকা 'Literature' শব্দটোৱে ইংৰাজী সাহিত্যকহে বুজাইছে, ভাৰতীয় সাহিত্যক নহয় আৰু 'Learned Natives of India' শব্দটোৱে

ইংৰাজী সাহিত্য জনা ভাৰতীয় লোককহে বুজাইছে। তেওঁ প্ৰস্তাৱত কৈছিল 'আমি শাসন কৰা লাখ লাখ ভাৰতীয় সাধাৰণ মানুহ আৰু আমাৰ মাজত বৰ্তমান এনে এদল দোভাষী সৃষ্টি কৰিব লাগিব যিসকল তেজ আৰু বৰণত ভাৰতীয় কিন্তু ৰুচি, মতামত, নৈতিকতা আৰু শিক্ষাৰ ক্ষেত্ৰত ইংৰাজ।' তেওঁ আকৌ কৈছিল— 'ভাৰত আৰু আৰবৰ আটাইখিনি সাহিত্য একগোট কৰিলেও এটা ভাল ইউৰোপীয় পুথিভড়ালৰ এখন চেলফৰ সমানহে হ'ব।' লগতে তেওঁ যুক্তি দৰ্শায় যে ইংৰাজী ভাষা সাহিত্য হৈছে ইংৰাজ শাসকসকলৰ আৰু উচ্চপদস্থ ভাৰতীয় বিষয়াসকলৰ ভাষা। এই ভাষাই ভাৰতবৰ্ষৰ বেপাৰ-বাণিজ্যতো সহায় কৰিব পাৰে। ভাৰতবৰ্ষৰ মানুহে সংস্কৃত-আৰবী ভাষাতকৈ ইংৰাজী ভাষাহে অধিক বিচাৰে। ইয়াৰ উপৰিও ভাৰতীয় ভাষাৰ গ্ৰন্থতকৈ ইংৰাজী গ্ৰন্থহে অধিক বিক্ৰী হয়। এনেধৰণৰ যুক্তি প্ৰদৰ্শনেৰে প্ৰাচ্যপন্থীসকলৰ প্ৰচেষ্টাক ব্যৰ্থ কৰে।

নিম্নমুখী পৰিশ্ৰাৱণ নীতিৰ পোষকতা কৰিছিল লৰ্ড মেক্‌লে। লৰ্ড মেক্‌লেই বিশ্বাস কৰিছিল যে ভাৰতত ইংৰাজী শিক্ষাৰ মাধ্যমেৰে এনে এক শ্ৰেণীৰ শিক্ষিত মানুহ গঢ়ি তুলিব লাগিব যাতে এই শ্ৰেণীৰ মানুহ তেজ আৰু দেহৰ বৰ্ণেৰে ভাৰতীয় মানুহ হলেও ৰুচি আৰু মতামতৰ ফালৰপৰা তেওঁলোক সম্পূৰ্ণ ইংৰাজৰ দৰে হ'ব। তেওঁ কৈছিল যে ভাৰতৰ দৰে এখন বিশাল দেশৰ সকলোবোৰ মানুহৰ বাবে মাত্ৰ এক লাখ টকাৰে শিক্ষাৰ ব্যৱস্থা সম্প্ৰসাৰণ কৰা সম্ভৱ নহয়। এইকথাৰ পৰিপ্ৰেক্ষিতত লৰ্ড মেক্‌লেই দিয়া পৰামৰ্শমতে চৰকাৰে এক নিম্নমুখী পৰিশ্ৰাৱন নীতি বা সূত্ৰ গ্ৰহণ কৰিছিল। এই নীতিৰ অৰ্থ হ'ল শিক্ষা ওপৰৰ পৰা তললৈ ক্ৰমান্বয়ে নিজৰি আহিব, অৰ্থাৎ সমাজৰ উচ্চ খাপৰ মুষ্টিমেয় লোকক শিক্ষিত কৰি তুলিব পাৰিলে স্বাভাৱিক ভাৱেই ঠায়ে ঠায়ে সেই শিক্ষা জনগণৰ মাজত বিয়পি পৰিব।

### ১৮৫৪ চনৰ উডৰ ঘোষণা পত্ৰ (Wood's Despatch of 1854)

১৮১৩ চনৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ চনদ অনুসৰি ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰত নানাধৰণৰ পৰীক্ষা-নিৰীক্ষা আৰু আলোচনা চলিছিল। এই চনদে দিয়া এক লাখ টকা খৰচ কৰা বিষয়ত কেনে নীতি অনুসৰণ কৰা হ'ব আৰু কোনে ইয়াৰ দায়িত্ব লব এই লৈ বহু বছৰ ধৰি পৰস্পৰ বিৰোধী মনোভাৱৰ সৃষ্টি হৈছিল। ইয়াৰ চল্লিছ বছৰৰ পিছত ১৮৫৩ চনত কোম্পানীৰ চনদ পুনঃ প্ৰৱৰ্তিত কৰিবৰ সময়ত ভাৰতবৰ্ষত শিক্ষা সম্পৰ্কে বিশদভাৱে তথ্যানুন্ধান কৰাৰ ব্যৱস্থা লোৱা হ'ল। ইয়াৰ ফলত ১৮৫৪ চনত ইতিহাস প্ৰসিদ্ধ শিক্ষা ঘোষণাপত্ৰখন প্ৰকাশিত হয়। এই ঘোষণাপত্ৰখনৰ সভাপতি আছিল বোৰ্ড অব কন্ট্ৰোলৰ সভাপতি 'চাৰ্লচ উড' (Charles

DAILY ASSAM



Wood)। তেওঁৰ নাম অনুসৰিয়েই ১৮৫৪ চনৰ ঘোষণা পত্ৰখনক উড্‌ৰ ঘোষণাপত্ৰ (Wood's Despatch) বুলি জনাজাত।

**উড্‌ৰ ঘোষণাপত্ৰৰ মূল কথা আৰু নিৰ্দেশনাসমূহ ঃ** উড্‌ৰ ঘোষণাপত্ৰৰ মূল উদ্দেশ্য হ'ল ভাৰতত সকলো বিবাদৰ ওৰ পেলাই শিক্ষা বিস্তাৰ কৰাটো। সেইবাবে উড্‌ৰ ঘোষণাপত্ৰত শিক্ষা সম্বন্ধে সকলো লাগতিয়াল কথাই সন্নিবিষ্ট কৰা হয়। ভাৰতবৰ্ষত প্ৰথম গুৰুত্বপূৰ্ণ প্ৰতিবেদন হৈছে উড্‌ৰ প্ৰতিবেদনখন য'ত নেকি শিক্ষা সম্বন্ধে কেইটামান লাগতিয়াল আৰু মূল্যবান পৰামৰ্শ আগবঢ়াইছিল। সেই পৰামৰ্শ আৰু নিৰ্দেশনাসমূহ তলত দিয়াধৰণৰ—

পৰামৰ্শৱলীসমূহ (**Recommendations**)

১। **দায়িত্ব গ্ৰহণ ঃ** ঘোষণাৱলীত কোৱা হৈছিল যে ইংৰাজ চৰকাৰে ভাৰতীয় লোকসকলক শিক্ষা প্ৰদানৰ দায়িত্ব বহন কৰিব।

২। **শিক্ষা বিভাগ স্থাপন ঃ** ভাৰতবৰ্ষত শিক্ষাৰ সংগঠন তথা প্ৰশাসনিক দিশৰ উন্নতি সাধিবলৈ হ'লে প্ৰত্যেক প্ৰদেশতে একোটাকৈ শিক্ষা বিভাগ (Department of Education) স্থাপন কৰিব লাগে আৰু একোজন শিক্ষা সঞ্চালক (Director of Public Instruction) নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৩। **বিশ্ববিদ্যালয় স্থাপন ঃ** ঘোষণাপত্ৰত কোৱা হয় যে ভাৰতবৰ্ষত বহুত ইংৰাজী স্কুল স্থাপন হ'ল। স্কুলবিলাকৰ পৰীক্ষা আদি চলাবৰ বাবে বিশ্ববিদ্যালয়ৰ প্ৰয়োজন। ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ সম্প্ৰসাৰণ কৰিবলৈ হ'লেও বিশ্ববিদ্যালয় স্থাপন কৰিব লাগিব। সেইবাবে উড্‌ৰ ঘোষণাপত্ৰত প্ৰেচিডেন্সি নগৰসমূহত বিশ্ববিদ্যালয় একোখন স্থাপন কৰাৰ নিৰ্দেশ দিয়ে। এই বিশ্ববিদ্যালয়সমূহ সেই সময়ৰ লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপন কৰিব লাগিব। এই পৰামৰ্শমতে ১৮৫৭ চনত কলিকতা, বোম্বাই আৰু মাদ্ৰাজ নগৰত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন হয়।

৪। **শিক্ষক প্ৰশিক্ষণ ঃ** শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ বাবে শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ কথা উড্‌ৰ প্ৰতিবেদনত উল্লেখ কৰিছে। এই ডেচ্‌পাচৰ মতে ভৱিষ্যতে শিক্ষক হ'বৰ বাবে উপযুক্ত ল'ৰা-ছোৱালী স্কুলত পঢ়ি থাকোতেই বাচি উলিয়াই পিছত প্ৰশিক্ষণ দিব লাগে।

৫। **সহায়ক অনুদান ঃ** ভাৰতীয় শিক্ষাৰ সকলো খৰচ কোম্পানীয়ে বহন কৰিব নোৱাৰাত সহায়ক অনুদানৰ ব্যৱস্থা কৰাৰ পৰামৰ্শ এই ঘোষণাপত্ৰত সন্নিবিষ্ট কৰা হয়। স্কুল পৰিচালনা সমিতিবোৰে স্থাপন কৰা ধৰ্ম নিৰপেক্ষ স্কুলবোৰক সহায়ক অনুদান (Grant-in-aid) দিয়াৰ বাবে পৰামৰ্শ দিয়ে।

৬। **বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠান ঃ** শিক্ষা বিভাগৰ জৰিয়তে বিভিন্ন ধৰণৰ শিক্ষানুষ্ঠানৰ এক যোগসূত্ৰ স্থাপন কৰিব লাগিব অৰ্থাৎ বিশ্ববিদ্যালয় আৰু কলেজৰ পৰা আৰম্ভ কৰি মাধ্যমিক আৰু

প্ৰাথমিক বিদ্যালয়লৈ পৰস্পৰৰ মাজত এক সম্বন্ধ স্থাপন কৰাৰ পৰামৰ্শ দিয়ে।

৭। **দেশীয় ভাষাৰ অধ্যয়ন ঃ** ইংৰাজী ভাষা শিকিবলৈ ইচ্ছা কৰা লোককহে ইংৰাজী ভাষা শিকাব লাগে বুলি ঘোষণাপত্ৰত প্ৰকাশ কৰে। লগতে উড়ে্ ঘোষণাপত্ৰত উল্লেখ কৰে্ যে দেশীয় বা মাতৃভাষাৰ সলনি ইংৰাজী ভাষা শিকোৱা অনুচিত।

৮। **চৰকাৰী কামত নিযুক্তি ঃ** গৱৰ্ণৰ জেনেৰেল লৰ্ড হাৰ্ডিঞ্জৰ ১৮৪৪ চনৰ আদেশ আছিল চৰকাৰী কামত লিখা-পঢ়া জনা মানুহক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগে।. উড্ৰ ঘোষণাপত্ৰত ভাৰতীয় মানুহৰ মাজত শিক্ষাৰ প্ৰতি আগ্ৰহ জন্মাবৰ বাবে হাৰ্ডিঞ্জৰ নীতিকে মানি লোৱাৰ কথা উল্লেখ কৰে।

৯। **চৰকাৰী স্কুল ঃ** সাহায্যপ্ৰাপ্ত স্কুলসমূহৰ আদৰ্শ হিচাবে প্ৰত্যেকখন জিলাতে একোখন চৰকাৰী মাধ্যমিক বিদ্যালয় স্থাপন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

১০। **মজলীয়া স্কুল স্থাপন ঃ** ঠায়ে ঠায়ে মজলীয়া স্কুল স্থাপন কৰাৰ নিৰ্দেশনাও এই প্ৰতিবেদনত সন্নিবিষ্ট কৰা হয়।

১১। **পিছপৰা অঞ্চলত স্কুল স্থাপন ঃ** উড্ৰ ঘোষণাপত্ৰত উল্লেখ কৰে যে যিবোৰ পিছপৰা অঞ্চলত স্থানীয় মানুহে স্কুল পাতিবলৈ সক্ষম নহয় তেনেকুৱা অঞ্চলবোৰত কোম্পানীয়ে নিজাকৈ স্কুল স্থাপন কৰিব লাগে।

১২। **পাঠ্যক্ৰমৰ উন্নতি সাধন ঃ** মাধ্যমিক স্কুলৰ পাঠ্যক্ৰমৰ উন্নতি সাধন কৰাৰ অৰ্থে পাঠ্যক্ৰমত লাগতিযাল আৰু ব্যৱহাৰিক বিষয়ৰ অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশনা আগবঢ়ায়।

১৩। **ভৱিষ্যত নীতি আৰু পন্থা ঃ** এই প্ৰতিবেদনত ভৱিষ্যত নীতিৰ ক্ষেত্ৰত উল্লেখ কৰে যে সহায়ক অনুদানৰ ভিত্তিত স্কুলৰ সংখ্যা বঢ়াৰ লগে লগে চৰকাৰে শিক্ষাৰ শাসন আৰু পৰিচালনাৰ ভাৰ এৰি দিব লাগে।

১৪। **স্ত্ৰী শিক্ষাৰ সম্প্ৰসাৰণ ঃ** উড্ৰ ঘোষণাপত্ৰত পৰামৰ্শ দিয়ে যে স্ত্ৰী শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে কোম্পানীৰ বিষয়াবিলাকে যত্ন লোৱা উচিত।

১৫। **দেশীয় স্কুলবোৰৰ উন্নতি সাধন ঃ** উড্ৰ ঘোষণা পত্ৰত মোক্তাব, মাদ্ৰাছা আৰু পাঠশালা আদি দেশীয় শিক্ষানুষ্ঠানসমূহৰ উন্নতি সাধনৰ কাৰণে উপযুক্ত ব্যৱস্থা হাতত লোৱাৰ পৰামৰ্শ দিয়ে।

১৬। **চৰকাৰী বিষয়াৰ দায়িত্ব ঃ** ঘোষণাপত্ৰখনৰ আন এটি বিশেষ উল্লেখযোগ্য দিশ হ'ল চৰকাৰী বিষয়াসকলৰ দায়িত্ব। শিক্ষা বিস্তাৰৰ বাবে প্ৰত্যেকখন জিলাৰ চৰকাৰী বিষয়াসকলে সকলো ধৰণৰ প্ৰচেষ্টা চলাব লাগিব বুলি পৰামৰ্শ দিয়ে।

**উড্ৰ ঘোষণাপত্ৰৰ সমালোচনা (Criticism of Wood's Despatch) ঃ** উড্ৰ ঘোষণাপত্ৰখনৰ ভাৰতবৰ্ষৰ শিক্ষাৰ বুৰঞ্জীত এটি বিশেষ গুৰুত্ব আছে। এই ঘোষণাপত্ৰখনৰ

DAILY ASSAM



অনুমোদন ক্ৰমে বোম্বাই, মাদ্ৰাজ আৰু কলিকতাত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন হ'ল। প্ৰত্যেকখন প্ৰদেশতে শিক্ষা বিভাগ স্থাপন কৰি একোজন শিক্ষাধিকাৰ নিয়োগ কৰাৰ ব্যৱস্থা কৰিলে। শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা আৰু স্ত্ৰী শিক্ষাৰ প্ৰচলনৰ ব্যৱস্থা কৰিলে। সহায়ক অনুদান দিয়াৰ ব্যৱস্থা কৰি প্ৰাথমিক, মাধ্যমিক আৰু মহাবিদ্যালয়সমূহৰ মাজত এটা সমন্বয় গঢ়ি তুলি দেশীয় স্কুলবোৰৰো উন্নতি সাধন কৰাৰ ব্যৱস্থা কৰিলে। এই ঘোষণাপত্ৰই যিমানখিনি দিশত নিৰ্দ্দেশনা দি শিক্ষাৰ উন্নতি সাধন কৰাৰ ব্যৱস্থা কৰিলে আন কোনো প্ৰতিবেদনত এনেধৰণৰ গুৰুত্ব আৰোপ কৰা হোৱা নাই। সেয়েহে এই ঘোষণাপত্ৰখনক ভাৰতীয় শিক্ষাৰ বিশেষ চনদ বা 'মেগ্নাকাৰ্টা' (Magnacarta) বুলি কোৱা হয়। ইংলেণ্ডৰ বুৰঞ্জীত 'ৰজা জন'ৰ দলিল তথা 'মেগ্নাকাৰ্টা'খনে যি ভূমিকা গ্ৰহণ কৰিছিল সেই একেধৰণৰ ভূমিকা 'উড্‌ৰ ঘোষণাপত্ৰখনে' ভাৰতবৰ্ষৰ শিক্ষাৰ বুৰঞ্জীত গ্ৰহণ কৰা বুলি কোৱা হৈছে।

## ১৮৮২ চনৰ হাণ্টাৰ আয়োগ (Hunter Commission, 1882)

**প্ৰস্তাৱনা (Introduction)ঃ** ১৮৫৪ চনৰ উড্‌ৰ ঘোষণাপত্ৰমতে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিলে শিক্ষাত আমূল পৰিবৰ্তনে দেখা দিব, কিন্তু কাৰ্যক্ষেত্ৰত দেখা গ'ল যে চৰকাৰে মেক্‌লেৰ নিম্নমুখী পৰিশ্ৰাবন নীতিকে অনুসৰণ কৰি দেশৰ এমুঠি মুষ্টিমেয় মানুহকহে শিক্ষিত কৰিবলৈ ললে। এই ঘোষণাপত্ৰমতে ভাৰতত বিশেষকৈ উচ্চ শিক্ষাতহে আমুল পৰিবৰ্তন হ'ল। উচ্চ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দি জ্ঞান শিক্ষাৰ অৰ্থে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত মনোযোগ নিদিয়া বাবে শিক্ষা সম্প্ৰসাৰণত বাধাৰ সৃষ্টি হ'ল। লৰ্ড ৰিপন চাহাবে ভাৰতলৈ গৱৰ্ণৰ জেনেৰেল হৈ অহাৰ পিছতে ভাৰতত শিক্ষা বিস্তাৰৰ বাবে মনোযোগ দিয়ে। ১৮৮২ চনৰ ৩ ফেব্ৰুৱাৰীত লৰ্ড ৰিপনে ভাৰতত প্ৰথম শিক্ষা আয়োগ (Education Commission) বহুৱাবলৈ নিৰ্দ্দেশ দিয়ে। এই আয়োগৰ সভাপতি আছিল চাৰ উইলিয়াম হাণ্টাৰ। তেওঁৰ নাম অনুসৰিয়েই আয়োগখনক হাণ্টাৰ আয়োগ (Hunter Commission) বুলি জনা যায়। আয়োগৰ সদস্যসকল আছিল চৈয়দ মেহম্মদ, আনন্দ মোহন বোস, পি. আৰ. মুডালিয়াৰ, হাজি গুলাম, মহাৰাজ জে. এম. ঠাকুৰ, ভুদেব মুখাৰ্জী, ড° মিলাৰ ইত্যাদি। আয়োগৰ সম্পাদক আছিল মহীশূৰৰ শিক্ষাধিকাৰ বি. এল. ৰাইচ। এই আয়োগৰ মূল উদ্দেশ্য আছিল ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰা আৰু শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা। ভাৰতীয় শিক্ষা আয়োগে ভাৰতবৰ্ষৰ বিভিন্ন শিক্ষাৰ দিশত নিৰ্দ্দেশনা তথা পৰামৰ্শাৱলী আগবঢ়ালেও প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰতহে অধিক গুৰুত্ব আৰোপ কৰিছিল। আয়োগে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে নীতি, আইন প্ৰণয়ন আৰু

আৰ্থিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বাবে নিৰ্দেশ দিয়াৰ উপৰিও অন্যান্য কেইবাটাও পৰামৰ্শ আগবঢ়াইছে।

প্ৰাথমিক শিক্ষাত হাণ্টাৰ আয়োগৰ পৰামৰ্শৱলী ভাৰতীয় শিক্ষা আয়োগে প্ৰাথমিক শিক্ষাৰ বিভিন্ন সমস্যাসমূহ বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি ইয়াৰ সমাধানৰ বাবে বিস্তৃত পৰামৰ্শ আগবঢ়াইছিল। সেই সময়ত প্ৰাথমিক শিক্ষা দুই ধৰণৰ শিক্ষানুষ্ঠানৰ মাধ্যমেৰে আগবঢ়োৱা হৈছিল।

(১) দেশীয় (থলুৱা) প্ৰাথমিক স্কুল।

(২) নতুন ধৰণৰ প্ৰাথমিক স্কুল।

এই পৰামৰ্শসমূহ তলত দিয়াধৰণৰ—

**পৰামৰ্শৱলীসমূহ (Recommendations) ঃ**

(১) প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ আৰু বিকাশৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

(২) প্ৰাথমিক শিক্ষা মাতৃভাষাৰ মাধ্যমেৰে দিয়া হ'ব।

(৩) নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰৰ পৰীক্ষা বাধ্যতামূলক নহ'ব।

(৪) আইনৰ দ্বাৰা প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিবলৈ চেষ্টা কৰা হ'ব।

(৫) সাহায্যপ্ৰাপ্ত স্কুলসমূহৰ কৰ্তৃপক্ষৰ স্বাধীনতাত চৰকাৰে পৰাপক্ষত কোনোধৰণৰ হস্তক্ষেপ নকৰিব।

(৬) প্ৰাথমিক স্কুলৰ পৰীক্ষা স্কুল পৰিদৰ্শকে স্থানীয় ভাবেই ল'ব।

(৭) শাৰিৰীক উৎকৰ্ষ সাধনৰ বাবে থলুৱা খেলা-ধূলা; ব্যায়াম আদিক উৎসাহ দিয়া হ'ব।

(৮) স্কুলসমূহত মাচুল দিয়াৰ ব্যৱস্থা থাকিব, কিন্তু আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীৰ ক্ষেত্ৰত ৰেহাইৰ ব্যৱস্থা কৰা হ'ব।

(৯) প্ৰয়োজন অনুযায়ী ঠায়ে ঠায়ে নৈশ বিদ্যালয় স্থাপন কৰা হ'ব।

(১০) প্ৰাথমিক স্কুলসমূহৰ মেৰামতি আদিৰ খৰচ লোকেল বোৰ্ড (Local Board) আৰু মিউনিচিপাল বোৰ্ড (Municipal Board)য়ে বহন কৰিব।

(১১) ফলাফলৰ ভিত্তিত সাহায্য প্ৰদান (Payment-by-results) নীতিৰ ব্যৱস্থা থাকিলেও পিছপৰা অঞ্চলসমূহত স্থাপন কৰা প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত এই নীতি মানি চলা নহ'ব।

(১২) নিম্ন পৰ্যায়ৰ চৰকাৰী চাকৰিৰ নিয়োগৰ ক্ষেত্ৰত লিখাপঢ়া জনা লোকক বিশেষ সুবিধা দিয়া হ'ব।

(১৩) পিছপৰা অঞ্চলৰ লগতে বিশেষকৈ আদিবাসী অঞ্চলত স্কুল স্থাপনৰ ব্যৱস্থা চৰকাৰে কৰিব।

(১৪) প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত ব্যৱহাৰিক বিষয় যেনে, থলুৱা প্ৰথাৰে অঙ্ক কৰা, প্ৰাকৃতিক আৰু শাৰিৰীক বিজ্ঞানৰ দ্বাৰা কৃষিকাৰ্য সম্পাদন আৰু জনস্বাস্থ্য উন্নয়ন

DAILY ASSAM



আদি বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

(১৫) স্বায়ত্ব শাসিত অনুষ্ঠানসমূহক চৰকাৰে আৰ্থিক অনুদান দিব আৰু এই অনুদানৰ পৰিমাণ মুঠ খৰচৰ এক তৃতীয়াংশ হ'ব।

(১৬) স্কুল পৰিদৰ্শকৰ বিভাগীয় এলেকাত যথেষ্ট সংখ্যক নৰ্মেল স্কুল খোলা হ'ব।

(১৭) প্ৰাথমিক স্কুলৰ ঘৰ, সা-সৰঞ্জাম আদি সাধাৰণ হ'ব লাগিব।

(১৮) চৰকাৰী আৰু বেচৰকাৰী স্কুলসমূহত ধৰ্ম শিক্ষাৰ নীতি একে হ'ব।

(১৯) স্থানীয় বাইজৰ সুবিধা অনুযায়ী পিছপৰা কৃষিপ্ৰধান অঞ্চলসমূহত স্কুলৰ শ্ৰেণী বহা সময় নিৰ্দ্ধাৰণ কৰা হ'ব।

(২০) সকলো ধৰ্ম আৰু শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ বাবে স্কুল বোৰ্ডৰ দ্বাৰা স্থাপিত সাহায্য প্ৰাপ্ত স্কুলত নাম ভৰ্তিৰ সুবিধা থাকিব।

(২১) স্বায়ত্ব শাসিত বোৰ্ডবোৰে (Municipality/Local Board) প্ৰাথমিক স্কুলৰ বাবে অৰ্থ পুঁজি ৰাখিব।

(২২) শিক্ষা বিভাগৰ অনুমোদনক্ৰমে শিক্ষক নিযুক্তি টাউন বা ডিষ্ট্ৰিক্ট বোৰ্ডে দিব পাৰিব।

(২৩) প্ৰাথমিক স্কুলসমূহত কি ভাষাৰে শিক্ষা দিয়া হ'ব তাৰ প্ৰাথমিক স্কুল কমিটীয়ে কৰিব।

(২৪) প্ৰাথমিক স্কুলক সাহায্য দিওঁতে মিউনিচিপাল বোৰ্ড আৰু লোকেল বোৰ্ডে শিক্ষা বিভাগে বান্ধি দিয়া নিয়ম মানি চলিব লাগিব।

(২৫) প্ৰাথমিক শিক্ষাই যাতে শিক্ষাৰ্থীসকলৰ আচাৰ-ব্যৱহাৰ, চৰিত্ৰ, ব্যৱহাৰিক জীৱন আদিত প্ৰভাৱ পেলায় তাৰ প্ৰতি স্কুল পৰিদৰ্শক আৰু শিক্ষকসকলে লক্ষ্য ৰাখিব লাগিব।

(২৬) পাঠ্যক্ৰমৰ নিৰ্বাচনৰ ক্ষেত্ৰত স্কুলৰ কমিটীয়ে স্বাধীনভাৱে কাম কৰিব পাৰিব।

'হাণ্টাৰ আয়োগৰ' পৰামৰ্শৱলীৰ ফলস্বৰূপে ভাৰতত প্ৰাথমিক শিক্ষাৰ বহুত পৰিবৰ্তন হ'ল। দেশৰ প্ৰায় সকলো ঠাইতে স্থানীয় কৰ্তৃপক্ষৰ (Municipality / Local Board) তলত প্ৰাথমিক শিক্ষাই যথেষ্ট সমাদৰ লাভ কৰিছিল।

**হাণ্টাৰ আয়োগৰ সমালোচনা (Criticism of Hunter Commission) :** হাণ্টাৰ আয়োগৰ পৰামৰ্শাৱলীৰ ফলস্বৰূপে ভাৰতত প্ৰাথমিক শিক্ষাৰ বহুত পৰিবৰ্তন হ'ল। ১৮৭০ চনত ইংলেণ্ডত যিদৰে প্ৰাথমিক শিক্ষা আইনৰ যোগেদি শিক্ষাৰ সম্প্ৰসাৰণ কৰিবলৈ লোৱা হৈছিল, ভাৰতবৰ্ষতো তেনেধৰণৰ ব্যৱস্থা কৰাটো এই আয়োগৰ মূল উদ্দেশ্য আছিল। এই উদ্দেশ্যৰ ফলতেই প্ৰাথমিক স্কুলৰ সংখ্যা যথেষ্ট বৃদ্ধি হ'ল যদিও লোকেল বোৰ্ডে আশা কৰা মতে কাম কৰিব নোৱাৰিলে। আয়োগে উল্লেখ কৰামতে দেশীয় ভাষাৰ স্কুলবোৰৰ উন্নতি নহ'ল।

প্ৰাথমিক শিক্ষাৰ দায়িত্ব স্থানীয় স্বায়ত্ব শাসিত অনুষ্ঠানসমূহৰ ওপৰত ন্যস্ত কৰিছিল যদিও অনুষ্ঠানসমূহৰ অভিজ্ঞতা আৰু শক্তি সীমিত আছিল বাবে শিক্ষাৰ ক্ষেত্ৰত গধুৰ দায়িত্ব বহন কৰিব নোৱাৰিলে। আনহাতে পৰীক্ষাৰ ফলাফলৰ ভিত্তিত সাহায্য দান নীতিৰ যোগেদি শিক্ষা ব্যৱস্থাক পৰীক্ষামুখী কৰিহে তুলিছিল। ইয়াৰ উপৰিও পাঠ্যক্ৰম, পৰীক্ষা, সংগঠন আদিৰ ক্ষেত্ৰতো বেমেজালিৰ সৃষ্টি হৈছিল। হাণ্টাৰ আয়োগৰ ডাঙৰ ত্ৰুটি এটা হৈছে, প্ৰাথমিক শিক্ষাক বাধ্যতামূলক আৰু বিনামূলীয়া কৰাৰ বাবে কোনো পৰামৰ্শ আগনবঢ়োৱাটো। ইয়াৰ বাবেই প্ৰাথমিক শিক্ষাই বিশেষ সম্প্ৰসাৰণতা লাভ কৰিব নোৱাৰিলে। এই আয়োগৰ বহুটো দোষ-ত্ৰুটি আছে তথাপি এই আয়োগৰ ফলত প্ৰাথমিক শিক্ষাৰ উন্নতি হয়। আয়োগৰ সকলো পৰামৰ্শই যে কাৰ্যত পৰিণত নহ'ল তেনে নহয়। প্ৰাথমিক শিক্ষা বিস্তাৰৰ বাবে আয়োগে আগবঢ়োৱা পৰামৰ্শৰ ফলস্বৰূপেই প্ৰাথমিক শিক্ষাৰ কিছু উন্নতি হোৱা দেখা গৈছিল।

**হাণ্টাৰ আয়োগৰ প্ৰভাৱ ঃ**

এই আয়োগৰ পৰামৰ্শৱলীসমূহৰ ফলস্বৰূপে ভাৰতীয় প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ কিছু উন্নতি হোৱা দেখা গৈছিল। ভাৰতীয় শিক্ষা আয়োগে শিক্ষা ব্যৱস্থাক স্থানীয় বোৰ্ডৰ অধীনলৈ লৈ অহাৰ ফলত প্ৰাথমিক শিক্ষা ব্যৱস্থাটোলৈ পৰিৱৰ্তন আহিছিল। এই ব্যৱস্থাই প্ৰশাসনক প্ৰাথমিক শিক্ষাৰ দায়িত্বৰ পৰা ৰেহাই দিয়াৰ লগতে স্থানীয় বোৰ্ডসমূহক জনসাধাৰণৰ প্ৰতি সেৱা আগবঢ়াই প্ৰাথমিক শিক্ষাক এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ সুবিধা প্ৰদান কৰে। সেই সময়ত প্ৰচলিত থলুৱা শিক্ষানুষ্ঠানসমূহে প্ৰাথমিক শিক্ষাৰ বিকাশত লোৱা ভূমিকাক এই ভাৰতীয় শিক্ষা আয়োগে গুৰুত্বপূৰ্ণ বুলি স্বীকৃতি দি উৎসাহ প্ৰদান কৰিছিল।

## লৰ্ড কাৰ্জনৰ শিক্ষা নীতি (Lord Curzon's Educational Policy) ঃ

**প্ৰস্তাৱনা (Introduction) ঃ** কুৰি শতিকাৰ প্ৰথম দশকটোক ভাৰতৰ শিক্ষা ইতিহাসৰ এক তাৎপৰ্যপূৰ্ণ আৰু ঘটনাবহুল সময় হিচাপে অভিহিত কৰিব পাৰি। ১৮৯৯ চনত লৰ্ড কাৰ্জন ইংলেণ্ডৰ ৰাজ প্ৰতিনিধিস্বৰূপে ভাৰতলৈ আহে। তেওঁ ১৮৮২ চনৰ পৰা ১৮৮৫ চনলৈকে কৰা এচিয়া ভ্ৰমণৰ কালত ভাৰতৰ প্ৰশাসন আৰু সমস্যাৰ বিষয়ে জানি উঠাৰ সুযোগ লাভ কৰিছিল। ইংৰাজৰ শাসনকালত যিসকল ইংৰাজ প্ৰশাসক আৰু ৰাজ প্ৰতিনিধিস্বৰূপে ভাৰতলৈ আহিছিল তেওঁলোকৰ ভিতৰত লৰ্ড কাৰ্জন অন্যতম। তেওঁ আছিল দৃঢ়মনা, অসীম কৰ্মদক্ষতাসম্পন্ন সাহসী প্ৰশাসক। তেওঁ নিজ কৰ্তব্য ভালদৰে বুজি উঠিছিল। প্ৰশাসন ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰাটো তেওঁ

DAILY ASSAM



বিচাৰিছিল যদিও সেই ক্ষমতা প্ৰজা আৰু সৰ্বসাধাৰণ লোকৰ হিতৰ বাবেহে প্ৰয়োগ কৰিছিল। সেয়েহে তেওঁক এজন প্ৰজাহিতৈষী ব্যক্তিস্বৰূপে অভিহিত কৰিব পাৰি। প্ৰজাৰ হিতৰ বাবে তেওঁ বহুতো সংস্কাৰমূলক কাম কৰি গৈছে। ভাৰতৰ শিক্ষাৰ এনে এটা দিশ নাই য'ত তেওঁ হাত দিয়া নাই আৰু য'তেই হাত দিছিল তাতেই তেওঁ নিজ উদ্দেশ্য সাধন কৰিছিল। প্ৰাথমিক, মাধ্যমিক আৰু উচ্চশিক্ষা পৰ্যায়ত তেওঁ গুৰুত্বপূৰ্ণ পৰিবৰ্তন আৰু সংস্কাৰ সাধন কৰি গৈছে। ১৮৯৯ৰ পৰা ১৯০৫ চনলৈকে তেওঁ ছবছৰৰ বাবেহে প্ৰশাসনীয় ক্ষমতাত আছিল। এই সময়ছোৱাৰ ভিতৰত কৰা শিক্ষাৰ সংস্কাৰ ক্ৰিয়াৰ অভিলেখ আন কতো পাব পৰা নাযায়।

১৮৯৯ চনৰ জানুৱাৰী মাহত লৰ্ড কাৰ্জন ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হয়। সেই সময়ৰ ভাৰতীয় শিক্ষা ব্যৱস্থাই তেখেতক বৰ আকৰ্ষিত কৰিছিল। শিক্ষাৰ বিভিন্ন দিশৰ আলোচনা কৰিবৰ বাবে চিমলাত তেখেতে ১৯০১ চনত এখন শিক্ষা সন্মিলন আহ্বান কৰিছিল। লৰ্ড কাৰ্জন নিজেই এই সন্মিলনৰ সভাপতি আছিল। সন্মিলনে প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষালৈ সকলো পৰ্যায়ৰ শিক্ষাৰ স্থিতি আৰু সমস্যা সম্বন্ধে আলোচনা কৰিছিল। চৰকাৰী বিষয়াসকলক নিমন্ত্ৰণ কৰা হৈছিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই লৰ্ড কাৰ্জনে ১৯০৪ চনৰ ১১ মাৰ্চত চৰকাৰৰ প্ৰস্তাৱ আকাৰে শিক্ষানীতি ঘোষণা কৰে।

**চিম্‌লা শিক্ষা সন্মিলন (Shimla Education Conference) :** লৰ্ড কাৰ্জনে ১৯০১ চনৰ চেপ্তেম্বৰ মাহত চিমলাত এখন শিক্ষা সন্মিলন আহ্বান কৰে। সন্মিলনখনক গোপন বুলি কোৱা হৈছিল। ইয়ালৈ ৰাজ্যিক শিক্ষাধিকাৰসকলক, লগতে খৃষ্টিয়ান মিছনেৰীসকলকো আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু ভাৰতীয় পক্ষৰ লোকক ইয়াৰপৰা বিৰত ৰখা হৈছিল। এই সন্মিলন ১৫ দিন ধৰি চলিছিল। লৰ্ড কাৰ্জনে ইয়াত অধ্যক্ষতা কৰিছিল। প্ৰাথমিক শিক্ষাৰপৰা উচ্চ শিক্ষালৈকে সকলো পৰ্যায়ৰ শিক্ষাৰ বিষয়ে কাৰ্জনে তেওঁৰ মনোভাব ব্যক্ত কৰিছিল। চৰকাৰী বিষয়াসকলৰ লগত আলোচনা কৰি প্ৰয়োজনীয় নীতি নিৰ্দ্ধাৰণ কৰা হৈছিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই লৰ্ড কাৰ্জনে ১৯০৪ চনৰ ১১ মাৰ্চত চৰকাৰৰ প্ৰস্তাৱ আকাৰে শিক্ষা নীতি ঘোষণা কৰে।

**প্ৰাথমিক শিক্ষা নীতি (Policy on Primary Education) :** কাৰ্জনে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ সংখ্যাত্মক আৰু গুণাত্মক দিশৰ নিম্নমান বিশিষ্টতাৰ বিষয়ে ভালদৰে জানিছিল। প্ৰাথমিক শিক্ষাৰ দুৰৱস্থাৰ প্ৰধান কাৰণ যে অৰ্থৰ অভাৱ সেইকথাও কাৰ্জনে অনুভৱ কৰি উঠিছিল। তেওঁ বুজিছিল যে দেশৰ সৰ্বসাধাৰণ লোক নিৰক্ষৰ হৈ থাকিলে দেশ ভালদৰে পৰিচালনা কৰিব পৰা নেযায়। জনগণৰ নিৰক্ষৰতাই কৃষি, বাণিজ্য

আৰু অৰ্থনৈতিক দিশতো ক্ষতি সাধন কৰিব পাৰে। কাৰ্জনে এইকথাও স্বীকাৰ কৰিছিল যে দেশৰ উচ্চ শিক্ষাৰ স্বাৰ্থত প্ৰাথমিক শিক্ষাক চৰকাৰে অবহেলা কৰি আহিছে। সেয়ে তেওঁ প্ৰাথমিক শিক্ষাৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰে আৰু ইয়াৰ গুণ আৰু পৰিমাণ দুয়োটা দিশতে বিকাশৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। কাৰ্জনে প্ৰাথমিক শিক্ষাৰ দিশত লোৱা ব্যৱস্থা সম্বন্ধে তলত উল্লেখ কৰা হ'ল—

১। **উদাৰ অনুদান ব্যৱস্থা** ঃ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত থকা অৰ্থৰ অভাৱ গুচাবৰ বাবে তেওঁ এক উদাৰ অৰ্থ সাহায্য ব্যৱস্থা গ্ৰহণ কৰে। প্লেগ আৰু দুৰ্ভিক্ষৰ সন্মুখীন হ'বৰ বাবে এককালীনভাৱে বিশেষ অৰ্থ সাহায্য আগবঢ়ায়। তেওঁ মিউনিচিপেলিটি আৰু লোকেল ব'ৰ্ডবোৰক শিক্ষাৰ বাবে পৌনঃপুনিক অৰ্থ সাহায্য দিয়াৰ ব্যৱস্থা কৰে। তেওঁ চৰকাৰী অৰ্থ সাহায্যৰ পৰিমাণ মুঠ খৰচৰ এক-তৃতীয়াংশৰ পৰা দুভাগৰ এভাগলৈ বৃদ্ধি কৰি তোলে। এনে অৰ্থ সাহায্য ব্যৱস্থাই বিদ্যালয়ৰ সংখ্যা আৰু ছাত্ৰৰ সংখ্যা দ্ৰুতভাৱে বৃদ্ধি কৰি তোলে।

২। **ফলাফলৰ ভিত্তিত অনুদান ব্যৱস্থাৰ পৰিহাৰ** ঃ ১৮৮২ চনৰ হাণ্টাৰ আয়োগে প্ৰাথমিক শিক্ষাৰ অৰ্থ সাহায্য দানৰ বাবে ফলাফলৰ ভিত্তিত অনুদান ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়ে। এই প্ৰথা গ্ৰহণ কৰাৰ ফলত ভাল ফলাফল দেখুৱাব নোৱাৰা নিম্ন মানৰ প্ৰাথমিক বিদ্যালয়সমূহ বিশেষকৈ ব্যক্তিগত উদ্যোগত পৰিচালিত বিদ্যালয়সমূহ অধিকভাৱে ক্ষতিগ্ৰস্ত হৈ পৰে। লৰ্ড কাৰ্জনে এই অনুদান প্ৰথা তুলি দি এক উদাৰ অৰ্থ সাহায্যৰ ব্যৱস্থা গ্ৰহণ কৰে।

৩। **শিক্ষক-প্ৰশিক্ষণ ব্যৱস্থা** ঃ কাৰ্জনে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ ওপৰত অধিক জোৰ দিছিল আৰু শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰিছিল। তেওঁ নিৰ্দেশ দিছিল যে শিক্ষক-প্ৰশিক্ষণৰ কাল দুবছৰৰ কম হ'ব নালাগে। শিক্ষক প্ৰশিক্ষণৰ দিশত তেওঁৰ এক নতুন অৱদান হৈছে কৃষি বিষয়ত শিক্ষকসকলক প্ৰশিক্ষণৰ নিৰ্দেশ দিয়াটো। গ্ৰাম্য কৃষিপ্ৰধান অঞ্চলৰ শিক্ষকসকলক এনে প্ৰশিক্ষণ দিয়াৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল।

৪। **শিক্ষকৰ দৰমহা বৃদ্ধি** ঃ কাৰ্জনে শিক্ষকসকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ অৰ্থে সকলো প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ দৰমহা পুনৰ বিবেচনা কৰিবলৈ বিচাৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে দেশৰ বিভিন্ন অঞ্চলত প্ৰাথমিক শিক্ষকৰ দৰমহা নিম্ন মানৰ আৰু ঠায়ে ঠায়ে ভিন্নতাও আছিল। দৰমহাৰ বৈষম্যতা গুচাই তেওঁ সকলো অঞ্চলৰ শিক্ষকৰ দৰমহা সম মানদণ্ডৰ কৰি তুলিবলৈ বিচাৰিছিল। তেওঁ কম সময়ৰ বাবে ইয়াক ভালদৰে কাৰ্যকৰী কৰি তুলিব নোৱাৰিলে।

৫। **পাঠ্যক্ৰমৰ সংস্কাৰ** ঃ কাৰ্জনে প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰম পুৰণিবিধৰ হোৱাৰ প্ৰতি

DAILY ASSAM



লক্ষ্য ৰাখি ইয়াক উন্নত কৰি তুলিবলৈ বিচাৰিছিল। তেওঁ পাঠ্যক্ৰমত লিখা-পঢ়া আৰু অংক কৰাৰ লগতে কিছুমান উপযোগিতামূলক বিষয় অন্তৰ্ভুক্ত কৰিছিল। ভাৰত এখন কৃষিপ্ৰধান দেশ হোৱা হেতুকে কৃষিৰ দৰে প্ৰয়োজনীয় আৰু ব্যৱহাৰিক বিষয় এটা প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বাবে তেওঁ নিৰ্দেশ দিছিল। ইয়াৰ উপৰিও পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় শৰীৰ শিক্ষা বিষয় অন্তৰ্ভুক্ত কৰিছিল। কাৰ্জনৰ মতে প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰম স্থানীয় পৰিবেশৰ লগত খাপখোৱা বিধৰ হ'ব লাগে। তেওঁ নগৰ আৰু গাঁও অঞ্চলৰ ছাত্ৰৰ বাবে পাঠ্যক্ৰম পৃথক হোৱাটো বিচাৰিছিল।

৬। **উন্নত শিক্ষাদান পদ্ধতি ঃ** কাৰ্জনে ভাৰতৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাদান পদ্ধতি আওপুৰণি আৰু অবৈজ্ঞানিক বিধৰ হোৱাটো লক্ষ্য কৰিছিল। প্ৰাথমিক বিদ্যালয়ৰ পণ্ডিতসকলে মুখস্থ বিদ্যাৰ মাধ্যমেৰে যান্ত্ৰিক স্মৃতি প্ৰয়োগত অযথা গুৰুত্ব দিয়াৰ কথা তেওঁ ভাল নাপাইছিল। ছাত্ৰই নিজ যুক্তি আৰু পৰ্যবেক্ষণ ক্ষমতাৰ প্ৰয়োগ কৰাটো তেওঁ বিচাৰিছিল। কিণ্ডাৰগাৰ্টেনৰ দৰে উন্নত শিশু শিক্ষা পদ্ধতি প্ৰয়োগৰ বাবে তেওঁ পৰামৰ্শ দিছিল। যিবিলাক ঠাইত এইবিধ পদ্ধতিৰে শিক্ষা দিব পৰা উপযুক্ত শিক্ষক পোৱা যায় তাত এই পদ্ধতি প্ৰয়োগৰ নিৰ্দেশ দিছিল।

**মাধ্যমিক শিক্ষা নীতি (Policy on Secondary Education) ঃ** কাৰ্জনে মাধ্যমিক শিক্ষা সম্বন্ধে গ্ৰহণ কৰা পূৰ্বৰ উদাৰ নীতি পৰিহাৰ কৰি এক কঠোৰ নিয়ন্ত্ৰণৰ নীতি গ্ৰহণ কৰিছিল। তেওঁ সহায়ক অনুদান লাভ কৰা বা নকৰা দুয়োবিধ ব্যক্তিগত উদ্যোগত পৰিচালিত মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰতে চৰকাৰী নিয়ন্ত্ৰণ আৰোপ কৰিছিল। ১৯০৪ চনত প্ৰকাশ কৰা চৰকাৰী শিক্ষাৰ প্ৰস্তাৱত তেওঁ এই নীতি ঘোষণা কৰিছিল। কাৰ্জনে মাধ্যমিক শিক্ষাৰ দিশত গ্ৰহণ কৰা শিক্ষানীতিক বহলভাৱে দুটা ভাগত বিভক্ত কৰিব পৰা যায়। ভাগ দুটা হৈছে— (ক) নিয়ন্ত্ৰণৰ নীতি আৰু (খ) সম্প্ৰসাৰণৰ নীতি। দুয়োটা নীতিৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) **নিয়ন্ত্ৰণৰ নীতি ঃ** কাৰ্জনে সকলোবিধ মাধ্যমিক বিদ্যালয়ক চৰকাৰৰ কঠোৰ নিয়ন্ত্ৰণৰ অধীনলৈ অনাৰ বাবে কিছুমান নীতি গ্ৰহণ কৰে।

(খ) **সম্প্ৰসাৰণ নীতি ঃ** অকল চৰকাৰী নিয়ন্ত্ৰণেই শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিব নোৱাৰে। কাৰ্জনৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা নীতিৰ আন এটা দিশ আছিল বিদ্যালয়ৰ গুণগত মানদণ্ড উন্নত কৰি তোলাটো। কাৰ্জনে এই দিশত কিছুমান প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ কথা ঘোষণা কৰে।

**উচ্চ শিক্ষা নীতি (Policy on Higher Education) ঃ** কাৰ্জনে চিমলা শিক্ষা সন্মিলনৰ সিদ্ধান্ত কাৰ্যকৰী কৰি তুলিবৰ বাবে প্ৰথমে উচ্চ শিক্ষা সংস্কাৰত হাত দিয়ে। উচ্চ শিক্ষাৰ সংস্কাৰ সাধনেই হৈছে তেওঁৰ আটাইতকৈ অধিক গুৰুত্বপূৰ্ণ পদক্ষেপ। উচ্চ শিক্ষা সম্বন্ধে তেওঁৰ ধাৰণা ১৯০৪ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ সমাবৰ্তনত দিয়া ভাষণত প্ৰকাশ কৰে। তেওঁৰ মতে, শিক্ষাই জ্ঞানৰ বিকাশ কৰিব লাগে আৰু শিক্ষাৰ্থীৰ চৰিত্ৰ গঠনত সহায় কৰিব লাগে। ১৮৫৭ চনত ভাৰতবৰ্ষত তিনিখন বিশ্ববিদ্যালয় স্থাপন কৰা হয় আৰু কাৰ্জনৰ সময়ত দেশত মুঠ পাঁচখন বিশ্ববিদ্যালয় হয়গৈ।

**বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯০২ চন (University Education Commission of 1902) ঃ** কাৰ্জনে ১৯০২ চনৰ ২৭ জানুৱাৰীত চাৰ থমাচ ৰেলিৰ অধ্যক্ষতাত এখন বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰে। আয়োগে সেইবছৰতেই প্ৰতিবেদন প্ৰস্তুত কৰি উলিয়ায়। আয়োগত কোনো ভাৰতীয় সদস্য লোৱা হোৱা নাছিল। ভাৰতীয়সকল অসন্তুষ্ট হোৱালৈ চাই পিছত দুজন ভাৰতীয় লোকক ইয়াৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। তেওঁলোক আছিল গুৰুদাস বেনাৰ্জী আৰু চৈয়দ হাচান বিলগ্ৰামী।

**বিশ্ববিদ্যালয় আইন, ১৯০৪ চন (University Act of 1904) ঃ** বিশ্ববিদ্যালয়ৰ প্ৰশাসন চৰকাৰৰ অধীনলৈ নিবৰ বাবে কাৰ্জনে এই আইনখনৰ ব্যৱস্থা কৰিছিল। ১৯০২ চনৰ আয়োগৰ পৰামৰ্শক্ৰমেই ১৯০৪ চনৰ ১১ মাৰ্চত এই আইন প্ৰস্তুত কৰি তোলা হয়। ইয়াত প্ৰচলিত ব্যৱস্থাৰ দোষ ক্ৰটিসমূহ আঙুলিয়াই দিয়া হয় আৰু তাক গুচাবৰ বাবে ব্যৱস্থা গ্ৰহণৰ কথা কোৱা হয়।

**শিক্ষাৰ আন দিশত সংস্কাৰ সাধন (Other Aspects of Educational Reform) ঃ** কাৰ্জনৰ শিক্ষা নীতি আৰু কাৰ্যকলাপ যে ভাৰত বিৰোধী নাছিল, তাৰ প্ৰমাণ তেওঁৰ অন্যান্য কিছুমান কাৰ্যত পাব পৰা যায়। তেনেবোৰ কাৰ্যৰ বাবে ভাৰতীয়সকল তেওঁৰ প্ৰতি কৃতজ্ঞ হৈ থাকিব। শিক্ষানুৰাগী আৰু শিক্ষাৰ দিশত দূৰদৃষ্টিসম্পন্ন নহ'লে অকল এজন সাধাৰণ প্ৰশাসকৰপৰা এনেবোৰ সংস্কাৰ সাধন কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

কাৰ্জনৰ উচ্চ শিক্ষা নীতিৰ ভাল দিশবোৰ তলত উল্লেখ কৰা হ'ল—

**১। কৃষি শিক্ষা (Agricultural Education)** ঃ ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ হ'লেও ইয়াত কৃষি শিক্ষাৰ কোনো ব্যৱস্থা নাই। এইকথা তেওঁ প্ৰথমতে অনুভৱ কৰিছিল। অকল সেয়ে নহয়, ইয়াৰ এক বিজ্ঞানসন্মত ব্যৱস্থাও তেওঁ গঢ় দি তুলিছিল। স্কুলৰ এটা অধ্যয়নৰ বিষয়স্বৰূপে তেওঁ কৃষি শিক্ষা অন্তৰ্ভুক্ত কৰিছিল। প্ৰতিখন ৰাজ্যতে

DAILY ASSAM



একোখনকৈ কৃষি কলেজ স্থাপন হোৱাটো তেওঁ বিচাৰিছিল। কাৰ্জনে পুচাত এটা কেন্দ্ৰীয় কৃষি গৱেষণা সংস্থা স্থাপন কৰে।

**২। নৈতিক শিক্ষা (Moral Education) :** মিছনেৰীসকলে ভাৰতীয় শিক্ষাত ধৰ্মৰ প্ৰভাৱ পেলাবলৈ চেষ্টা কৰি আহিছিল যদিও কাৰ্জনে সেই চেষ্টা ব্যৰ্থ কৰি তুলিছিল। চৰকাৰী স্কুলবোৰত সেই সময়ৰেপৰা ধৰ্ম নিৰপেক্ষভাৱে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা দিয়াৰ তেওঁ ব্যৱস্থা কৰিছিল।

**৩। কলা সম্বন্ধীয় স্কুল স্থাপন (Establishment of Art School) :** ভাৰতত সেই সময়ত অৱস্থিত ভাৰতীয় কলা চৰ্চাৰ স্কুলসমূহৰ দুৰৱস্থাই ভৱিষ্যতত অনিশ্চয়তাৰ অৱস্থা সৃষ্টি কৰি তুলিছিল। বহুতেই ভাবিছিল যে এই স্কুলবোৰে প্ৰকৃত উদ্দেশ্য সাধন কৰিব নোৱাৰা বাবে বন্ধ কৰি দিয়া উচিত। কিন্তু কাৰ্জনে এই মতৰ বিৰোধিতা কৰিছিল আৰু স্কুলবোৰৰ আৱশ্যকীয় সংস্কাৰ সাধন কৰি চলাই থকাৰহে পৰামৰ্শ দিছিল।

**৪। পুৰাতত্ব বিভাগ স্থাপন (Establishment of Department of Archeaology) :** কাৰ্জনে লক্ষ্য কৰিছিল যে ভাৰতৰ পুৰণি ঐতিহ্যপূৰ্ণ আৰু বুৰঞ্জীপ্ৰসিদ্ধ ঠাইবোৰ আৰু মঠ-মন্দিৰবোৰ ভালদৰে ৰক্ষণাবেক্ষণ কৰা হোৱা নাছিল। তেওঁ এটা পুৰাতত্ব বিভাগ স্থাপন কৰি দেশৰ আপুৰুগীয়া সম্পদবোৰ ৰক্ষণাবেক্ষণ কৰিবৰ বাবে ১৯০৪ চনত এখন আইন প্ৰস্তুত কৰিছিল।

**৫। বিদেশত অধ্যয়নৰ বাবে বৃত্তিদান (Foreign Scholarship) :** ভাৰতত কাৰিকৰী শিক্ষাৰ বিকাশ সাধনৰ প্ৰয়োজনো কাৰ্জনে অনুভৱ কৰিছিল। কিন্তু কাৰিকৰী শিক্ষা লাভ কৰিবলৈ অহা ছাত্ৰৰ অভাৱ দেখা গৈছিল। সেয়েহে এই বিষয়ত ভাৰতীয় ছাত্ৰক আকৰ্ষণ কৰি তুলিবৰ বাবে তেওঁ বিদেশত অধ্যয়নৰ বাবে ছাত্ৰ বৃত্তি প্ৰদান কৰিছিল।

**৬। শিক্ষাৰ সঞ্চালকপ্ৰধান নিযুক্তি (Appointment of the Director-General in Education) :** ১৮৫৪ চনৰ উডৰ প্ৰতিবেদন মৰ্মে ৰাজ্য চৰকাৰবোৰত শিক্ষা বিভাগ একোটা স্থাপন কৰি একোজন শিক্ষাধিকাৰ নিযুক্তি কৰে। যদিওঁ সেই ব্যৱস্থাই কেন্দ্ৰীয় চৰকাৰক সমন্বয় সাধনত সহায় কৰা নাছিল। কাৰ্জনে সঞ্চালকপ্ৰধান এগৰাকী নিযুক্তি দি কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগটো শক্তিশালী কৰিছিল।

**১৯০৩ চনৰ চৰকাৰী প্ৰস্তাৱ (Govt, Resolution of 1904) :** চিমলাৰ শিক্ষা সন্মিলনত লোৱা সিদ্ধান্ত অনুসৰি কাৰ্জনে শিক্ষাৰ বিভিন্ন দিশত গ্ৰহণ কৰিবলগা নীতিসমূহ এক চৰকাৰী প্ৰস্তাৱ আকাৰে ১৯০৪ চনত প্ৰকাশ কৰে। এই প্ৰস্তাৱে ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত থকা কাৰ্জনৰ গভীৰ উপলব্ধি আৰু শুদ্ধ আঁচনিৰ পৰিচয় দিয়ে। এই চৰকাৰী প্ৰতিবেদনত ভাৰতীয় শিক্ষাৰ প্ৰধান দোষ-ক্ৰটিসমূহৰ চিনাক্তকৰণ কৰা হয়।

**কাৰ্জনৰ ভাৰতীয় শিক্ষাৰ প্ৰতি অৱদান (Curzon's Contribution to Indian Education) :** কাৰ্জনক ভাৰতীয় শিক্ষাৰ সুযোগ্য প্ৰশাসক হিচাপে অভিহিত কৰিব পাৰি। ভাৰতীয় শিক্ষাৰ প্ৰতি কাৰ্জনৰ স্মৰণীয় অৱদানখিনি তলত চমুকৈ আলোচনা কৰা হ'ল—

১। ভাৰতীয় শিক্ষাৰ বিকাশৰ প্ৰতি চৰকাৰী অৰ্থ সাহায্য তেওঁ উদাৰ নীতিৰে আগবঢ়ায়। ইয়াৰ পূৰ্বে চৰকাৰে আগবঢ়োৱা সহায়ক অনুদান যথেষ্ট নাছিল আৰু তাৰ ফলত শিক্ষাৰ বিকাশ বাধাগ্ৰস্ত হৈ পৰিছিল। সেইকথা কাৰ্জনে ভালদৰে অনুভৱ কৰিব পাৰিছিল।

২। শিক্ষাৰ দিশত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ পূৰ্বৰ গা এৰা দিয়া নীতি কাৰ্জনে পৰিহাৰ কৰি প্ৰশাসনক অধিকভাৱে জড়িত কৰি তুলিছিল। শিক্ষাৰ সকলো দিশতে চৰকাৰৰ অধিকাৰ কাৰ্জনে সাব্যস্ত কৰি তুলিছিল। ইয়াৰ ফলত শিক্ষাৰ অনুশাসন ৰক্ষা কৰাটো আৰু মানদণ্ড উন্নত কৰি তোলাটো সম্ভৱ হৈ উঠিছিল।

৩। ভাৰতীয় শিক্ষাৰ সকলো স্তৰতে মানদণ্ড উন্নত কৰি তোলাৰ ওপৰত তেওঁ সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। আনকি প্ৰাথমিক শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবলৈ কৰা তেওঁৰ প্ৰচেষ্টা বিশেষভাৱে প্ৰশংসনীয়।

৪। ভাৰতৰ কৃষি শিক্ষাৰ ব্যৱস্থা তেওঁৱেই প্ৰথমে গঢ় দি তোলে। কৃষি শিক্ষাত উচ্চ পৰ্যায়ৰ গৱেষণাকেন্দ্ৰ স্থাপন কৰি তাক তেওঁ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানমুখী কৰি তোলে।

৫। ভাৰতীয় ভাষা সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশ সাধনৰ ক্ষেত্ৰটো কাৰ্জনৰ অৱদান উপেক্ষনীয় নহয়। ভাৰতীয় ভাষাসমূহ মাধ্যমিক স্তৰত অধ্যয়নত গুৰুত্ব আৰোপ কৰি তেওঁ দূৰদৃষ্টিৰ পৰিচয় দিয়ে।

**গোপালকৃষ্ণ গোখলে বিল, ১৯১০-১১ (Gokhale's Bill 1910-11) :**

**প্ৰস্তাৱনা (Introduction) :** ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ ইতিহাস অধ্যয়ন কৰিলে দেখিবলৈ পোৱা যায় যে গোপালকৃষ্ণ গোখলেই প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি আগবঢ়াই গৈছে। গোপালকৃষ্ণ গোখলে আছিল ভাৰতীয় জাতীয় আন্দোলনৰ গুৰি ধৰোতা। এই শতিকাৰ প্ৰথম ভাগতে গোপালকৃষ্ণ গোখলে ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে প্ৰচেষ্টা চলাইছিল। তেওঁ আইন সভাৰ সদস্য আছিল আৰু এই আইন সভাতো (Imperial Legislative Council) ১৯১০ চনত মহামতি গোপালকৃষ্ণ গোখলেই প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিবৰ বাবে এটা প্ৰস্তাৱ দাঙি ধৰিছিল। এই প্ৰস্তাৱমৰ্মে সমগ্ৰ দেশতে প্ৰাথমিক শিক্ষা বিনামূলীয়া (Free) আৰু বাধ্যতামূলক (compulsory) হিচাবে প্ৰৱৰ্তন কৰিব লাগে। ইংলেণ্ডত ১৮৭০ চনতে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ব্যৱস্থা কৰা হৈছে।

DAILY ASSAM



ভাৰতবৰ্ষতো ইয়াৰ প্ৰৱৰ্তন কৰাটো চৰকাৰৰ দায়িত্ব হ'ব লাগে। এই সম্বন্ধে নিৰ্দিষ্ট প্ৰস্তাৱ প্ৰস্তুত কৰি কাৰ্যসূচী তৈয়াৰ কৰিবৰ বাবে চৰকাৰী আৰু বেচৰকাৰী সদস্যক লৈ এখন যুটীয়া আয়োগ গঠন কৰিব লাগে। গোখলেই কৈছিল ইংলেণ্ডৰ দৰে আইন প্ৰণয়ন কৰি প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিবৰ বাবে চৰকাৰে মিউনিচিপেলিটি আৰু লোকেল বোৰ্ডবোৰক দায়িত্ব দিব লাগে। ৬ বছৰৰ পৰা ১০ বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীক এই আইনৰ অন্তৰ্ভুক্ত কৰিব লাগে। ভাৰত চৰকাৰে এই প্ৰস্তাৱটোৰ পূৰ্ণ বিবেচনা কৰাৰ আশ্বাস প্ৰদান কৰাত গোখলেই প্ৰস্তাৱটো উঠাই লয়। চৰকাৰে এই প্ৰতিশ্ৰুতিৰ ফলস্বৰূপে ১৯১০ চনত কাৰ্যনিৰ্বাহক পৰিষদৰ এজন সদস্যৰ তত্বাৱধানত এটা শিক্ষা বিভাগ খুলি এখন আঁচনি প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিলে। কিন্তু এইবিষয়ে কোনোধৰণৰ বিশেষ ফল পোৱা নগ'ল। সেইবাবেই ১৯১১ চনৰ ১৬ মাৰ্চ তাৰিখে গোখলেই এখন বিল প্ৰস্তুত কৰি আইন সভাত (Imperial Legislative Council) দাঙি ধৰিলে। গোখলেৰ এই বিলৰ মূল দফাবোৰ এনেধৰণৰ—

**গোখলেৰ বিলৰ মূল দফাবোৰ (Main Provisions of Gokhale's Bill) ঃ**

১। গৱৰ্ণৰ জেনেৰেলৰ মত সাপেক্ষে শিক্ষা বিভাগে স্কুলত কিমান ল'ৰা-ছোৱালী পঢ়ি থাকিব লাগিব সেইটো ঠিৰাং কৰিব। গৱৰ্ণৰ জেনেৰেলে নিৰ্দ্ধাৰণ কৰি দিয়া ঠাইতে প্ৰাথমিক শিক্ষা প্ৰবৰ্তন কৰিব লাগে।

২। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে লোকেল বোৰ্ড আৰু মিউনিচিপেলিটিয়ে প্ৰাদেশিক চৰকাৰৰ আগতীয়া অনুমতি পাব লাগিব।

৩। যিবিলাক ল'ৰাৰ বয়স ৬ বছৰতকৈ কম নহয় আৰু দহ বছৰতকৈ বেছি নহয় তেনে ল'ৰাক স্কুললৈ যাবলৈ বাধ্য কৰাব লাগে। অৱশ্যে এইবিলাক ল'ৰাৰ পিতৃ-মাতৃয়ে বা অভিভাৱকে এই বিষয়ত শেষ সিদ্ধান্ত ল'ব।

৪। কোনো বিশেষ ব্যক্তি বা কোনো জাতি-উপজাতিৰ মানুহৰ ক্ষেত্ৰত এই আইন বলবৎ নহবওঁ পাৰে।

৫। প্ৰাথমিক শিক্ষা বিনামূলীয়া কৰা নহ'ব, কিন্তু কোনো অভিভাৱকৰ মাহিলি আয় ১০ টকাতকৈ কম হ'লে ল'ৰা-ছোৱালীয়ে মাচুল দিব নালাগিব।

৬। প্ৰাদেশিক চৰকাৰৰ শিক্ষা বিভাগে বিদ্যালয়ত উপস্থিত থাকিবলগীয়া দিন আৰু প্ৰতিদিনৰ সময় ধাৰ্য কৰিব লাগিব।

৭। স্কুলৰ উপস্থিতি নিশ্চিত কৰাৰ বাবে এখন স্কুল উপস্থিতি কমিটি গঠন কৰিব লাগে আৰু উপস্থিতিৰ ক্ষেত্ৰত অনিয়মীয়া

ল'ৰা-ছোৱালীৰ অভিভাৱকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৮। এই বিলখন ছোৱালীৰ বেলিকাও কাৰ্যকৰী হ'ব পাৰে।

৯। লোকেল বোৰ্ড আৰু মিউনিচিপেলিটিক নতুন স্কুল পতা আৰু প্ৰচলিত স্কুলক স্বীকৃতি দান দিয়াৰ দায়িত্ব এৰি দিব লাগে।

১০। প্ৰাদেশিক চৰকাৰৰ অনুমতি লৈ শিক্ষাৰ বাবে স্বায়ত্ব শাসিত সভাবোৰে বিশেষ কৰ লগাব পাৰিব। এনে কৰৰ জৰিয়তে পোৱা ধন আৰু গবৰ্ণৰ জেনেৰেলে ধাৰ্য কৰি দিয়া হাৰত প্ৰাদেশিক চৰকাৰে দিয়া অনুদান যোগ হ'ব লাগে।

**গোখলে বিলৰ প্ৰভাৱ আৰু ফলাফল ঃ** ভাৰতীয় সমাজত প্ৰভাৱ পৰা গোখলে বিলৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে আমি বিলখনক আইন সভাত দাঙি ধৰোতে কেনেকুৱা অৱস্থা হৈছিল সেই বিষয়ে জনাটো উচিত হ'ব। গোখলেৰ বিলখন যেতিয়া আইন সভাত (Imperial Legislative Council) আলোচনা কৰা হ'ল তেতিয়া চৰকাৰে এই বিলৰ দাবীবোৰ মানি ল'ব নুখুজিলে, তেতিয়া বিলখন বাচনি কমিটিলৈ (Select Committee) পঠিয়াবলৈ দিহা কৰা হ'ল তেতিয়া চৰকাৰী তৰফৰ সদস্যই বিলখন ভোটত দিয়াৰ কথা উত্থাপন কৰিলে। তাৰ ফলত ৩৮ জনে বিলখনৰ বিপক্ষ আৰু ১৩ জনে বিলখনৰ সপক্ষে ভোটদান কৰিলে। বিপক্ষে সদস্য বেছি হোৱা বাবে বিলখন অগ্ৰাহ্য হ'ল যদিও তাৰবাবে গোখলে হতাশ নহ'ল। কাৰণ গোখলে নিজেও ভালদৰে জানিছিল যে তেওঁৰ বিলখন অগ্ৰাহ্য হ'ব। তেওঁ সদনত নিৰ্ভীকভাৱে কৈছিল, 'দিনটো শেষ হোৱাৰ পূৰ্বেই মোৰ বিধেয়কখন দলিয়াই পেলোৱা হ'ব বুলি মই জানো। তাৰবাবে মই কোনো আপত্তি নকৰো। মই আনকি হতাশো অনুভৱ নকৰো, মই সদায় অনুভৱ কৰি আহিছো আৰু কৈ আহিছো যে আমি এই বৰ্তমানৰ ভাৰতীয় বংশধৰসকল কেৱল মাথোন আমাৰ অকৃতকাৰ্যতাৰ মাজেদি দেশক সেৱা কৰাৰ আশা কৰিব পাৰো। যিসকল পুৰুষ আৰু মহিলাই দেশ মাতৃক তেওঁলোকৰ কৃতকাৰ্যতাৰে সেৱা কৰাৰ সুযোগ পাব তেওঁলোক পিছতহে আহিব।'

গোপালকৃষ্ণ গোখলেৰ বিলখন আইন সভাত যদিও অগ্ৰাহ্য হ'ল বিলখনে ভাৰত চৰকাৰ, প্ৰাদেশিক চৰকাৰ আৰু জনসাধাৰণক প্ৰাথমিক শিক্ষা বিষয়ত অধিক সজাগ কৰি তুলিলে। এই বিলখনৰ প্ৰভাৱ সেই সময়ৰ সকলো শিক্ষা সম্বন্ধীয় আলোচনাতো সোমাই পৰিছিল। ১৯১৯ চনৰ পৰা ১৯৩০ চনলৈকে পাচ হোৱা প্ৰাথমিক শিক্ষা আইনবোৰ গোখলে বিলৰ ভিত্তিতেই প্ৰণয়ন কৰা হৈছিল। ১৯১২ চনত পঞ্চম জৰ্জ ভাৰতলৈ আহিছিল আৰু সকলো ভাৰতীয়ৰ ঘৰতে শিক্ষাৰ পোহৰ পৰিলে সুখী

DAILY ASSAM



হ'ব বুলি ৫০ লাখ টকা শিক্ষাৰ দিশত অনুদান দিয়াৰ মন্তব্য প্ৰকাশ কৰিছিল।

**১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱ আৰু প্ৰাথমিক শিক্ষা (The Govt. of India's Resolution of 1913 and Primary Education) :** গোপালকৃষ্ণ গোখলেৰ ১৯১০/১১ চনৰ বিলখন আইন সভাত অগ্ৰাহ্য হ'ল যদিও সেই বিলখনৰ আভ্যন্তৰীণ দিশবোৰৰ প্ৰতি ইংৰাজ চৰকাৰ সজাগ হ'ল। ইয়াৰ উপৰিও বিলখনৰ পৰা ভাৰতীয় মানুহৰ মনত চেতনাৰ সঞ্চাৰ কৰিলে। ঠিক সেই সময়তে ১৯১২ চনত ইংলণ্ডৰ পৰা ৰজা পঞ্চম জৰ্জ ভাৰত ভ্ৰমণ কৰিবলৈ আহিছিল। তেওঁৰ শুভ আগমনত দিল্লীত যি দৰবাৰ বহিছিল, সেই দৰবাৰত তেওঁ ভাৰতবৰ্ষৰ শিক্ষাৰ বিকাশৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল, লগতে তেওঁ নিৰ্দ্দেশ দিছিল যে প্ৰাথমিক শিক্ষাৰ বাবে বছৰি অন্ততঃ পঞ্চাশ লাখ টকা খৰচ কৰিবলৈ দিয়া হ'ব। ৰজাৰ নিৰ্দ্দেশৰ ফলস্বৰূপে সেই সময়ৰ ভাৰত চৰকাৰ কিছু শলঠেকত পৰিছিল যদিও চৰকাৰে শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে অধিক মনোযোগী হ'বলৈ বাধ্য হ'ল। সেইমৰ্মে ১৯১৩ চনৰ ১১ ফেব্ৰুৱাৰীত চৰকাৰী প্ৰস্তাৱ আকাৰত এক শিক্ষা আঁচনি যুগুত কৰা হৈছিল। এই প্ৰস্তাৱত শিক্ষাৰ সকলোবোৰ দিশেই সামৰি লোৱা হৈছিল। অৱশ্যে ইয়াত অকল প্ৰাথমিক শিক্ষাৰ ওপৰত অধিক পৰামৰ্শ আগবঢ়াইছিল। প্ৰাথমিক শিক্ষা সম্বন্ধে আগবঢ়োৱা মূল পৰামৰ্শসমূহ এনেধৰণৰ আছিল—

১। নিম্ন প্ৰাথমিক বিদ্যালয়ৰ দ্ৰুত সম্প্ৰসাৰণ হ'ব লাগে।
২। উচ্চ প্ৰাথমিক স্কুল স্থাপন কৰি শিক্ষাৰ সুবিধা প্ৰদান কৰিব লাগে।
৩। স্থানীয় কৰ্তৃপক্ষসমূহে অধিক স্কুল স্থাপন কৰিব লাগে আৰু তেওঁলোকে নোৱাৰিলে ব্যক্তিগত পক্ষক তাৰবাবে উৎসাহ প্ৰদান কৰিব লাগে।
৪। প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় সহায়ক অনুদান দিব লাগে।
৫। 'পাঠশালা', 'মকতাব' আদি দেশীয় অনুষ্ঠানসমূহক উৎসাহ দিয়াৰ লগতে সাহায্যও দিব লাগে।
৬। প্ৰাথমিক স্কুলৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।
৭। পিচপৰা আৰু দুখীয়া অঞ্চলৰ ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
৮। গ্ৰাম্যাঞ্চল আৰু নগৰ অঞ্চলৰ বিদ্যালয়ৰ পাঠ্যক্ৰম পৃথক হ'ব নালাগে।
৯। অধিক সা-সুবিধা থকাকৈ কম খৰছতে বিদ্যালয়ৰ গৃহ নিৰ্মাণ কৰিব লাগে।

১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱসমূহে প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে মহামতি গোখলেৰ বিলখনৰ উদ্দেশ্য পূৰণ কৰাত সহায় কৰিছিল।

**ৱাৰ্ধা আঁচনি ১৯৩৭ বা গান্ধীজীৰ বুনিয়াদী শিক্ষা (Wardha Scheme 1937) ঃ**

**প্ৰস্তাৱনা (Introduction) ঃ** মহামানৱ মহাত্মা গান্ধী বুনিয়াদী শিক্ষা আঁচনিখনৰ জন্মদাতা। মহাত্মা গান্ধী অকল ৰাজনৈতিক নেতাই নাছিল তেওঁ এজন সমাজ সংস্কাৰক আৰু শিক্ষাবিদো আছিল। গান্ধীজী দক্ষিণ আফ্ৰিকাত থাকোতে ১৯১৪ চনত বুনিয়াদী শিক্ষাৰ ধাৰণাটো কাৰ্যত পৰিণত কৰাৰ বাবে প্ৰচেষ্টা চলাইছিল। তাত থকা কালছোৱাত ভাৰতীয় লোকসকলৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে 'টলষ্টয় ফাৰ্মত' তেওঁ যি শিক্ষাৰ প্ৰবৰ্তন কৰিছিল তাক বুনিয়াদী শিক্ষা হিচাবেই গঢ় দিবলৈ বিচাৰিছিল। ভাৰতলৈ ঘূৰি আহি সাবৰমতি আশ্ৰমত থাকিবলৈ লৈ গান্ধীজীয়ে আশ্ৰমৰ ওচৰে-পাজৰে থকা ল'ৰা-ছোৱালীবোৰক এই আদৰ্শৰে শিক্ষা দিবলৈ বিচাৰিছিল। ১৯৩৫ চনত মহাত্মা গান্ধীয়ে 'ৱাৰ্দ্ধালৈ' গৈ 'সেৱাগ্ৰাম আশ্ৰমত' থাকিবলৈ লয়। ১৯৩৭ চনত 'হৰিজন' নামৰ বাতৰি কাকতখনত 'নই তালিম' নাম দি মহাত্মা গান্ধীয়ে কেইটামান প্ৰবন্ধ লিখিছিল। সেই 'নই তালিমকে' 'অখণ্ড শিক্ষা' বা বুনিয়াদী শিক্ষা বুলি কোৱা হয়। এই শিক্ষাৰ আঁচনিখনে কিদৰে ভাৰতৰ অৰ্থনৈতিক আৰু সামাজিক দিশত পৰিবৰ্তন আনিব পাৰিব, সেইবিষয়ে বহলাই লিখিছিল। সেই একে বছৰতে 'ৱাৰ্দ্ধা'ত বহা সৰ্বভাৰতীয় জাতীয় শিক্ষা সন্মিলনত গান্ধীজীয়ে বুনিয়াদী শিক্ষা পৰিকল্পনাটো দাঙি ধৰে। এই পৰিকল্পনাটোৰ বিষয়ে বিষদভাৱে আলোচনা কৰাৰ পিছত তলত দিয়া প্ৰস্তাৱসমূহ গৃহীত কৰা হয়।

**আঁচনিৰ প্ৰস্তাৱসমূহ (Resolutions of the Scheme) ঃ**

১। মাতৃভাষাৰ জৰিয়তে সকলো ল'ৰা-ছোৱালীকে বাধ্যতামূলক হিচাবে প্ৰাথমিক শিক্ষা সাত বছৰৰ বাবে দিয়া হ'ব।

২। কোনো উৎপাদনমূলক কামৰ যোগেদি এই শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ব। এই উৎপাদনমূলক কামৰ দ্বাৰা শিশুৰ মানসিক শক্তিৰ বিকাশ আৰু প্ৰশিক্ষণ দানৰ ব্যৱস্থা কৰা হ'ব।

৩। সমগ্ৰ শিক্ষাক শিল্পকেন্দ্ৰিক কৰি সেই শিক্ষাৰ যোগেদি উৎপাদন হোৱা বস্তুৰ মূল্যৰে শিক্ষকৰ দৰমহা দিয়াৰ নিয়ম প্ৰবৰ্তন কৰিব লাগে।

**জাকিৰ হুচেইন কমিটি (Zakir Hussain Committee) ঃ** ৱাৰ্ধাত বহা শিক্ষা সন্মিলনখনক ৱাৰ্ধা শিক্ষা সন্মিলন বুলিও কোৱা হয়। এই সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰাৰ্থে সন্মিলনে এটা সৰু কমিটি গঠন কৰি দিয়ে। এই কমিটিৰ মূল দায়িত্ব হ'ল বুনিয়াদী শিক্ষা সম্প্ৰসাৰণ কৰিবলৈ এখন উপযুক্ত পাঠ্যক্ৰম প্ৰস্তুত কৰা। এই কমিটিৰ সভাপতিৰ দায়িত্ব ডং

DAILY ASSAM



জাকিৰ হুছেইনক দিয়া হয় কাৰণে এই কমিটিখনক জাকিৰ হুচেইন কমিটি বুলি জনা যায়। ১৯৩৭ চনত এই কমিটিয়ে বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমৰ এখন আঁচনি যুগুত কৰে আৰু এই আঁচনিখন জাতীয় শিক্ষাৰ আঁচনি নামেৰে অভিহিত কৰে। জাকিৰ হুচেইন কমিটিৰ মতে এই জাতীয় শিক্ষা আঁচনিয়ে ভৱিষ্যতৰ নাগৰিকসকলৰ সমগ্ৰ ব্যক্তিত্ব বিকাশ কৰিব পাৰিব আৰু সুনাগৰিক কৰি গঢ়ি তুলিবলৈ সক্ষম হ'ব।

**বুনিয়াদী শিক্ষাৰ মূল বিশেষত্বসমূহ (Chief Characteristics and Principles of Basic Education) ঃ**

১। শিক্ষাক শিল্পকেন্দ্ৰিক কৰি গঢ়ি তুলি শিশুসকলৰ মানসিক শক্তি শক্তিশালী কৰি তোলা।

২। এই শিক্ষাই শিশুসকলক স্বাৱলম্বী হোৱাত সহায় কৰিব আৰু হস্তশিল্পৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ মূল্যৰে নিজৰ খৰচ-পাতিৰ লগতে শিক্ষকক দৰমহা দিব পাৰিব।

৩। এই শিক্ষাৰ আন এটি বিশেষত্ব হ'ল— মাতৃভাষাক শিক্ষাৰ মাধ্যম আৰু বাহন হিচাবে গ্ৰহণ কৰাটো।

৪। বুনিয়াদী শিক্ষাক শিশুকেন্দ্ৰিক শিক্ষা বুলি ক'ব পাৰি। এই শিক্ষাৰ মাধ্যমেৰে শিশুৱে হাতে-কামে শিকিবলৈ সুযোগ পাব।

৫। বুনিয়াদী শিক্ষা ব্যৱস্থাত জ্ঞানৰ সামগ্ৰিকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়।

৬। বুনিয়াদী শিক্ষা ব্যৱস্থাত শিক্ষক-শিক্ষাৰ্থীৰ মাজত মধুৰ সম্পৰ্ক স্থাপন হয় আৰু উভয়ে মুক্তভাৱে কাম কৰিবলৈ সুবিধা পায়।

৭। বুনিয়াদী শিক্ষাই শিশুসকলক বাস্তৱ জীৱনৰ লগত খাপ খাব পৰাকৈ প্ৰস্তুত কৰি তোলে।

৮। বুনিয়াদী শিক্ষা ব্যৱস্থাত সম্পূৰ্ণ ভাৰতীয় আৰু নৈতিক পৰিৱেশৰ সৃষ্টি কৰাৰ ব্যৱস্থা আছে। এই শিক্ষাই জাতীয় চৰিত্ৰ গঠনত সহায় কৰে।

৯। বুনিয়াদী শিক্ষাৰ যোগেদি বিদ্যালয় আৰু সমাজৰ মাজত সংহতি স্থাপন হোৱাৰ সম্ভাৱনা থাকে।

১০। দেশৰ ভৱিষ্যত নাগৰিক হিচাবে নিজৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে শিশুক সচেতন কৰি তোলা এই পৰিকল্পনাৰ এটি প্ৰধান লক্ষ্য।

১১। বুনিয়াদী শিক্ষা আঁচনিত আন আন আধুনিক ধাৰণাৰ দৰে শিশুৰ মনস্তাত্ত্বিক দিশৰ ওপৰতো গুৰুত্ব দিয়া হয়।

১২। বুনিয়াদী শিক্ষা আঁচনিক সৰ্বতোমুখী শিক্ষা আঁচনি বুলি ধৰা হয় কাৰণ এই শিক্ষা ব্যৱস্থাত সকলো বয়সৰ ব্যক্তিৰ শিক্ষা ব্যৱস্থা আছে।

১৩। বুনিয়াদী শিক্ষা আঁচনিয়ে শিশুসকলৰ মনত অহিংসা নীতি আৰু বিশ্বপ্ৰেমৰ ধাৰণা জগাই তোলে লগতে সত্য, প্ৰেম, ন্যায় আৰু সেৱাৰ মাধ্যমেৰে গান্ধী দৰ্শনৰ উপলব্ধি হোৱাত সহায় কৰে।

জাকিৰ হুচেইন কমিটিয়ে শিক্ষাক উৎপাদনমুখী কৰি ভাৰতবৰ্ষত এটা সামাজিক আৰু অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰাৰ লগতে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আসোঁৱাহ দূৰ কৰিবলৈ তলত উল্লেখ কৰা বিষয়সমূহক লৈ বুনিয়াদী শিক্ষাৰ এখন পাঠ্যক্ৰম প্ৰস্তুত কৰি দিছিল। বিষয়সমূহ হ'ল— ১। যিকোনো এটা শিল্প (সূতাকটা, বস্ত্ৰ তৈয়াৰ, কাঠৰ কাম, ফলমূলৰ বাগিছা, কৃষি, চামৰা শিল্প ইত্যাদি), ২। মাতৃভাষা, ৩। গণিত, ৪। সমাজবিদ্যা, ৫। সাধাৰণ বিজ্ঞান, ৬। চিত্ৰাঙ্কণ, ৭। সংগীত, ৮। হিন্দুস্তানী। জাকিৰ হুচেইন কমিটিয়ে দিয়া প্ৰতিবেদন কাৰ্যত পৰিণত কৰিবৰ বাবে ১৯৩৯ চনত ৱাৰ্ধাত এখন সৰ্বভাৰতীয় জাতীয় শিক্ষা পৰিষদ গঠন কৰা হয়। সেই সময়ত কংগ্ৰেছ চৰকাৰ গঠিত হোৱা কেইখনমান প্ৰদেশত বুনিয়াদী শিক্ষাৰ প্ৰচলন পূৰ্ণভাৱে চলিছিল আৰু বুনিয়াদী শিক্ষাক অকল প্ৰাথমিক স্তৰতে সীমাবদ্ধ নাৰাখি কেইবাটাও স্তৰত ভাগ কৰা হ'ল। এই স্তৰসমূহ হ'ল— ক) প্ৰাক্-বুনিয়াদী স্তৰ, খ) বুনিয়াদী শিক্ষা স্তৰ, গ) উত্তৰ বুনিয়াদী স্তৰ, ঘ) প্ৰাপ্তবয়স্ক শিক্ষা আৰু ঙ) বিশ্ববিদ্যালয় স্তৰ ইত্যাদি।

**বুনিয়াদী শিক্ষাৰ গুণসমূহ (Merits of Basic Education) ঃ** বুনিয়াদী শিক্ষাৰ অগ্ৰগতিৰ ইতিহাস অধ্যয়ন কৰিলে দেখিবলৈ পোৱা যায় যে এই আঁচনিখনৰ কেইবাটিও গুণাৱলী আছে। তাৰ ভিতৰত— ১। এই শিক্ষা ব্যৱস্থাই কৰ্ম সম্পাদনৰ মাজেদি জ্ঞান আহৰণ কৰাত অধিক গুৰুত্ব দিছিল। ২। ইয়াৰ মাধ্যমত দিয়া আত্মনিৰ্ভৰশীলতাৰ শিক্ষাই অৰ্থনৈতিক দিশত সহায় কৰিছিল। ৩। হস্তশিল্পৰ মাধ্যমত শিক্ষা দিয়া বাবে এই শিক্ষা শিশুৰ বাবে স্বতঃস্ফূৰ্ত আৰু আনন্দময় হৈ পৰে। ৪। এই শিক্ষা আঁচনিত কায়িক শ্ৰমৰ ওপৰত অধিক গুৰুত্ব দিয়া হেতুকে কায়িক শ্ৰমৰ মৰ্যাদা বৃদ্ধিত সহায় কৰিছিল। ৫। এই শিক্ষা ব্যৱস্থাই জীৱন আৰু বাস্তৱ অভিজ্ঞতাৰ লগত গুঢ় সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হৈছে। ৬। এই শিক্ষা ব্যৱস্থাই বিকাশমুখী শিশুৰ সৃজনী প্ৰতিভা বিকাশ কৰাৰ লগতে শিশুসকলৰ সামাজিক গুণাৱলীৰ বিকাশ সাধন কৰাত সহায় কৰিছে। ৭। এই শিক্ষা ব্যৱস্থাত মাতৃভাষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ৮। বুনিয়াদী শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক ঘনিষ্ঠভাৱে বৃত্তিৰ লগত সম্বন্ধ স্থাপন কৰি দিয়ে। ৯। এই শিক্ষা আঁচনিৰ এটা প্ৰধান উদ্দেশ্য হ'ল শিক্ষাৰ্থীৰ সমগ্ৰ ব্যক্তিসত্বাৰ পূৰ্ণ বিকাশ সাধন কৰা। ১০। বুনিয়াদী শিক্ষা আঁচনিত শিশুক জীৱনৰ উপযোগী শিক্ষাদান কৰাৰ উপৰিও এটা সম্পূৰ্ণ

DAILY ASSAM



ভাৰতীয় পৰিবেশৰ মাজত নৈতিক আদৰ্শৰ লগত পৰিচয় কৰি দিয়া। ১১। বুনিয়াদী শিক্ষা আঁচনিত শিশুৱে আনন্দময় আৰু কৰ্মমুখৰ পৰিস্থিতিত শিক্ষা লাভ কৰি সৰ্বতোমুখী বিকাশ সাধন কৰিবলৈ সুযোগ আছে।

**বুনিয়াদী শিক্ষাৰ দোষ (Demerits of Basic Education) ঃ** বুনিয়াদী শিক্ষাৰ গুণাৱলীসমূহে যেনেকৈ এই আঁচনিখনক কাৰ্যকৰী কৰাত সহায় কৰিছে ঠিক তেনেকৈ এই আঁচনিখনৰ দোষবোৰে আঁচনিখন কাৰ্যকৰী কৰাত বাধাৰ সৃষ্টি কৰিছে। এই আঁচনিখনৰ দোষবোৰ তলত দিয়াধৰণৰ—

১। বুনিয়াদী শিক্ষা আঁচনিখনৰ কোনো শিক্ষাগত মূল্য নাই। মহাত্মা গান্ধীৰ পৰিকল্পনা বাবেহে দেশবাসীয়ে ইয়াক সমাদৰ কৰিছে।

২। সহসম্বন্ধ প্ৰণালী হ'ল বুনিয়াদী শিক্ষা আঁচনিৰ মূলকথা।

৩। বুনিয়াদী শিক্ষা পৰিকল্পনা গ্ৰাম্যাঞ্চলৰহে উপযোগী, ইয়াক নগৰীয়া পৰিবেশৰ লগত খাপ খুৱাব নোৱাৰি।

৪। শিক্ষাৰ সমস্ত ব্যয় চৰকাৰে বহন কৰাটো প্ৰতিখন ৰাষ্ট্ৰৰে কৰ্তব্য কিন্তু বুনিয়াদী শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীৰ নিজস্ব উৎপাদনৰ দ্বাৰা শিক্ষাৰ ব্যয় কৰা দেখা যায়।

৫। শিশুসকলক সৰুৰেপৰা হস্তশিল্পৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে অধিক কেচামালৰ অপব্যয় হ'ব আৰু যন্ত্ৰপাতিৰ অপচয় ঘটিব।

৬। এটি বিশেষ দিশত গুৰুত্ব দিয়া হেতুকে এই শিক্ষাৰ দ্বাৰা শিশুৰ বহুমুখী চাহিদা পূৰণৰ লক্ষ্য ব্যৰ্থ হোৱাৰ সম্ভাৱনা।

৭। এই শিক্ষাৰ দ্বাৰা আত্মনিৰ্ভৰশীল হোৱা অসম্ভৱ কাৰণ এইটো কৰিবলৈ যাওঁতে বিদ্যালয়খন হ'ব কাৰখানা আৰু শিক্ষাৰ্থীসকল হ'ব দিন মজদুৰ।

৮। এই আঁচনিত শিক্ষাৰ্থীক ইংৰাজী শিকোৱাটো সম্পূৰ্ণভাৱে বাদ দিলে উচ্চ শিক্ষালাভৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হ'ব পাৰে।

৯। বুনিয়াদী শিক্ষাৰ পৰিকল্পনা শিশুৰ খেলা প্ৰকৃতিৰ প্ৰতি সম্পূৰ্ণ উদাসীন।

**বুনিয়াদী শিক্ষা অকৃতকাৰ্য হোৱাৰ কাৰণসমূহ (Causes of failure of Basic Education) ঃ** মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষা আঁচনি ভাৰতীয় শিক্ষাত অকৃতকাৰ্য হোৱাৰ মূল কাৰণ হ'ল ৰাজ্য চৰকাৰসমূহে এই শিক্ষা পৰিত্যাগ কৰিছে। বুনিয়াদী শিক্ষা কৃতকাৰ্য নোহোৱাৰ কাৰণবোৰ আলোচনা কৰিলে দেখিবলৈ পোৱা যায় যে তলত উল্লেখ কৰা কাৰণসমূহেই ইয়াৰ বাবে দায়ী—

১। ভাৰতীয় মানুহৰ আন্তৰিকতাহীনতা

২। ভুল মনোভাব আৰু ভুল প্ৰয়োগ ব্যৱস্থা

৩। উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ

৪। অনুপযুক্ত আৰু ত্ৰুটিপূৰ্ণ পাঠ্যক্ৰম

৫। গতানুগতিক পৰীক্ষা পদ্ধতি

৬। উপযুক্ত পাঠ্যপুথিৰ অভাৱ

এই আঁচনিখন শুদ্ধ আছিল যদিও এই শিক্ষাৰ ভৱিষ্যত অলপো উজ্জ্বল নহয় আৰু গান্ধীজীয়ে আশা কৰা মতে আঁচনিখনে আমাৰ জাতীয় জীৱনৰ অলপো পৰিবৰ্তন আনিব নোৱাৰিলে।

**অসম প্ৰাথমিক শিক্ষা আইন ১৯২৬ (Assam Primary Education Act 1926) ঃ**

১। এই আইনখন সমগ্ৰ অসমতে প্ৰযোজ্য হ'ব।

২। যিকোনো স্থানীয় কৰ্তৃপক্ষই তেওঁলোকৰ সমগ্ৰ এলেকাত অথবা যিকোনো অংশত প্ৰাথমিক শিক্ষা বাধ্যতামূলকভাৱে প্ৰবৰ্তন কৰিব পাৰিব যদি স্থানীয় কৰ্তৃপক্ষৰ এখন বিশেষ সভাত ২/৩ অংশতকৈ অধিক সদস্যই এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। ৬-১১ বছৰৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ই প্ৰযোজ্য হ'ব।

৩। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষই এখন আঁচনি তৈয়াৰ কৰি লব লাগিব। এই আঁচনিখনত প্ৰচলিত প্ৰাথমিক শিক্ষাত স্থানীয় কৰ্তৃপক্ষই খৰছ কৰা ধনৰ হিচাপ আৰু প্ৰস্তাৱিত বাধ্যতামূলক প্ৰাথমিক শিক্ষাত বহন কৰিবলগা খৰছৰ হিচাপ চৰকাৰক দাখিল কৰিব।

৪। বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্তন কৰিবলৈ যদি কোনো স্থানীয় কৰ্তৃপক্ষই সিদ্ধান্ত লয় তেতিয়া মুঠ ওপৰঞ্চি খৰছৰ ১/৩ অংশ ইয়াৰ বাবে বহন কৰিব লাগিব। এই নতুন প্ৰস্তাৱৰ বাবে প্ৰাথমিক শিক্ষাত প্ৰচলিত খৰছ হ্ৰাস কৰিব পৰা নাযাব।

৫। স্থানীয় কৰ্তৃপক্ষৰ প্ৰস্তাৱ যদি চৰকাৰে গ্ৰহণ কৰে তেতিয়াহ'লে বাকী থকা দুই-তৃতীয়াংশ খৰছো চৰকাৰে বহন কৰিব।

৬। বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্তনৰ বাবে যদি কোনো স্থানীয় কৰ্তৃপক্ষই সময়মতে আঁচনি দাখিল কৰিব নোৱাৰে তেতিয়াহলে চৰকাৰে স্থানীয় কৰ্তৃপক্ষক এইটো কৰিবৰ বাবে নিৰ্দেশ দিব পাৰে।

৭। চৰকাৰে আগতে জাননী দি আইন সংক্ৰান্তত বিশেষকৈ শিক্ষকৰ শিক্ষা সমিতি গঠন আৰু শিক্ষানীতি পৰিচালনাৰ সংক্ৰান্তত নীতি-নিয়ম কৰি দিব পাৰিব।

৮। সকলো চৰকাৰী আৰু সাহায্যপ্ৰাপ্ত বিদ্যালয়তে প্ৰাথমিক শিক্ষা বিনামূলীয়া হ'ব।

৯। শিক্ষা সমিতিৰ অনুমোদন ক্ৰমে দুখীয়া ল'ৰা-ছোৱালীক কিতাপ-পত্ৰ আদি বিনামূলীয়াকৈ দিয়া হ'ব।

১০। আইনখন প্ৰয়োগ কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষ আৰু শিক্ষা সমিতি দায়ী হ'ব আৰু ঘৰ-দুৱাৰ, সা-সঁজুলি আদিৰ যোগান ধৰিব লাগিব। শিক্ষাধিকাৰে দিয়া অনুমোদন সাপেক্ষে স্থানীয় কৰ্তৃপক্ষ আৰু শিক্ষা-সমিতিয়ে শিক্ষক নিযুক্তি দিব পাৰিব।

১১। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ কৃতিত্বৰ জোখ লোৱাৰ বাবে বাহ্যিক পৰীক্ষাৰ পৰিবৰ্তে আভ্যন্তৰীণ পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

১২। প্ৰাথমিক শিক্ষা সম্পূৰ্ণভাৱে সমাপ্ত কৰি শিক্ষাৰ্থীসকলক 'প্ৰমাণপত্ৰ' (চাৰ্টি-ফিকেট) দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

### মনত ৰাখিবলগীয়া

- ১৮১৩ চনৰ চাৰ্টাৰ আইনে ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত নতুন দিশ সুচনা কৰে।
- প্ৰাচ্যবাদী আৰু পাশ্চাত্যবাদীসকলৰ মাজত হোৱা বিবাদকেই প্ৰাচ্য পাশ্চাত্যৰ বিবাদ ৰূপে জনা যায়। প্ৰাচ্যবাদীসকলে থলুৱা শিক্ষা ব্যৱস্থাৰ দ্বাৰা ভাৰতীয় শিক্ষা প্ৰচলন হোৱাটো বিচাৰিছিল আৰু পাশ্চাত্যপন্থীসকলে ভাৰতত ইংৰাজী শিক্ষাৰ বিকাশ হোৱাটো বিচাৰিছিল।
- ১৮৩৫ চনত লৰ্ড মেকলেই তেখেতৰ প্ৰতিবেদনত 'ইংৰাজী' শিক্ষাৰ মাধ্যম হোৱাৰ ওপৰত গুৰুত্ব দিছিল।
- ১৮৫৪ চনৰ উদৰ ঘোষণাৱলীক ভাৰতীয় শিক্ষা ইতিহাসৰ 'ভোটা তৰা' বুলি ক'ব পাৰি।
- হান্টাৰ আয়োগে (১৮৮২) ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ বিকাশৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। আয়োগে প্ৰধানকৈ প্ৰাইমাৰী, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছিল।
- ১৮৯৯ চনৰ জানুৱাৰী মাহত লৰ্ড কাৰ্জনে গৱৰ্ণৰ জেনেৰেল হৈ ভাৰতবৰ্ষলৈ আহিছিল। ১৯০১ চনত তেখেতে ভাৰতীয় শিক্ষাৰ বিষয়ে আলোচনা কৰিবলৈ শিক্ষাধিকাৰ সকলকলৈ এখন সন্মিলন আহ্বান কৰিছিল। ১৯০৪ চনৰ ১১ মাৰ্চত শিক্ষানীতি ঘোষণা কৰে।
- গোপালকৃষ্ণ গোখলেৰ (১৯১০-১১) বিলৰ পাচত ১৯৩৭ চনত মহাত্মা গান্ধীয়ে বুনিয়াদী শিক্ষাৰ আঁচনি আগবঢ়াইছিল। একে বছৰতে গান্ধীজীৰ আঁচনি আলোচনা কৰিবলৈ এখন শিক্ষা সন্মিলন আহ্বান কৰা হৈছিল।

**কাৰ্যাৱলী ২**

১। ১৮১৩ চনৰ চাৰ্টাৰ আইনত সোমাই দিয়া গুৰুত্বপূৰ্ণ দফাটো কি?
২। প্ৰাচ্য শিক্ষাৰ ওপৰত সমালোচনা কৰোতে লৰ্ড মেকলে প্ৰকাশ কৰা উক্তিটো উল্লেখ কৰা।
৩। ১৮৫৪ চনৰ উডৰ ঘোষণাপত্ৰখনক কিয় 'মেগ্নাকাৰ্টা' আখ্যা দিয়া হয়?
৪। 'ফলাফলভিত্তিক অনুদানৰ' আভ্যন্তৰীণ দৃষ্টিভংগী কি আছিল? ইয়াক কোনে প্ৰবৰ্তন কৰিছিল আৰু কোনে বাতিল কৰিছিল?
৫। গোখলেৰ বিলখন আইনসভাৰ তৰ্কত যোৱাৰ আগতে গোখলে নিজেই কি মত পোষণ কৰি উক্তি দিছিল?
৬। বুনিয়াদী শিক্ষা অকৃতকাৰ্য্য হোৱাৰ কাৰণসমূহ কি কি?

### (ঘ) স্বাধীনোত্তৰ কালৰ সাৰ্বজনীন প্ৰাথমিক শিক্ষা (Universalisation of primary education since independence)

### সাংবিধানিক ব্যৱস্থা আৰু প্ৰাথমিক শিক্ষা (অনুচ্ছেদ ১৫, ২৮, ২৯, ৩০, ৪১, ৪৫ আৰু ২৮২) (Constitutional Provisions for Primary Education in Article 15, 28, 29, 30, 41, 45 and 282) ঃ

ভাৰতবৰ্ষৰ সংবিধানত প্ৰাথমিক শিক্ষাৰ সামগ্ৰীক বিকাশ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা ৰখা হৈছে। ভাৰতীয় সংবিধানখন জনগণৰ সামাজিক জীৱদৰ্শনৰ ভেঁটিত প্ৰতিষ্ঠিত কৰিবলৈ বিচাৰি তলত দিয়াধৰণে লক্ষ্য স্থিৰ কৰা হৈছিল।

আমি ভাৰতৰ জনসাধাৰণ, ভাৰতক এখন সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰৰূপে সংগঠিত কৰিবলৈ স্থিৰ সংকল্পবদ্ধ হৈ আৰু এই ৰাষ্ট্ৰৰ নাগৰিকে যাতে সকলো সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ন্যায় বিচাৰ পায়।

চিন্তা, ভাৱপ্ৰকাশ, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ ক্ষেত্ৰত স্বাধীনতা পায়, সামাজিক মৰ্যাদা আৰু সুযোগ-সুবিধাৰ ক্ষেত্ৰত সমতা লাভ কৰে আৰু ব্যক্তি স্বাধীনতা আৰু জাতীয় ঐক্য নিশ্চিতভাৱে ৰক্ষা কৰিব পৰাকৈ ভ্ৰাতৃত্ব ভাৱৰ বৃদ্ধি হয়।

তাক সুনিশ্চিতভাৱে পালন কৰিবৰ বাবেই এই সংবিধান গ্ৰহণ কৰি একে অধীনিয়মবদ্ধহৈ নিজকে অৰ্পণ কৰিছোঁ।

উল্লেখিত সংকল্পখিনি কাৰ্যত পৰিণত কৰিবলৈ হ'লে ভাৰতবৰ্ষৰ দৰে বিশাল বৈচিত্ৰ্যময় দেশ এখনে নাগৰিকসকলক সুশিক্ষাৰ দ্বাৰা শিক্ষিত কৰি তুলিব লাগিব। সেই উদ্দেশ্য আগত ৰাখি সংবিধানত কেইবাটাও অনুচ্ছেদত শিক্ষা সম্বন্ধে অভিমত প্ৰকাশ কৰিছে। ভাৰতীয় সংবিধানৰ ৪৩ তম শুধৰণি মতে শিক্ষা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া দায়িত্বলৈ আহে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ সহযোগপূৰ্ণ আৰু

DAILY ASSAM



সন্মিলিত দায়িত্বই শিক্ষা ব্যৱস্থাৰ শৃঙ্খলিত বিকাশ ঘটাব আৰু ব্যাপক সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় পটভূমি তৈয়াৰ কৰিব।

**অনুচ্ছেদ ১৫ ঃ** ভাৰতীয় সংবিধানৰ ১৫ অনুচ্ছেদতে কোৱা হৈছে যে, "ৰাষ্ট্ৰই যিকোনো নাগৰিকক লিঙ্গ অনুযায়ী বৈষ্যমতা নেদেখুৱায়" সংবিধানে আকৌ কৈছে যে, "আমাৰ মানৱ সম্পদৰ পূৰ্ণ বিকাশৰ কাৰণে, পৰিয়ালবোৰৰ উন্নতি আৰু শিশুসকলৰ আটাইতকৈ আকৰ্ষণীয় শৈশৱকালৰ বছৰকেইটাত চৰিত্ৰ গঠনৰ বাবে, ছোৱালীবোৰৰ শিক্ষা ল'বাৰ শিক্ষাতকৈ অধিক গুৰুত্বপূৰ্ণ" আকৌ সংবিধানে কৈছে "ৰাষ্ট্ৰই যিকোনো নাগৰিকৰ বিৰুদ্ধে মাত্ৰ ধৰ্ম জাতি, জাত, জন্মৰ স্থান বা যিকোনো এটাৰ ভিত্তিত বৈষ্যমতা দেখুৱাব নোৱাৰিব।"

**অনুচ্ছেদ ২৮ ঃ** ভাৰতীয় সংবিধানৰ ২৮ (১) অনুচ্ছেদত কোৱা হৈছে যে, "ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু অনুমোদিত বা ৰাষ্ট্ৰৰ কোষৰপৰা সাহায্য পোৱা যিকোনো শিক্ষানুষ্ঠানে ধৰ্মীয় শিক্ষা দিব নোৱাৰিব।"

**অনুচ্ছেদ ২৯ ঃ** সংবিধানৰ ২৯ নং Articleত কোৱা হৈছে যে—

১। ভাৰতৰ চাৰিসীমাৰ ভিতৰত বাস কৰি থকা যিকোনো নাগৰিকৰ অংশ বা তাৰ যিকোনো অংশৰে নিৰ্দিষ্ট ভাষা, লিপি বা সংস্কৃতি নিজে সংৰক্ষণ কৰাৰ অধিকাৰ থাকিব।

২। কোনো নাগৰিকে ৰাজ্যৰ দ্বাৰা নিয়ন্ত্ৰিত যিকোনো শিক্ষানুষ্ঠানত নামভৰ্ত্তিকৰণত বাধা পাব নোৱাৰিব বা ৰাজকোষৰ পৰা সাহায্য পোৱাৰ ক্ষেত্ৰত ধৰ্ম, জাতি, প্ৰজাতি ভাষা বা আন ক্ষেত্ৰত অস্বীকৃত হ'ব নোৱাৰিব।

**অনুচ্ছেদ ৩০ ঃ** সংবিধানৰ ৩০ নং Articleত কোৱা হৈছে যে— ১। সকলো সংখ্যালঘু হয়তো ধৰ্ম ভিত্তি বা ভাষা ভিত্তিৰ, তেওঁলোকৰ শিক্ষানুষ্ঠান পতাৰ অধিকাৰ আছে আৰু তেওঁলোকৰ নিৰ্বাচিত শিক্ষানুষ্ঠানবোৰ পৰিচালনা কৰাৰ অধিকাৰ আছে।

১। ক) যিকোনো আইন প্ৰণয়ন কৰোতে সংখ্যালঘুসকলৰ দ্বাৰা স্থাপিত আৰু পৰিচালিত শিক্ষানুষ্ঠানৰ যিকোনো সম্পত্তি বাধ্যতামূলকভাৱে নিশ্চিত হ'ব, যিটো ১নং অনুচ্ছেদত উল্লেখ আছে। ৰাজ্যই নিশ্চিত কৰিব যে, সেই আইনৰ অধীনত সেই সম্পত্তি আহৰণৰ বাবে বা ধাৰ্য কৰা সংখ্যাৰ ক্ষেত্ৰত বাধা আৰোপিত নহ'ব বা সেই আইনে নিশ্চয়কৈ কোৱা অধিকাৰ ৰদ কৰা নহ'ব।

২। ৰাজ্যই শিক্ষানুষ্ঠানসমূহলৈ সাহায্য আগনবঢ়ায়, যিকোনো শিক্ষানুষ্ঠানৰ

প্ৰভেদৰ বিৰুদ্ধে সংখ্যালঘুসকলৰ দ্বাৰা পৰিচালনা কৰাৰ ক্ষেত্ৰত, ই ধৰ্ম ভিত্তিৰেই হওক বা ভাষা ভিত্তিৰেই হওক।

**অনুচ্ছেদ ৪১ ঃ** সংবিধানৰ ৪১ নং Articleত কোৱা হৈছে যে— ৰাজ্যই অৰ্থনৈতিক সামৰ্থতা আৰু বিকাশৰ সীমাবদ্ধতাৰ ভিতৰত, কৰ্মৰ অধিকাৰ; শিক্ষা আৰু ৰাজহুৱা সাহায্য নিশ্চয়িত কৰিবলৈ ফলপ্ৰসূ ব্যৱস্থা কৰিব; নিবনুৱা, বৃদ্ধ, বেমাৰী আৰু অক্ষম আৰু আন কাৰণত অযোগ্য বুলি ভবাবোৰৰ ক্ষেত্ৰতো এই অনুচ্ছেদ প্ৰযোজ্য হ'ব।

**সাংবিধানিক অনুচ্ছেদ ৪৫ ঃ** সংবিধানৰ ৪৫ তম অনুচ্ছেদত ঘোষণা কৰা হৈছিল যে, সংবিধানখন প্ৰবৰ্তন কৰাৰ দহ বছৰৰ ভিতৰত ৰাষ্ট্ৰই চৈধ্য বছৰলৈ সকলো ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্তন কৰিব লাগিব। সংবিধানত কোৱা হৈছে, "The state shall endeavour to provide within a period of ten years from the commencement of the constitution, for free and compulsory education for all children until they complete the age of fourteen years."

সংবিধানত উল্লেখ কৰা ৰাষ্ট্ৰ (state) অথবা ৰাজ্য সম্পৰ্কত ১২নং অনুচ্ছেদত এনেদৰে ব্যাখ্যা কৰা হৈছে যে 'ৰাষ্ট্ৰ' মানে ইয়াত চৰকাৰ, সংসদ, ৰাজ্য চৰকাৰ, বিধানসভা; স্থানীয় কৰ্তৃপক্ষ আদিক বুজোৱা হৈছে।

প্ৰাথমিক শিক্ষাৰ দায়িত্ব কেন্দ্ৰ চৰকাৰৰ ও ৰাজ্য চৰকাৰৰ যুটীয়া দায়িত্বস্বৰূপ হ'ব, যত বিভিন্ন ৰাজ্যিক অনুষ্ঠান স্থানীয় কৰ্তৃপক্ষ অথবা স্বেচ্ছাসেৱী অনুষ্ঠানেও সহযোগিতা আগবঢ়াব।

কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক নিম্নলিখিত দিশত সহায় আগবঢ়াব—

১। কেন্দ্ৰই সহযোগী প্ৰতিষ্ঠানস্বৰূপে আগবঢ়াব।

২। প্ৰাথমিক শিক্ষা বিভাগ সম্পৰ্কীয় গৱেষণা আৰু অনুসন্ধানৰ উন্নয়নমূলক প্ৰচেষ্টা চলাই থাকিব।

৩। শিক্ষাৰ ক্ষেত্ৰত যিবিলাকৰ আন্তঃৰাজ্যিক তাৰতম্যতা আছে, সেইবিলাক দিশৰ বৈষ্যমতা নাইকিয়া কৰিবলৈ সম সুবিধা প্ৰদান কৰিব।

৪। অনুন্নত ৰাজ্যসমূহলৈ অধিক পৰিমাণৰ বিত্তীয় সাহায্য আগবঢ়াব।

৫। পাইলট প্ৰকল্পসমূহ প্ৰবৰ্তন কৰিব।

সংবিধানে মাতৃভাষাৰ যোগেদি শিক্ষা দিয়াৰ পোষকতা কৰিছিল। সংবিধানৰ ৩৫০ (ক) অনুচ্ছেদৰ মতে ভাষিক সংখ্যালঘু দলে নিজ মাতৃভাষাৰ যোগেদি প্ৰাথমিক স্তৰত শিক্ষা লাভ কৰাৰ কাৰণে ৰাষ্ট্ৰই উপযুক্ত সুবিধাসমূহ দান কৰিব লাগিব। গতিকে এটা ভাষাৰ প্ৰাধান্য থকা ৰাজ্যত আন ভাষা কোৱা নাগৰিকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক নিজৰ মাতৃভাষাৰ যোগেদি প্ৰাথমিক স্তৰলৈ শিক্ষা দিব পাৰিব।

DAILY ASSAM



শিক্ষা সম্বন্ধে ৰাষ্ট্ৰই বিশেষ সাংবিধানিক ব্যৱস্থা হাতত ল'লেও এই সকলোবোৰ নিৰ্দেশাত্মক নীতিৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছিল। শিক্ষাক মৌলিক অধিকাৰ হিচাপে গ্ৰহণ নকৰাৰ ফলত সংবিধানৰ ৪৫ অনুচ্ছেদটো সম্পূৰ্ণৰূপে পালন কৰা নাই। অৰ্থনৈতিক দুৰাৱস্থাৰ দোহাই দি ৰাজ্য চৰকাৰসমূহে বিনামূলীয়া বাধ্যতামূলক প্ৰাথমিক শিক্ষা সম্পূৰ্ণৰূপে প্ৰবৰ্তন কৰা নাই। যদিও ৪৫ অনুচ্ছেদত সংবিধান প্ৰবৰ্তন কৰাৰ দহ বছৰৰ ভিতৰত সকলো ঠাইতে প্ৰাথমিক শিক্ষা প্ৰবৰ্তনৰ আশা ৰাখিছিল, কিন্তু ১৯৯১ চনলৈকে ইয়াক সম্পূৰ্ণৰূপে প্ৰবৰ্তন কৰিবলৈ সক্ষম হোৱা নাই। কিছুমান অঞ্চলত যদিও সাৰ্বজনীন নাম ভৰ্ত্তিকৰণ সম্ভৱ হৈ উঠিছে, সেই বিলাক অঞ্চলত সাৰ্বজনীন উপস্থিতি আৰু স্থিতি নিশ্চিত হোৱা নাই। সেয়েহে সকলো দিশতে অপচয় হোৱা পৰিলক্ষিত হৈছে।

**অনুচ্ছেদ ২৮২ :** ভাৰতীয় সংবিধানৰ উপৰিওঁ সপ্তম অনুসূচিত তিনিখন আইনগত তালিকা আছে— কেন্দ্ৰীয় তালিকা, ৰাজ্যিক তালিকা আৰু সমৱৰ্ত্তী তালিকা। ১২ নং খণ্ডটোৱে ৭টা অনুচ্ছেদ সামৰি লৈছে ২৬৪ নং অনুচ্ছেদৰপৰা ৩০০ লৈ। এই অনুচ্ছেদকেইটাই কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ অৰ্থনৈতিক সম্বন্ধৰ কথা সামৰি লৈছে তৃতীয় দলৰ সৈতে। সেই অৰ্থনৈতিক কথাখিনিয়ে প্ৰাথমিক শিক্ষাকো সামৰি লৈছে।

## পূৰ্ণ সাক্ষৰতা অভিযান (Total Literacy Campaign)

১৯৮৯ চনত ৰাষ্ট্ৰীয় 'জন জাগৰণ প্ৰচেষ্টা' বা 'জন আন্দোলন প্ৰচেষ্টা'মূলক আঁচনি গ্ৰহণ কৰে। ইয়াৰ যোগেদি স্বেচ্ছাকৃতভাৱে সমাজৰ লোকক যথাসম্ভৱ কম সময়ৰ ভিতৰতে সাক্ষৰতা দানৰ ব্যৱস্থা কৰা হয়। 'কেৰালা শাস্ত্ৰ সাহিত্য পৰিষদ' আৰু 'ভাৰত জন বিজ্ঞান যাত্ৰাই' লোৱা জনসাধাৰণৰ বিজ্ঞান আন্দোলনৰ অভিজ্ঞতাৰে দেখা গৈছিল যে জনসাক্ষৰতা আঁচনিত সৰ্বসাধাৰণ লোকক স্বেচ্ছাকৃতভাৱে জড়িত কৰি তুলি সফলতা লাভ কৰিব পাৰি। ইয়াৰ বাবে সংগীত, কলা, নাটক আদি সাংস্কৃতিক উপাদানৰ প্ৰয়োগে জনসাধাৰণৰ মাজত পূৰ্ণ সাক্ষৰতা অভিযান আঁচনি কাৰ্যকৰী কৰি তোলাৰ উপযুক্ত পৰিবেশ গঢ় দি তুলিব পাৰে।

জন সাক্ষৰতা আঁচনিখনৰ বৈশিষ্ট্য আৰু ইয়াৰ কাৰ্যকৰী ব্যৱস্থা তলত উল্লেখ কৰা হ'ল—

১। বেনাৰ, ষ্টিকাৰ, প'ষ্টাৰ, কলাযাত্ৰা আৰু আন আন গণ মাধ্যমত কাৰ্যসূচীৰ যোগেদি জনসাধাৰণৰ মাজত প্ৰচাৰ চলোৱা।

২। জনসাধাৰণক জড়িত কৰিবৰ বাবে বিভিন্ন সম্প্ৰদায়ৰ লোকক এনে আঁচনিত সৰ্বাধিকভাৱে জড়িত কৰি তোলা।

৩। বিভিন্ন পৰ্যায়ত কমিটি গঠন কৰা। পৰ্যায়বোৰ হৈছে— জিলা, খণ্ড উন্নয়ন আৰু গাঁও পৰ্যায়।

DAILY ASSAM



৪। অধিক স্বেচ্ছাসেৱী নিয়োগ কৰা। প্ৰতি ১০ জন নিৰক্ষৰৰ বাবে এজন স্বেচ্ছাসেৱী নিয়োগ কৰাৰ ব্যৱস্থা কৰা।

৫। স্বেচ্ছাসেৱীৰ প্ৰশিক্ষণৰ বাবে প্ৰশিক্ষণ শিবিৰ স্থাপন কৰা।

৬। চৰকাৰী আৰু বেচৰকাৰী বিষয়া, নিৰ্বাচিত প্ৰতিনিধি, স্বেচ্ছাসেৱী অনুষ্ঠান, সমাজকৰ্মী আৰু ব্যৱসায় প্ৰতিষ্ঠান আদিক আঁচনিখনৰ লগত জড়িত কৰি তোলা।

৭। জিলা এখনক এনে প্ৰশিক্ষণ আঁচনিৰ বাবে উপযুক্ত ক্ষেত্ৰস্বৰূপে বিবেচনা কৰা। প্ৰয়োজনসাপেক্ষে খণ্ড, পঞ্চায়ত আৰু টহচিল পৰ্যায়ত ইয়াৰ ক্ষেত্ৰ নিৰ্ধাৰণ কৰি তুলিব পৰা যাব।

৮। শিক্ষাদানৰ সময়, স্থান আদি স্বেচ্ছাসেৱী আৰু শিক্ষা গ্ৰহণকাৰীসকলৰ সুবিধা মতে নিৰ্ধাৰণ কৰা।

৯। সম্পূৰ্ণ আঁচনিখনকে এক নিৰ্দিষ্ট সময় সাপেক্ষ কৰি তোলা। ইয়াৰ প্ৰচাৰ কাৰ্যৰ বাবে তিনি মাহ সময় আৰু ছয় বা সাত মাহ সময় শিক্ষাদানৰ বাবে নিৰ্ধাৰণ কৰা।

**জিলা প্ৰাথমিক শিক্ষা আঁচনি (District Primary Education Programme (DPEP)) ঃ**

ডি পি ই পি-ৰ সম্পূৰ্ণ নাম হৈছে 'জিলা প্ৰাথমিক শিক্ষা আঁচনি' (District Primary Education Programme) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ প্ৰক্ৰিয়াৰ লগত এনে আঁচনিৰ সুদূৰপ্ৰসাৰী সম্পৰ্ক আৰু প্ৰভাৱ অনুভৱ কৰা হৈছে। ডি পি ই পি অৰ্থাৎ জিলা প্ৰাথমিক শিক্ষা আঁচনিখন মূলতঃ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ আৰু গুণগত মান উন্নতকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৃষ্ঠপোষকতা কৰা অতি গুৰুত্বপূৰ্ণ আঁচনি। এই আঁচনিখন শুভাৰম্ভ হয় ১৯৯৩-১৯৯৪ চনত। এই আঁচনিখন কাৰ্যকৰী কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। ৰাজ্যিক পৰ্যায়ৰ চৰকাৰী পঞ্জীয়ণভূক্ত স্বায়ত্ব শাসিত সমিতিবোৰে প্ৰচাৰমূলক প্ৰক্ৰিয়াৰ মাধ্যমেৰে কাৰ্য সম্পাদন কৰি আছে। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ আৰু গুণগত মান উন্নতকৰণৰ লক্ষ্যৰে জিলা প্ৰাথমিক শিক্ষা আঁচনিখনে শিক্ষাৰ ক্ষেত্ৰত অতিৰিক্ত অন্তৰ্ভুক্তিৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি লৈছে। ৰাজ্যিক চৰকাৰবোৰে নিজ নিজ ৰাজ্যত প্ৰাথমিক শিক্ষাৰ বিকাশৰ প্ৰক্ৰিয়াক অধিক জনমুখী কৰি তোলা আৰু এনে প্ৰক্ৰিয়াক মনোগ্ৰাহী কৰি তোলাৰ বাবে এই বিশেষ আঁচনিখনৰ কাৰ্য ৰূপায়ণত বিশেষভাৱে মনোনিবেশ কৰিছে। এই আঁচনিখন প্ৰস্তুত কৰি তোলাৰ মূলতে আছে প্ৰচলিত শিক্ষা পদ্ধতিক পুনৰুজ্জীৱিত কৰি তোলা আৰু এইক্ষেত্ৰত বৈ যোৱা শূন্যতা পূৰণ কৰাৰ বিশেষ উদ্দেশ্য।

DAILY ASSAM



প্ৰাথমিক শিক্ষাৰ এই ব্যয়বহুল আঁচনিখন এখন সূচিপূৰ্ণ আৰু প্ৰয়োগিক আঁচনি। আঁচনিখনে সামৰি লোৱা সংযোগী মূল অংশবোৰ তলত দিয়াধৰণৰ—

১। প্ৰাথমিক শিক্ষাৰ বাবে নতুন বিদ্যালয় আৰু শ্ৰেণীকক্ষৰ নিৰ্মাণ।

২। অনৌপচাৰিক শিক্ষাৰ কেন্দ্ৰ আৰু বিকল্প বিদ্যালয়ৰ মুকলিকৰণ।

৩। নতুন শিক্ষক নিয়োগ তথা নিযুক্তি।

৪। খণ্ড সমল কেন্দ্ৰ স্থাপন আৰু থূপ সমল কেন্দ্ৰ স্থাপন।

৫। শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ।

৬। শিক্ষাদান আৰু আহৰণৰ সামগ্ৰীসমূহৰ বিকাশ সাধন।

৭। গৱেষণাভিত্তিক সহায়তা আৰু মধ্যস্থতা প্ৰদান কৰা।

৮। মহিলা, অনুসূচিত জাতি আৰু জনজাতিসকলৰ কাৰণে বিশেষ সহায়ৰ ব্যৱস্থা কৰা।

৯। শিশুসকলৰ সৈতে অক্ষমসকলক সংহত শিক্ষা প্ৰদানৰ বাবে সুব্যৱস্থা লোৱা।

১০। দূৰায়ত শিক্ষা আঁচনিৰ সম্প্ৰসাৰণ।

জিলা প্ৰাথমিক শিক্ষা আঁচনিৰ উদ্দেশ্য (**Objectives of DPEP**)ঃ জিলা প্ৰাথমিক শিক্ষা আঁচনিয়ে নিম্ন উল্লেখিত উদ্দেশ্যসমূহ বাস্তৱায়িত কৰাৰ লক্ষ্য নিৰূপণ কৰি উলিয়াইছে—

১। ৰীতিসিদ্ধ শিক্ষাৰ মাধ্যম অথবা অনৌপচাৰিক শিক্ষাৰ মাধ্যমসমূহৰ মাধ্যমেৰে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰলৈ সকলো শিশুৰে প্ৰৱেশৰ ব্যৱস্থা নিশ্চিত কৰা।

২। নিয়োগ ব্যৱস্থা, শিক্ষণ সিদ্ধি লাভ, স্থবিৰতাৰ হাৰৰ ক্ষেত্ৰত লিংগভিত্তিক ব্যৱধানৰ হাৰ হ্ৰাস কৰাৰ ব্যৱস্থা, অতি কমেও শতকৰা ৫ হাৰত ইত্যাদি নিশ্চিত কৰা।

৩। সকলো শিক্ষাৰ্থীৰ বাবে সামগ্ৰিকভাৱে প্ৰাথমিক শিক্ষাৰ স্থবিৰতাৰ হাৰৰ হ্ৰাসকৰণ (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ) অতি কমেও শতকৰা ১০ ভাগ।

৪। অতি কমেও শতকৰা ২৫ ভাগৰ ওপৰত পৰিমাপণ আধাৰ শাৰীৰ পৰ্যায়ত, গড় সিদ্ধিলাভ পৰ্যায়ৰ বৃদ্ধিকৰণ, মূল সাক্ষৰতা সিদ্ধি লাভৰ নিশ্চিতকৰণ আৰু সকলো প্ৰাথমিক শিক্ষাৰ শিক্ষাৰ্থীৰ দ্বাৰা অন্য দক্ষতাসমূহলৈ অতি কমেও শতকৰা ৪০ ভাগ সিদ্ধি লাভৰ পৰ্যায়লৈ নিয়া।

পুঁজিৰ সমল (**Source of Funds**)ঃ জিলা প্ৰাথমিক শিক্ষা আঁচনি হ'ল বাহ্যিকভাৱে সহায়ক অনুদানৰ ওপৰত নিৰ্ভৰশীল আঁচনি। এই আঁচনিৰ

খৰচৰ বাবে ভাৰত চৰকাৰে শতকৰা ৮৫ ভাগ অৰ্থ আগবঢ়াইছে। বাকী থকা শতকৰা ১৫ ভাগ খৰচৰ ভাৰ বহন কৰিছে ৰাজ্য চৰকাৰে। ভাৰত চৰকাৰে বহন কৰা খৰচখিনি বাহ্যিক সংগঠনসমূহৰ মাধ্যমেৰে যোগান ধৰা হৈছে। সাহায্য প্ৰদানকাৰী বাহ্যিক সংগঠনসমূহ হ'ল তলত উল্লেখ কৰা ধৰণৰ—

১। বিশ্ব বেংক (WB),
২। ইউৰোপৰ আয়োগ (EC),
৩। বৃটেইনৰ আন্তৰ্জাতিক বিকাশ কোষ (DFID of UK),
৪। সংযুক্ত আন্তৰ্জাতিক শিশু জৰুৰীকালীন কোষ (UNICEF),
৫। নেদাৰলেণ্ড চৰকাৰ।

**অসমত জিলা প্ৰাথমিক শিক্ষা আঁচনি (DPEP in Assam) :** অসমত জিলা প্ৰাথমিক শিক্ষা আঁচনিয়ে ৯ খন জিলাত সামৰি লৈছিল। সেইবোৰ হ'ল গোৱালপাৰা জিলাৰ দুধনৈ, কোকৰাঝাৰৰ তিতাগুৰি, ধুবুৰীৰ আগমনি, বঙাইগাঁওৰ বইটামাৰী, বৰপেটাৰ চেঙা, দৰঙৰ দলগাঁও, শোণিতপুৰৰ নদুৱাৰ, মৰিগাঁওৰ লাহৰিঘাট আৰু কাৰ্বি আংলং জিলাৰ হাওৰাঘাট।

**অধিকাৰ হিচাপে শিক্ষা (Education as Right) :**

শিক্ষা হ'ল নাগৰিকসকলৰ এটা মৌলিক অধিকাৰ। ৬-১৪ বছৰৰ ভিতৰৰ সকলো শিশুৱে শিক্ষা লাভ কৰিবলৈ সক্ষম হ'ব লাগিব। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বিকাশৰ ক্ষেত্ৰত শিক্ষাই বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। শিশুসকলক শিক্ষাদান দিয়াটো এখন গণতান্ত্ৰিক চৰকাৰৰ গুৰুত্বপূৰ্ণ দায়িত্ব আৰু পালনীয় কৰ্তব্য। গণতন্ত্ৰ সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে নাগৰিকসকলৰ কৰ্তব্যবাজিৰ ওপৰত। সেইবাবেই নাগৰিক-সকলক উপযুক্ত কৰি তোলাৰ বাবে ৰাষ্ট্ৰই শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হয়। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰই সফলভাৱে কাম-কাজবোৰ চলাই নিবলৈ হ'লে জনমতৰ প্ৰয়োজন হয়। সুস্থ-সবল জনমত প্ৰকাশ কৰিব পাৰে একমাত্ৰ স্বাক্ষৰ আৰু শিক্ষিত নাগৰিকেহে। এনেধৰণৰ উদ্দেশ্য আগত ৰাখিয়েই ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদত কোৱা হৈছিল যে 'ৰাষ্ট্ৰই সংবিধান গ্ৰহণ কৰাৰ ১০ বছৰৰ ভিতৰত দেশৰ ৬-১৪ বয়সৰ সকলো শিশুক মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব' (The state shall endeavour to provide within a period of ten years from the commencement of this constitution, for free and compulsory education to all children till they complete the age of fourteen years.) এই নিৰ্দেশনা নীতি ৰাষ্ট্ৰই পালন কৰিবলৈ নানা ধৰণেৰে প্ৰচেষ্টা চলাই থকা দেখা যায়। ১৯৬০ চনৰ ভিতৰত এই নিৰ্দেশনা পালন কৰিব লাগিছিল কিন্তু বিভিন্ন দিশৰ

DAILY ASSAM



খেলিমেলিৰ বাবে এই কাম অসম্পূৰ্ণ হৈয়ে আছে। এই লক্ষ্যত উপনীত হোৱাৰ বাবে ভাৰত চৰকাৰে ২০০১ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ 'সৰ্বশিক্ষা অভিযান' নামৰ এখন আঁচনি কাৰ্যকৰী কৰিবলৈ প্ৰচেষ্টা চলাই আছে। ইয়াৰ মাজতে অন্তৰ্নিহিত হৈ আছে 'অধিকাৰ হিচাপে শিক্ষাৰ' ধাৰণাটো।

**সৰ্বশিক্ষা অভিযান (Sarva Siksha Abhiyan)ঃ**

সৰ্বশিক্ষা অভিযান হ'ল এখনি শিক্ষা আঁচনি। এই আঁচনিখন প্ৰস্তুত হৈছে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে। সমগ্ৰ ভাৰতবৰ্ষতে গঢ় লৈ উঠা গুণগত প্ৰাথমিক শিক্ষাৰ দাবীৰ প্ৰতিক্ৰিয়া হিচাবে এই আঁচনিৰ উদ্ভৱ হৈছে। মূল শিক্ষাৰ মাধ্যমেৰে সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাৰ লগতে শিক্ষাৰ গুণগত মান উন্নীতকৰণত অৰিহণা যোগোৱা ই এটা সুবিধা। পঞ্চায়তীৰাজৰ অনুষ্ঠানসমূহ, বিদ্যালয় পৰিচালনা সমিতি, গ্ৰাম্য শিক্ষা সমিতি, চহৰ-বস্তি অঞ্চল পৰ্যায়ৰ শিক্ষা সমিতি, শিক্ষক-অভিভাৱক সংস্থা, শিক্ষক-মাতৃ সংস্থা, জনজাতীয় স্বতন্ত্ৰ পৰিষদ ইত্যাদিক প্ৰাথমিক বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত ফলপ্ৰসূভাৱে জড়িত কৰাৰ। এই অভিযান হ'ল এটা প্ৰচেষ্টা। সৰ্বশিক্ষা অভিযান হ'ল উচ্চ পৰ্যায়ত প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে চলোৱা প্ৰচেষ্টাৰ এটা ৰাজনৈতিক ইচ্ছাৰ প্ৰকাশ। সৰ্বশিক্ষা অভিযান হ'ল কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ আৰু স্থানীয় চৰকাৰক অংশীদাৰ হিচাপে লৈ চলোৱা শিক্ষাক সাৰ্বজনীন ৰূপ দিয়াৰ এটা সফল পদক্ষেপ। এই অভিযানটোৰ মাধ্যমেৰে ৰাজ্যবোৰে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন আৰু গুণগত মানবিশিষ্ট কৰি তোলাৰ বাবে স্ব-দৃষ্টিৰে শিক্ষাৰ উন্নতি সাধনৰ সুবিধা লাভ কৰিব পাৰিব। সৰ্বশিক্ষা অভিযান হ'ল কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ, কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰক অংশীদাৰ হিচাপে লৈ চলোৱা এটা যৌথ প্ৰচেষ্টা।

**সৰ্বশিক্ষা অভিযানৰ লক্ষ্য (Aims of Sarva Siksha Abhiyan)ঃ** সৰ্বশিক্ষা অভিযানৰ মূল লক্ষ্য হ'ল ২০১০ চনৰ ভিতৰত ৬-১৪ বছৰৰ ভিতৰৰ সকলো শিশুকে উপযোগী আৰু যুক্তিযুক্ত প্ৰাথমিক শিক্ষা আঞ্চলিক আৰু লিংগ বৈষম্য নোহোৱাকৈ প্ৰদান কৰাৰ সুব্যৱস্থা কৰা। ফলদায়ক, গুণসম্পন্ন আৰু প্ৰাসঙ্গিক শিক্ষা সম্প্ৰসাৰণ কৰিব পাৰিলেহে সমাজ তথা সম্প্ৰদায়ক সংহতিসম্পন্ন কৰিব পৰা যাব। এই আঁচনিৰ লক্ষ্যই শিশুসকলক প্ৰাকৃতিক পৰিৱেশৰ জ্ঞান লাভ কৰোৱাৰ লগে লগে ফলদায়ক পৰিৱেশৰ জ্ঞান লাভ কৰিবলৈ অনুমতি প্ৰদান কৰিছে। ইয়াৰ উপৰি শিশুসকলক প্ৰাথমিক শিক্ষাৰ মাধ্যমেৰে আধ্যাত্মিক আৰু বস্তুগতভাৱে সচেতন কৰি মানৱ সম্ভাৱনীয়তাসমূহ

বিকাশপ্ৰাপ্ত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। এই আঁচনিৰ মাধ্যমেৰে প্ৰমূল্যভিত্তিক শিক্ষণৰ পিনে শিশুসকলক অনুধাবিত কৰিব খোজা হৈছে। ইয়াৰ উপৰি শিশুসকলৰ মাজত স্বাৰ্থজড়িত ধাৰণাৰ উন্মেষৰ পৰস্পৰ সহযোগিতাৰ মাধ্যমেৰে কৰ্ম সম্পাদন কৰাৰ সুবিধা প্ৰদান কৰাৰ উদ্দেশ্য আগত ৰখা হৈছে। এনেবোৰ ধাৰণা আগত ৰাখি কেইটামান আকাংক্ষিত ফল বিচাৰি সৰ্বশিক্ষা অভিযান কাৰ্যত প্ৰয়োগ কৰা হৈছে। এনে আকাংক্ষিত ফলসমূহ হৈছে—

১। সকলোবোৰ শিশুকে ২০০৩ চনৰ ভিতৰত বিদ্যালয়, শিক্ষা নিশ্চিত কেন্দ্ৰ, বিকল্প বিদ্যালয়, বিদ্যালয় প্ৰত্যাবৰ্তন শিবিৰ আদিত সামৰি লোৱা।

২। সকলোবোৰ শিশুক ২০০৭ চনৰ ভিতৰত, প্ৰাথমিক বিদ্যালয়ত পাঁচ বছৰীয়া শিক্ষা সমাপ্ত কৰাৰ সুযোগ দিয়া।

৩। সকলোবোৰ শিশুকে ২০১০ চনৰ ভিতৰত আঠ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ সুযোগ দিয়া।

৪। প্ৰাথমিক শিক্ষাক শিক্ষাৰ সন্তোষজনক কেন্দ্ৰ হিচাপে গঢ়ি তুলি এনে শিক্ষাক গুণসম্পন্ন শিক্ষা হিচাপে বিকাশপ্ৰাপ্ত কৰি গঢ়ি তুলি প্ৰতিজন শিশুৰ জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা হিচাপে ইয়াৰ গুৰুত্ব বঢ়াই তোলা।

৫। প্ৰাথমিক শিক্ষাৰ স্তৰত সৃষ্টি হোৱা সামাজিক আৰু লিংগ বৈষম্য ২০১০ চনৰ ভিতৰত আঁতৰ কৰাৰ ব্যৱস্থা কৰা।

৬। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ২০১০ চনৰ ভিতৰত সাৰ্বজনীন সংৰক্ষণ নিশ্চিত কৰা আৰু সকলো শিশুৰ শিক্ষা সম্পূৰ্ণ কৰা।

**সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্যসমূহ (Objectives of Sarva Siksha Abhiyan) ঃ** সৰ্বশিক্ষা অভিযানৰ মূল উদ্দেশ্য হৈছে তলত দিয়াধৰণৰ—

১। ৰাজ্যসমূহৰ অনুষ্ঠান সম্পৰ্কৰ সংস্কাৰ সাধন কৰাৰ ব্যৱস্থা কৰি বিদ্যালয়সমূহৰ মানদণ্ড ৰক্ষা কৰা।

২। বিদ্যালয় পৰ্যায়লৈকে শিক্ষাৰ ফলপ্ৰসু বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা কৰা।

৩। শিক্ষা সম্পৰ্কৰ ধাৰণা ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা। বিদ্যালয় তথা শিক্ষানুষ্ঠানবোৰ যে ৰাইজৰ তাক উপলব্ধি কৰোৱা।

৪। বিদ্যালয়ৰ নিকটবৰ্তী অঞ্চলৰ ৰাইজক অংশীদাৰ হিচাপে লৈ তৃণমূল পৰ্যায়ৰপৰাই পৰিকল্পনাক ৰূপদান দিয়াৰ ব্যৱস্থা কৰা।

৫। শিক্ষাৰ কাৰ্যসূচী শিথিলভাৱে গ্ৰহণযোগ্য কৰি তোলা। ভিন্ন ক্ষেত্ৰত ৰাজ্যৰ বিশেষভাৱে প্ৰয়োজন থকা ব্যৱস্থাসমূহক সমৰ্থন জনাই সহায় আগবঢ়োৱা।

DAILY ASSAM



৬। শিক্ষাৰ ক্ষেত্ৰসমূহত নিৰ্দিষ্ট অঞ্চলৰ জনসাধাৰণক জড়িত কৰি লোৱাৰ লগতে খৰচ কম কৰি বিকাশৰ পথত অগ্ৰসৰ হ'ব পৰাৰ উপায়সমূহক উদ্‌গনি যোগোৱা।

৭। শিক্ষাৰ ক্ষেত্ৰসমূহৰ মাধ্যমেৰে শিশুসকলক সুন্দৰভাৱে পৰিচালনা কৰাৰ লগতে শিক্ষকসকলৰ প্ৰশিক্ষণৰ ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণৰ যোগেদি সক্ৰিয় কৰি তোলা।

৮। শিক্ষানুষ্ঠানৰ ওচৰে-পাজৰে থকা স্থানীয় জনসাধাৰণক মুখ্য স্থানত ৰখাৰ ব্যৱস্থা কৰা। এনে অৱস্থাৰ মাধ্যমেৰে সামগ্ৰিক আৰু পাৰস্পৰিক সংগতিপূৰ্ণ পদ্ধতি গ্ৰহণৰ ব্যৱস্থা কৰা।

৯। শিক্ষাৰ ক্ষেত্ৰসমূহত ছোৱালীবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি মহিলা শিক্ষাৰ বিকাশত অৰিহণা তথা উৎসাহ যোগোৱা।

১০। শিক্ষাৰ ক্ষেত্ৰসমূহত যাতে অনুসূচীত জাতি, জনজাতি, দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালবোৰৰ শিশুসকলে বিশেষ প্ৰাধান্য পায় তালৈ চকু ৰখাৰ ব্যৱস্থা কৰা।

১১। সংহত শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে বিশেষ প্ৰয়োজন থকা শিশুসকলক তথা অক্ষম শিশুসকলক আগবাঢ়ি যোৱাত সাহায্য আগবঢ়োৱা।

১২। শিক্ষাৰ বাবে আৰ্থিক সাহায্য প্ৰদানৰ অৰ্থে দীৰ্ঘদিন ধৰি কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, স্বায়ত্ব শাসিত পৰিষদ, নিকায়সমূহ আৰু ৰাইজৰ মাজত সংহতিপূৰ্ণ ভাৱধাৰা তথা সমন্বয় গঢ়ি তোলা।

১৩। জনসাধাৰণ আৰু বিদ্যালয়ৰ মাজত সমন্বয়ৰ ভাবধাৰা গঢ়ি তোলাৰ বাবে সাক্ষৰতা, পুথিভঁড়াল, পৰিপুষ্টি, মহিলাৰ সবলীকৰণ, খেলা-ধূলা আদি কাৰ্যসূচীৰ ব্যৱস্থা কৰা।

**সৰ্বশিক্ষা অভিযানৰ গাঁঠনি (Framework of Sarva Siksha Abhiyan) ঃ** সৰ্বশিক্ষা অভিযানৰ দুটা দিশ আছে। ইয়াৰে প্ৰথম দিশটোৱে প্ৰাথমিক শিক্ষাৰ আঁচনি ৰূপায়ণৰ বিস্তৃত গাঁঠনিক সূচায় আৰু দ্বিতীয় দিশটোৱে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে আয়-ব্যয় সম্বন্ধীয় ব্যৱস্থাৰ কথা সূচোৱাৰ লগতে শক্তিশালী পদক্ষেপৰ বিষয়ে সূচায়। সৰ্বশিক্ষা অভিযানৰ গাঁঠনিৰ এটা অংশ হিচাপে ৰাজ্যিক আৰু কেন্দ্ৰীয় আঁচনিৰ প্ৰতিফলন ঘটিছে য'ত প্ৰাথমিক শিক্ষা খণ্ডত বিশেষ বিনিয়োগ কৰা হৈছে। পৰবৰ্তী কেইটামান বছৰৰ ভিতৰতে প্ৰাথমিক শিক্ষাৰ সকলোবোৰ দিশ সৰ্বশিক্ষা অভিযান আঁচনিৰ লগত একত্ৰিত হ'ব। আঁচনি হিচাপে, সৰ্বশিক্ষা অভিযানে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ কাৰণে অতিৰিক্ত সমল ব্যৱস্থাৰ প্ৰতিফলন ঘটোৱাৰ প্ৰচেষ্টা

অব্যাহত ৰাখিছে।

**সৰ্বশিক্ষা অভিযানৰ গুৰুত্বপূৰ্ণ দিশসমূহ (Important aspects of Sarva Siksha Abhiyan) ঃ**

১। সৰ্বশিক্ষা অভিযান ৰূপায়ণৰ ক্ষেত্ৰত প্ৰাথমিক শিক্ষাৰ সকলোবোৰ পৰ্যায় পৰিচালনা কৰিবলৈ সক্ষম হোৱা ৰাজ্যিক পৰ্যায়ৰ ৰূপায়ণ গোটটোৱে অগ্ৰাধিকাৰ পাইছে। সম্প্ৰদায়সমূহৰ ব্যক্তিসকলে ইয়াৰ গতিবিধি আৰু কাম-কাজ লক্ষ্য কৰাটো নিশ্চিত কৰাৰ প্ৰয়োজন।

২। সৰ্বশিক্ষা অভিযানক কেইটামান মূল বিভাগত বিভক্ত কৰি লোৱা হৈছে। যেনে—

ক) পৰিকল্পনা আৰু পৰিচালনা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰা।

খ) শৈক্ষিক দিশৰ উন্নতি সাধন কৰাৰ লগতে বিদ্যালয়সমূহৰ উন্নতি সাধন কৰা।

গ) বিকল্প উদ্ভাৱনীমূলক শিক্ষা সম্প্ৰসাৰণ।

ঘ) অনানুষ্ঠানিক শিক্ষা ব্যৱস্থাক প্ৰায়োগিক কৰি তোলা।

ঙ) শিক্ষাৰ সকলো দিশতে সম্প্ৰদায়ক জড়িতকৰণৰ ব্যৱস্থা কৰা।

চ) তথ্যসমূহৰ সুপৰিকল্পিত পৰিচালনা কৰা।

ছ) বিশেষ লক্ষ্য গোট স্থাপন কৰা।

জ) শিক্ষা সন্দৰ্ভত হোৱা আয়-ব্যয়ৰ হিচাপ তথা বিত্তীয় পৰিচালনা নিশ্চিত কৰা।

৩। সৰ্বশিক্ষা অভিযানে ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ শিক্ষাৰ পোষকতা কৰিছে। দেশৰ কিছু অংশত ব্যক্তিগত যোগানদাৰীসকলক শিক্ষা সম্প্ৰসাৰণত উৎসাহ যোগোৱা হৈছে। সেই ব্যক্তিগত খণ্ডৰ অংশীদাৰৰ স্বৰূপৰ ক্ষেত্ৰ নিৰ্ধাৰণ কৰা হৈছে।

৪। সৰ্বশিক্ষা অভিযানৰ ভিতৰত অন্তৰ্ভুক্ত কৰাৰ বাবে হস্তক্ষেপৰ মান নিৰ্ণয় কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰ বাবে যি ব্যৱস্থা লোৱা হৈছে তাৰ ভিতৰত—

ক) প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ প্ৰত্যেক চল্লিছগৰাকী শিক্ষাৰ্থীৰ বাবে এগৰাকীকৈ শিক্ষক ৰখাটো নিশ্চিত কৰা।

খ) প্ৰাথমিক বিদ্যালয়ত অন্ততঃ দুগৰাকীকৈ শিক্ষক থকাটো নিশ্চিত কৰা।

গ) বিদ্যালয় বা বিকল্প বিদ্যালয়ৰ সুবিধা প্ৰতি কিল'মিটাৰত নিশ্চিত কৰা, বিশেষকৈ আবাসিক অঞ্চলসমূহত।

ঘ) প্ৰত্যেকগৰাকী শিক্ষকৰ বাবে একোটা কোঠালী নিশ্চিত কৰা।

ঙ) উচ্চ প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ বাবে এটা কোঠালী নিশ্চিত কৰা।

চ) প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ সকলোবোৰ ছোৱালী, অনুসূচীত জাতি, জনজাতিৰ শিশুসকলক বিনামূলীয়া

DAILY ASSAM



পাঠ্যপুথিৰ যোগান ধৰা প্ৰক্ৰিয়া নিশ্চিত কৰা।

ছ) ৰাজ্যবোৰে বিনামূলীয়া পাঠ্যপুথি প্ৰস্তুত কৰাৰ ব্যৱস্থা অব্যাহত ৰখা।

জ) বিদ্যালয়ৰ ঘৰ-বাৰী নিৰ্মাণৰ ব্যৱস্থা জিলা আঁচনিৰ মাধ্যমেৰে সম্পাদন কৰা।

ঝ) বিদ্যালয়গৃহৰ ৰক্ষণাবেক্ষণ আৰু মেৰামতিৰ দায়িত্ব বিদ্যালয় পৰিচালনা সমিতিৰ হাতত অৰ্পণ কৰা।

ঞ) প্ৰয়োজনসাপেক্ষে দান বৰঙণি সংগ্ৰহ কৰা।

ট) সুবিধা থকা জনবসতি অঞ্চলত শিক্ষা নিশ্চিতকৰণ কেন্দ্ৰ স্থাপন কৰা।


ঠ) প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি বিকল্প বিদ্যালয়ৰ আৰ্হি লোৱা ইত্যাদি।

৫। সৰ্বশিক্ষা অভিযানত সম্প্ৰদায়ভিত্তিক পৰিকল্পনা প্ৰক্ৰিয়াক বাস্তৱমুখী কৰি তোলাৰ চেষ্টা চলোৱা হৈছে। এই অভিযানৰ সফলতা নিৰ্ভৰ কৰিছে সম্প্ৰদায়ভিত্তিক প্ৰক্ৰিয়াৰ গুণাগুণৰ ওপৰত। সৰ্বশিক্ষা অভিযান শিক্ষাৰ ক্ষেত্ৰলৈ অহাৰ লগে লগে সম্প্ৰদায়সমূহে আঁচনি গ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছে।

৬। সৰ্বশিক্ষা অভিযানত অনুমোদিত আঁচনিৰ

### মনত ৰাখিবলগীয়া

সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ বাবে লোৱা ব্যৱস্থাসমূহ



সম্পদৰ অংশ নিৰূপণ কৰা হৈছে। দেশৰ সকলোবোৰ জিলাক নৱম পাঁচ বছৰীয়া পৰিকল্পনা অন্ত পৰাৰ আগতে সামৰি লোৱাৰ প্ৰয়াসেৰে কাম কৰি বৰ্তমানো এনে প্ৰক্ৰিয়া চলি আছে। সম্পদৰাজিৰ অংশ নিৰূপণত কোনো নিৰ্দিষ্ট নিয়ম নিৰ্দ্ধাৰণ কৰা হোৱা নাই। প্ৰকৃত অংশ নিৰূপণ নিৰ্ভৰ কৰিছে সম্পদসমূহৰ প্ৰাপ্ত ধাৰা আৰু আন আন বিভিন্ন উপাদানৰ ওপৰত। সম্পদসমূহ বছৰত দুটা ভাগ কৰি অংশ নিৰূপিত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। ইয়াৰে এটা হৈছে এপ্ৰিল মাহত আৰু আনটো হৈছে ছেপ্টেম্বৰ মাহত।


## সাৰাংশ

শিক্ষা হ'ল এখন দেশৰ কামসমূহৰ ভিতৰৰ প্ৰধান কাম। প্ৰাথমিক শিক্ষা হ'ল সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ ভিতৰত এটি বৰ গুৰুত্বপূৰ্ণ পৰ্যায়। ভাৰতবৰ্ষত বহুদিন আগৰপৰাই শিক্ষাৰ ব্যৱস্থা চলি আছিল। শিক্ষাৰ প্ৰসাৰ সমাজত বিভিন্ন উপায়েৰে সম্ভৱ হৈ উঠিছিল। ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসৰ ধাৰাখিনি বিভিন্ন যুগত ভাগ কৰা দেখা যায়। প্ৰত্যেকটো যুগ বা ভাগৰে বৈশিষ্ট্যপূৰ্ণ নিজ নিজ শৈক্ষিক ধৰণ আছে। আমি ভাৰতবৰ্ষৰ শিক্ষাৰ ধাৰাটোক সাধাৰণতে দুটা ভাগত ভাগ কৰিব পাৰো। যেনে অতীত শিক্ষা ব্যৱস্থা আৰু আধুনিক শিক্ষা ব্যৱস্থা হিচাপে। ভাৰতবৰ্ষ হ'ল সাংস্কৃতিকভাবে চহকী দেশ। ভাৰতবৰ্ষত ইংৰাজসকলৰ ৰাজত্ব চলাৰ আগতে গুৰুকুল, পাঠশালা, টোল, সত্ৰ, মকটাব আৰু মাদ্ৰাছা আদিৰ দৰে পুৰণি শিক্ষানুষ্ঠানৰ মাধ্যমত শিক্ষাৰ প্ৰচাৰ হৈছিল। খ্ৰীষ্টিয়ান মিচনেৰীসকলৰ আগমনে ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাত এটি নতুন ধাৰা আনি দিছিল। ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতলৈ আহিছিল ব্যৱসায়-বাণিজ্য কৰিবলৈহে। সেইবাবে তেওঁলোকে ভাৰতীয়সকলৰ শিক্ষাৰ দিশত কোনোধৰণৰ মনোযোগ দিয়া নাছিল। ভাৰতবৰ্ষৰ সামাজিক আৰু সাংস্কৃতিক বিকাশত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজত্বকালত মিচনেৰীসকলে বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৮২৬ চনৰ বিখ্যাত ইয়াণ্ডাবু সন্ধিৰ ফলশ্ৰুতিত অসম ইংৰাজৰ অধীনলৈ আহে আৰু মিচনেৰীসকলৰ অসম আগমন হয়। অসমতো মিচনেৰীসকলে বিভিন্ন স্থানত ধৰ্ম প্ৰচাৰৰ লগতে শিক্ষা সম্প্ৰসাৰণ কৰে। ১৮১৩ চনৰ চাৰ্টাৰ আইনে ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰখনত নতুন দৃষ্টিভংগীৰ উদয় কৰে। এই আইনখনে মিচনেৰীসকলক ভাৰতবৰ্ষত শিক্ষা সম্প্ৰসাৰণ কৰাৰ বাবে সৰলীকৰণ কৰিছিল আৰু এই

আইনখনে ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰিছিল। ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত মেকলেৰ প্ৰতিবেদনখনে বৈশিষ্ট্যপূৰ্ণ স্থান দখল কৰি সমাজত জটিলতাৰ সৃষ্টি কৰিছিল নিম্নমুখী পৰিশ্ৰাবন নীতিৰ মাধ্যমেৰে। ১৮৫৪ চনত উডৰ নিৰ্দেশনামা প্ৰকাশ হয় আৰু ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত 'মেগনাকাৰ্টা' হিচাপে পৰিগণিত হৈছিল। ভাৰতীয় শিক্ষা আয়োগ নিযুক্তি দিয়া হৈছিল ১৮৮২ চনত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ অৱস্থাটো পুনৰীক্ষণ কৰি বিকাশৰ বাবে পৰামৰ্শ আগবঢ়াবলৈ। ১৯০১ চনৰ চিমলা অধিবেশনৰ আধাৰত লৰ্ড কাৰ্জনে ভাৰতীয় শিক্ষা নীতিৰ প্ৰস্তাৱনা আগবঢ়ায়। লৰ্ড কাৰ্জনৰ শিক্ষানীতিয়ে ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত এটি নতুন যুগৰ সূচনা কৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ মানসেৰে ১৯১০ চনত জাতীয়তাবাদী নেতা গোপালকৃষ্ণ গোখলে 'ৰাজকীয় আইন সভাত' এখন বিল উত্থাপন কৰে। কিন্তু সেই বিলখন ৩৮টাৰ বিপৰীতে ১৩টা ভোটদানৰ ফলত সম্পূৰ্ণৰূপে অগ্ৰাহ্য হয়। জাতিৰ পিতা মহাত্মা গান্ধী 'বুনিয়াদী শিক্ষা আঁচনিৰ' প্ৰবৰ্তক আছিল। ১৯৩৭ চনত যেতিয়া ভাৰতবৰ্ষত প্ৰাদেশিক চৰকাৰ ক্ষমতালৈ আহে সেইসময়ত এটা জাতীয় শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তা আহি পৰিছিল। কিন্তু ভুলভাবে বুনিয়াদী শিক্ষা ব্যৱস্থাটো প্ৰয়োগ কৰাত ভাৰতবৰ্ষত ই বিফল হৈছিল। ১৯২৬ চনত অসম প্ৰাথমিক শিক্ষা আইন প্ৰণয়ন হয় আৰু সমগ্ৰ অসমত ইয়াক প্ৰয়োগ কৰিবলৈ লোৱা হয়। ভাৰতবৰ্ষৰ সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ কথাখিনি সমাজত প্ৰতিফলন ঘটাবলৈ যোৱা কেইবাটাও দশকত নানাধৰণেৰে প্ৰচেষ্টা চলোৱা হয় আৰু প্ৰাথমিক শিক্ষা সকলোৱে যাতে পায় তাৰ ব্যৱস্থা হাতত লোৱা হয়। শিক্ষাক অধিকাৰ হিচাপে প্ৰতিপন্ন কৰিবলৈ পূৰ্ণ স্বাক্ষৰতা অভিযান, জিলা প্ৰাথমিক শিক্ষা আঁচনি, সৰ্বশিক্ষা অভিযান আদিৰ দৰে আঁচনিবোৰ কাৰ্যকৰী কৰি থকা হৈছে।

DAILY ASSAM

## প্ৰশ্নাৱলী

১। ভাৰতবৰ্ষৰ অতীত শিক্ষা ব্যৱস্থাৰ এটি চমু আভাষ দিয়া।

২। চমুকৈ লিখা ঃ
(ক) গুৰুকুল প্ৰথা
(খ) পাঠশালা
(গ) টোল
(ঘ) সত্ৰ
(ঙ) মকতাব
(চ) মাদ্ৰাছা
(ছ) শ্ৰীৰামপুৰ ত্ৰয়

৩। মনিটৰিয়েল প্ৰথাৰ বিষয়ে চমুকৈ লিখা।

৪। অসমৰ শিক্ষাৰ ক্ষেত্ৰত মিচনেৰীসকলৰ অৱদানৰ বিষয়ে লিখা।

৫। চমুকৈ লিখা ঃ
(ক) চাৰ্টাৰ আইন ১৮১৩
(খ) প্ৰাচ্য পাশ্চাত্যৰ বিবাদ
(গ) মেকলেৰ প্ৰতিবেদন
(ঘ) নিম্নমুখী পৰিশ্ৰাৱন নীতি

৭। উডৰ ঘোষণা পত্ৰৰ মূল পৰামৰ্শসমূহৰ বিষয়ে লিখা।

৮। উডৰ ঘোষণা পত্ৰখনক ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত কিয় 'মেগ্নাকাৰ্টা' আখ্যা দিয়া হয়? যুক্তি সহকাৰে লিখা।

৯। উডৰ ঘোষণা পত্ৰই ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত পেলোৱা প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

১০। ১৮৮২ চনৰ হান্টাৰ আয়োগে ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত কি কি পৰামৰ্শ আগবঢ়াইছিল? বৰ্ণনা কৰা।

১১। লৰ্ড কাৰ্জনৰ শিক্ষা নীতিৰ চমু বৰ্ণনা দিয়া।

১২। চমুকৈ লিখা ঃ
(ক) হান্টাৰ আয়োগ আৰু প্ৰাথমিক শিক্ষা
(খ) লৰ্ড কাৰ্জনৰ প্ৰাথমিক শিক্ষা নীতি

১৩। ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত গোপালকৃষ্ণ গোখলেৰ অৱদান আলোচনা কৰা।
১৪। ১৯৩৭ চনৰ ৱাৰ্ধা আঁচনিৰ চমু আভাষ দিয়া।
১৫। যিকোনো এটাৰ বিষয়ে লিখা ঃ
(ক) বুনিয়াদী শিক্ষাৰ মূল বিশেষত্বসমূহ
(খ) বুনিয়াদী শিক্ষাৰ গুণাৱলীসমূহ
১৬। বুনিয়াদী শিক্ষা অকৃতকাৰ্য হোৱাৰ কাৰণবোৰ দৰ্শোৱা।
১৭। অসম প্ৰাথমিক শিক্ষা আইন ১৯২৬ ৰ মূল দফাবোৰ কি কি আছিল? চমুকৈ লিখা।
১৮। সৰ্বশিক্ষা অভিযান কি? চমুকৈ লিখা।
১৯। চমুকৈ লিখা ঃ
(ক) জিলা প্ৰাথমিক শিক্ষা আঁচনি (খ) অধিকাৰ হিচাপে শিক্ষা
(খ) পূৰ্ণ স্বাক্ষৰতা অভিযান (ঘ) সাৰ্বজনীন প্ৰাথমিক শিক্ষা
২০। সৰ্বশিক্ষা অভিযানে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে বৰ্ণনা কৰা।

## প্ৰসংগ গ্ৰন্থসমূহ

1. History of Education
P.L. Rawat Rawat Publication, Ambala.
2. History of Education
B. Dutta. Deb Publication, Shillong
3. History of Education
R. A. Sharma. Atlanta Publication. New Delhi
4. Development of Education
N.B. Sen. Dhanpat Rai & Sons
5. History of Indian Education
S.P. Choube Dhanpat Rai & Sons. New Delhi